www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজ মাতৃক অবহেলা কৰি দেশ মাতৃক সেৱা কৰাৰ চেষ্টা ভণ্ডামী মাথোঁন। —— তৰুণৰাম ফুকন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৩৩ | বৃহস্পতিবাৰ | ২ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 232 | Thursday | 2nd July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ বিপদসীমাৰ ওপৰেৰে বৈ আছে ব্ৰহ্মপুত্ৰ, দিচাং ঃ ৩, ৮০৯ হেক্টৰ কৃষিভূমি ধ্বংস ■

# বানৰ কবলত ছয় জিলাৰ অৰ্ধ লক্ষাধিক

### ৪৫০ জন গৃহহীন; ৮৮, ০০০তকৈ অধিক পোহনীয়া জীৱ-জন্তু প্ৰভাৱিত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ জুলাই ঃ** অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণে আজি প্ৰকাশ কৰা শেহতীয়া বুলেটিন মতে, ৰাজ্যখনৰ বান পৰিস্থিতি এতিয়াও অত্যন্ত সংকটজনক হৈয়েই আছে। বানপানীয়ে ৰাজ্যখনৰ ছয়খন জিলাৰ ৪৬, ০০০ তকৈও অধিক লোকক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰিছে, আৰু ৩, ৮০৯ হেক্টৰতকৈও অধিক কৃষিভূমি সম্পূৰ্ণৰূপে পানীৰ তলত গৈছে। এই বান পৰিস্থিতিয়ে ধেমাজি, নলবাৰী, ডিব্ৰুগড়, চিৰাং, লখিমপুৰ আৰু বিশ্বনাথ জিলাৰ ১০টা ৰাজহ চক্ৰ আৰু ২২১টা গাঁৱৰ মুঠ ৪৬, ৯৩৮ গৰাকী লোকক প্ৰভাৱিত কৰিছে। আটাইতকৈ ভয়াৱহ পৰিস্থিতি বিৰাজ কৰিছে ধেমাজি জিলাত, য'ত অকলেই ৪৫, ৮৪১ গৰাকী লোক বানৰ কবলত পৰিছে। উল্লেখযোগ্য যে মঙলবাৰে ধেমাজি জিলাৰ চিচিবৰগাঁৱত বানৰ পানীত বুৰ গৈ এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ ঘটনা ঘটি আহে। এই মৃত্যুক চলিত বৰ্ষৰ প্ৰথমটো বানজনিত মৃত্যু বুলি এএছডিএমএই নিশ্চিত কৰিছে। এই ঘটনাই বানপানীৰ ভয়াবহতাৰ প্ৰতি পুনৰবাৰ সচেতন কৰি তুলিছে। বুলেটিনটোত লগতে উল্লেখ কৰা হৈছে যে ব্ৰহ্মপুত্ৰ আৰু দিচাং নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ ফলত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত পথ-ঘাট আৰু অন্যান্য অত্যাৱশ্যকীয় আন্তঃগাঁথনিৰ যথেষ্ট ক্ষতিসাধন হৈছে। পানীৰ প্ৰচণ্ড সোঁত আৰু অতি বৃষ্টিৰ বাবে বহু অঞ্চলৰ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰিছে। বৰ্তমান পৰ্যন্ত ৪৫০ ❑ ৬ পৃষ্ঠাত

❑ অজাপ সভাপতি লুৰীণজ্যোতি গগৈৰ অভিযোগ ❑

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বিজেপিৰ নিৰ্বাচনী ললীপপ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ জুলাই ঃ** ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে আজি কৰা মন্তব্যক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বুধবাৰে স্পষ্টভাৱে কয় যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিচাৰাধীন হৈ আছে আৰু সংসদৰ আগন্তুক বৰ্ষাকালীন অধিৱেশনত এই সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা নহ'ব। লগতে তেওঁ এইটো এক দীঘলীয়া প্ৰক্ৰিয়া বুলিও মন্তব্য কৰে। এই মন্তব্যৰ পাছতে ক্ষোভ প্ৰকাশ কৰে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। তেওঁ কয় যে বিজেপি চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোক লৈ বাৰে বাৰে প্ৰতাৰণা কৰি আহিছে। গগৈয়ে ❑ ৬পৃষ্ঠাত

## ৰাজনৈতিক ধেমালি আৰু ব্যংগ সহ্য কৰিব জানিব লাগিব ৰাজনীতিবিদে ঃ দিল্লী উচ্চ ন্যায়ালয়

### সমালোচনা গ্ৰহণ কৰিব পাৰিব লাগে, প্ৰতিটো ব্যংগকে মানহানি বুলি গণ্য কৰিব নালাগে



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ জুলাই ঃ** ৰাজনীতিবিদসকলে ৰাজনৈতিক ধেমালি আৰু ব্যংগ সহ্য কৰিব জানিব লাগিব বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে দিল্লী উচ্চন্যায়ালয়ে। বিজেপি নেতা ৰাঘৱ চাড্ডাৰ এখন আবেদনৰ শুনানি কৰি আদালতে কয় যে নেতাসকল ইমান সংবেদনশীল হ'ব নালাগে যে তেওঁলোকে নিজৰ প্ৰতিটো সিদ্ধান্তৰ সমালোচনাতে অভিযোগ কৰিবলৈ আৰম্ভ কৰে, বৰঞ্চ সমালোচনাক বিনম্ৰতাৰে গ্ৰহণ কৰিবলৈ শিকিব লাগে। আদালতে উল্লেখ কৰে যে নেতাসকলৰ সিদ্ধান্তক ৰাইজ আৰু বিৰোধী দলে সমালোচনা কৰাটো ❑ ৬ পৃষ্ঠাত

## পুৰণিগুদামত শোকাৱহ পথ দুৰ্ঘটনাত থিতাতে নিহত দুজন যুৱক


### দুৰ্ঘটনাৰ পূৰ্বে সংঘটিত মৰেল পুলিচিঙৰ ঘটনা, চি.চি.টি.ভিত বন্দী ঘটনাৰ সমগ্ৰ দৃশ্য



**অসম বাৰ্তা, পুৰণিগুদাম, ১ জুলাই ঃ** এক শোকাৱহ পথ দুৰ্ঘটনাত দুজন যুৱকৰ অকাল মৃত্যুত শোকস্তব্ধ হৈ পৰিছে বৃহত্তৰ পুৰণিগুদাম অঞ্চল। নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম আৰক্ষী চকীৰ এলেকাধীন কেএলপট্টিৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত এজন আৰোহী থিতাতে নিহত হোৱাৰ লগতে আন এজন যুৱক চিকিৎসালয়লৈ নিয়াৰ পথত ❑ ৬ পৃষ্ঠাত

### ইনষ্টাগ্ৰামৰ প্ৰেমে অমানিশা নমাই আনিলে গহপুৰৰ ছাত্ৰীৰ জীৱনলৈ

## ভণ্ড প্ৰেমিকৰ এআই জৰিয়তে অশ্লীল ফটো নিৰ্মাণ কৰি ইনষ্টাগ্ৰামত আপলোড ঃ ছাত্ৰীৰ চৰম পন্থা



**অসম বাৰ্তা, গহপুৰ, ১ জুলাই ঃ** সামাজিক মাধ্যম ইনষ্টাগ্ৰামৰ জৰিয়তে চিনাকি হৈ গঢ়ি উঠা প্ৰেমে কাল ধুমুহা নমাই আনিলে গহপুৰৰ এগৰাকী ছাত্ৰীৰ জীৱনলৈ। ভণ্ড প্ৰেমিকে কৰা অশিষ্ট আচৰণৰ ফলত অৱশেষত বিহপান কৰি আত্মহত্যাৰ দৰে চৰম পন্থা বাছি ল'লে ছাত্ৰীগৰাকীয়ে। ইনষ্টাগ্ৰামৰ ❑ ৬পৃষ্ঠাত

### এনডিএৰ বিকল্প মিত্ৰজোঁটৰ সন্ধানত ইউপিপিএল ঃ প্ৰাক্তন মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম

## লোকসভা নিৰ্বাচনত এন.ডি.এ.ত নাথাকিব ইউপিপিএল



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুলাই ঃ** বিগত বিধানসভা নিৰ্বাচনত ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল দলে আশানুৰূপ ফলাফল লাভ কৰিব নোৱাৰাৰ পাছত বিটিআৰ এলেকাত দলটোৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ধাৰাবাহিকভাৱে কৰ্মীসভা অনুষ্ঠিত কৰি আহিছে। সেই উদ্দেশ্যৰে পৰ্বতঝোৰাৰ কাজিগাঁও সমূহীয়া ভৱনত ইউপিপিএল দলৰ পৰ্বতঝোৰা জিলা সমিতিৰ উদ্যোগত এক বৃহৎ কৰ্মী সভা অনুষ্ঠিত হয়, য'ত দলৰ বিভিন্ন পৰ্যায়ৰ কৰ্মী-সমৰ্থকসকলৰ উপস্থিতি লক্ষ্য কৰিবলগীয়া আছিল। এই গুৰুত্বপূৰ্ণ কৰ্মী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজ্য চৰকাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম। লগতে ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰীৰ উপৰি কেন্দ্ৰীয়, জিলা আৰু প্ৰাইমেৰী সমিতিৰ বহু বিষয়ববীয়া আৰু কৰ্মকৰ্তাই সভাত অংশগ্ৰহণ কৰে। দলৰ বিভিন্ন স্তৰৰ নেতৃত্বৰ এই মিলনমেলাই দলটোৰ ভিতৰত এক সুসংহত বাতাবৰণৰ সৃষ্টি কৰে। সভাত দলীয় সাংগঠনিক শক্তি বৃদ্ধি, তৃণমূল পৰ্যায়ত কৰ্মীসকলক অধিক সক্ৰিয় কৰি তোলা আৰু ❑ ৬ পৃষ্ঠাত

## ৰাজ্যসভা নিৰ্বাচনত বৰাকৰ কণাদ পুৰকায়স্থ হ'ব বিজেপিৰ প্ৰাৰ্থী

### প্ৰবীণ নেতা কবীন্দ্ৰ পুৰকায়স্থৰ পুত্ৰলৈ প্ৰাৰ্থিত্ব ঃ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ শুভেচ্ছা



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ জুলাই ঃ** বহুদিনৰ জল্পনা-কল্পনা আৰু তীব্ৰ কৌতূহলৰ অৱসান ঘটাই অসমৰ ৰাজ্যসভাৰ খালী হ'বলগীয়া এখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আগতেই ❑ ৬ পৃষ্ঠাত

## নতুন দিল্লীত জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি

### অৰ্থনৈতিক আৰু শক্তি সুৰক্ষা সহযোগিতাত গুৰুত্ব; অসম ভ্ৰমণৰ পৰিকল্পনা বাতিল



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ জুলাই ঃ** বুধবাৰে সন্ধিয়া তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয় জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি। প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ভাৰতলৈ তেওঁৰ এইটোৱেই প্ৰথম আনুষ্ঠানিক ভ্ৰমণ। নতুন দিল্লীৰ বিমানবন্দৰত তেওঁক আদৰণি জনায় কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী জীতেন্দ্ৰ সিঙে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণত ১ জুলাইৰ পৰা ৩ জুলাইলৈ অনুষ্ঠিত হোৱা এই ভ্ৰমণে জাপান আৰু ভাৰতৰ মাজৰ 'বিশেষ কৌশলগত বৈশ্বিক অংশীদাৰিত্ব'ক অধিক গভীৰ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি কূটনৈতিক মহলে অভিহিত কৰিছে। প্ৰধানমন্ত্ৰী ❑ ৫ পৃষ্ঠাত

## সীমান্ত সমস্যা সমাধানত আলোচনাই একমাত্ৰ পথ, আত্মঘাতী সিদ্ধান্ত নহ'ব ঃ অতুল বৰা

### উত্তেজনাপূৰ্ণ অসম-নাগালেণ্ড সীমান্ত পৰিদৰ্শন সীমান্ত উন্নয়ন মন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুলাই ঃ** বিগত কেইবাদিনো ধৰি অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত বিৰাজ কৰি থকা তীব্ৰ উত্তেজনাৰ মাজতে বুধবাৰে ঘটনাস্থলীত উপস্থিত হয় সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰা। যোৰহাটৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈৰ সাম্প্ৰতিক ভ্ৰমণৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰত্যক্ষ নিৰ্দেশনা মৰ্মে ❑ ৬ পৃষ্ঠাত

### দিখৌ নদীৰ বাঢ়নী পানীত জোনাইৰ একাধিক অঞ্চল বিপৰ্যস্ত

## বানপীড়িত জোনাইত কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু কিৰেণ ৰিজিজু



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ জুলাই ঃ** অসমৰ বানপীড়িত অঞ্চলসমূহৰ প্ৰকৃত পৰিস্থিতি প্ৰত্যক্ষভাৱে বুজিবলৈ বুধবাৰে ধেমাজি জিলাৰ জোনাই অঞ্চলত উপস্থিত হয় কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু। দিখৌ নদীৰ বাঢ়নী পানীৰ ফলত অধিক ক্ষতিগ্ৰস্ত হোৱা অৰুণ চাপৰি, মধুপুৰ, লোহিত পুৰীয়া, চিকেৰ আৰু চেলেক অঞ্চল পৰিদৰ্শন কৰি দুয়োগৰাকী ❑ ৬ পৃষ্ঠাত

■ বিমান টাৰ্বাইন ইন্ধনো প্ৰতি লিটাৰত ৫ টকাকৈ হ্ৰাস ■

## ১৮৩.৫০ টকা হ্ৰাস বাণিজ্যিক ৰন্ধন গেছৰ মূল্য

**নিউজ ডেস্ক, অসম বাৰ্তা, ১ জুলাই ঃ** জুলাই মাহৰ প্ৰথম দিনটোতে গ্ৰাহকসকলৰ বাবে এক সুখবৰ কঢ়িয়াই আনিলে তেল কোম্পানীসমূহে। বিগত সময়ছোৱাত একাধিকবাৰ মূল্য বৃদ্ধি কৰাৰ পাছত বুধবাৰে ১৯ কিলোগ্ৰাম ওজনৰ বাণিজ্যিক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ১৮৩.৫০ টকা হ্ৰাস কৰা হয়। এই সিদ্ধান্ত আজিৰ পৰাই কাৰ্যকৰী হৈছে। একে সময়তে ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰৰ মূল্যও ১৩ টকাকৈ হ্ৰাস কৰা হৈছে। উল্লেখযোগ্য যে যোৱা জুন মাহত ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ❑ ৬ পৃষ্ঠাত

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন বিধানসভাত আলোচনাৰ দাবী টাইপাৰ

### অন্যথা স্বাধীনতা দিৱসত ক'লা পতাকা প্ৰদৰ্শনৰ প্ৰতিবাদী কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুলাই ঃ** টাই-আহোমকে ধৰি ছয়টি জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদনখন অহা ৬ জুলাইত আৰম্ভ হ'বলগীয়া ষোড়শ অসম বিধানসভাৰ অধিৱেশনৰ প্ৰথম দিনাই আলোচনা কৰি শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে টাই আহোম যুৱ পৰিষদে। এই দাবী ৰক্ষা নহ'লে অনাগত স্বাধীনতা দিৱসত ক'লা পতাকা প্ৰদৰ্শন কৰি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি টাইপা সভাপতি দিগন্ত তামুলীয়ে স্পষ্টভাৱে সকীয়নি দিছে। বুধবাৰে ❑ ৬ পৃষ্ঠাত

## স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ নিৰ্মীয়মান শিৱসাগৰ চিকিৎসা মহাবিদ্যালয় আৰু শিৱসাগৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন

### স্বাস্থ্য বিভাগৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১ জুলাই ঃ** অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি নিৰ্মীয়মান শিৱসাগৰ চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰি চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লৈ এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। তাৰ পাছত তেওঁ শিৱসাগৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন ❑ ৬ পৃষ্ঠাত

### শিক্ষামন্ত্ৰীৰ মন্তব্যক দোষ নিদিও, দুযোৰ ইউনিফৰ্ম ৬০০ টকাত পোৱা সম্ভৱ জানো ?

## ছাত্ৰ-ছাত্ৰীৰ ভোটাধিকাৰ নাই বাবেই ৬০০ টকীয়া পলিষ্টাৰ ইউনিফৰ্ম পিন্ধাবলৈ বাধ্য ঃ উৎপল শৰ্মা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুলাই ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত নলবাৰীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এক বিশেষ অভিনন্দন অনুষ্ঠান। জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত কৃতিমান ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ অধ্যৱসায়ক সন্মান জনোৱা হয়। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ সচিব ড° ৰঞ্জন কুমাৰ কাকতিয়ে। তেওঁ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পৰিয়াল আৰু সমাজৰ প্ৰতি দায়িত্বশীল হ'ব লাগে, কাৰণ ব্যক্তিগত সফলতা সমাজৰ বাবে ❑ ৬ পৃষ্ঠাত



## গড়কাপ্তানী বিভাগক স্মাৰকপত্ৰ প্ৰদান নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, নকছাৰি, ৩০ জুন ঃ** মৰিয়নি সমজিলাৰ অন্তৰ্গত নকছাৰি অঞ্চলৰ এটি অতি গুৰুত্বপূৰ্ণ পথ টীয়ক বলমা নকছাৰি পথটি ৰাইজৰ যাতায়তৰ সুবিধাৰ্থে অতি শীঘ্ৰে মেৰামতিৰ দাবীৰে আজি গড়কাপ্তানী বিভাগক নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা এক স্মাৰক পত্ৰ প্ৰদান কৰে। নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য্য গগৈ আৰু সাধাৰণ সম্পাদক তুৰাজ গগৈ স্বাক্ষৰসম্বলিত এক স্মাৰক পত্ৰ গড়কাপ্তানী বিভাগৰ মৰিয়নি উপ সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তালৈ প্ৰেৰণ কৰে। তেওঁলোকে কয় যে নকছাৰি অঞ্চলৰ অতি গুৰুত্বপূৰ্ণ তথা ব্যস্ততাপূৰ্ণ পথৰ এনে বিধ্বস্ত অৱস্থা অতি দুভাৰ্গ্যজনক। মেৰামতি অতি নিম্নমানদণ্ডৰ বাবে ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে। ছাত্ৰ-ছাত্ৰীৰ পৰা ৰাইজলৈকে এই বাৰিষাৰ সময়ত জীয়াতু তথা দুভোগ ভূগীবলগীয়া হৈছে। নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাই স্পষ্ট ভাৱে দাবী জনাই যে অতি শীঘ্ৰে এই পথটি নিয়াৰিকৈ মেৰামতিৰ ব্যৱস্থা কৰিব লাগিব। মেৰামতিৰ নামত যোৱা তাপলি মাৰিলে নহ'ব বুলি সকীয়াই দিয়ে। অন্যথা তীব্ৰ কঠোৰ গণতান্ত্ৰিক কাৰ্য্যসূচী গ্ৰহণ কৰিব বুলি মত ব্যক্ত কৰে।

**মেছাগড়-হাঁহচৰা সংযোগ কৰি দিখৌ নদীত দলং, অত্যাধুনিক ষ্টেডিয়াম, আৰু গেলেকীত স্থাপন হ'ব অভিযন্ত্ৰিক মহাবিদ্যালয়**

# মেছাগড় জোকতলি উঃ মাঃ বিদ্যালয়ৰ সংহত বিজ্ঞানাগাৰ উদ্বোধনী অনুষ্ঠানত বিধায়ক ময়ূৰ বৰগোহাঞি

**অসম বাৰ্তা, নামতি, ৩০ জুন ঃ** নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত মেছাগড়স্থিত জোকতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰায় ১৮ লাখ টকাৰে নিৰ্মাণ সম্পূৰ্ণ কৰা বিজ্ঞান আৰু গণিতৰ সংহত বিজ্ঞানাগাৰটি আজি আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে নাজিৰা নৱ-নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঞিএয়ে। আজি বিধায়কজনৰ নিজ জম্মস্থানত অৱস্থিত বিদ্যালয়খনত পুৱা উপস্থিত হৈ বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা স্থানীয় বহু সংখ্যক ৰাইজৰ উপস্থিতিত এক আৰম্বড়পূৰ্ণ পৰিবেশৰ মাজত বিজ্ঞানাগাৰটোৰ উদ্বোধন কৰে। আনহাতে এই কাৰ্য্যসূচীৰ পাছতেই বিধায়কজনে বিদ্যালয়খনত ৪.৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা ভৱনৰো নিৰ্মাণ কাৰ্য্যৰ শুভাৰম্ভ কৰে। এই উদ্বোধনী অনুষ্ঠান উপলক্ষত বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিবেশন কৰা সমদল গীতেৰে শুভাৰম্ভ হোৱা মুকলি সভাত বিধায়কজনে নাজিৰা বিধান সভা সমষ্টিত শৈক্ষিক ক্ষেত্ৰৰ উপৰিও আৰ্থ-সামাজিক, ক্ৰীড়া আদিৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ সম্পৰ্কে সদৰী কৰি কয় যে সমষ্টিটোৰ অধীনস্থ গেলেকীত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰা হ'ব আৰু ইয়াৰ বাবে আৱশ্যকীয় ভূমি আৰু আনুষংগিক কামকাজ আগুৱাই নিয়া হৈছে। মেছাগড় আৰু হাঁহচৰাক সংযোগ ঘটাই ঐতিহাসিক বাঁহগড় তথা দিখৌ নদীত ওপৰত এখন দলঙৰ কাম অচিৰেই আৰম্ভ হ'ব। তদুপৰি কাষৰীয়া মঠিয়াছিগাত বহুমুখী সুবিধাযুক্ত এখন আধুনিক মানৰ ষ্টেডিয়াম গঢ়ি তোলাৰ বাবেও যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন বুঢ়াগোহাঁয়ে আদৰণি ভাষণত বিদ্যালয়খনৰ আন্তঃগাঁঠনি উন্নয়নত বিধায়কজনে পুৰ্বৰে পৰা যি পদক্ষেপ গ্ৰহণ কৰি আহিছে তাৰ বাবে শলাগ লয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক দিগন্ত বৰগোহাঞিএয়ে আঁতধৰা এই অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী -শিক্ষাৰ্থী সমাজে মেছাগড়ৰ সু-সন্তান তথা নৱনিৰ্বাচিত বিধায়কজনক ফুলাম গামোচা, সৰুদৈয়া জাপি, ফুলৰতোৰা, স্মাৰক আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানত স্থানীয় কেইবাটাও অনুষ্ঠানৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি জ্যোতিপ্ৰভা দত্ত, স্থানীয় গাওঁ পঞ্চায়তৰ সভাপতি গৌতম সন্দিকৈ, মণ্ডল সমন্বয়ক মীনাক্ষী চেতিয়া, সমাজকৰ্মী লক্ষ্মীনাথ সন্দিকৈ, নাজিৰা আঞ্চলিক পঞ্চায়ত সদস্য দিলিপ বৰগোহাঞিকে প্ৰমুখ্য কৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## গোলকগঞ্জ পৌৰসভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ

**অসম বাৰ্তা, গোলকগঞ্জ, ৩০ জুন ঃ** গোলকগঞ্জৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে মঙলবাৰে গোলকগঞ্জ পৌৰসভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ কৰে। গোলকগঞ্জ সম জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত গোলকগঞ্জ সম জিলাৰ সহকাৰী আয়ুক্ত মানস বৰদলৈয়ে তেওঁক পদেন সদস্য হিচাপে শপত বাক্য পাঠ কৰায়। শপত গ্ৰহণ অনুষ্ঠানত গোলকগঞ্জ পৌৰসভাৰ সভানেত্ৰী সাবিত্ৰী ৰায়, পৌৰসভাৰ আটাইকেইজন নিৰ্বাচিত সদস্য, বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। শপত গ্ৰহণৰ পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে কয় যে, গোলকগঞ্জ পৌৰসভাৰ সামগ্ৰিক উন্নয়ন, নাগৰিক সুবিধাৰ সম্প্ৰসাৰণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, বিশুদ্ধ পানীয় জল যোগান, নলা-নৰ্দমা ব্যৱস্থাৰ উন্নয়ন, পথ-ঘাটৰ সংস্কাৰ আৰু নগৰাঞ্চলৰ আধুনিকীকৰণক অগ্ৰাধিকাৰ দি কাম আগবঢ়োৱা হ'ব। তেওঁ কয় যে, পৌৰসভাক অধিক সু-সংগঠিত, স্বচ্ছ, জনমুখী আৰু উন্নত প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে জনপ্ৰতিনিধি আৰু প্ৰশাসনৰ সৈতে সমন্বয় সাধন কৰি কাম কৰা হ'ব। লগতে ৰাজ্য চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি ফলপ্ৰসূভাৱে ৰূপায়ণ কৰি নাগৰিকসকলক উন্নত সেৱা আগবঢ়োৱাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, জনসাধাৰণৰ আস্থা অটুট ৰাখি সকলো পক্ষৰ সহযোগিতাৰে গোলকগঞ্জ পৌৰসভাক ৰাজ্যৰ এখন আদৰ্শ পৌৰসভা হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মন্তব্য প্ৰকাশ কৰে।

## কলিয়াবৰৰ হাতীমূৰা মথাউৰিলৈ পুনৰ ভাবুকি কঢ়িয়াই আনিছে ভূমাফিয়াৰ এটা বৃহৎ চক্ৰই

**ভূ-মাফিয়া লেকাই ওৰফে জিতনৰ নেতৃত্বত হাতীমূৰা মথাউৰিৰ শ্লুইচ গেটৰ সন্মুখত চলিছে মাটি খনন**

সমজিলা আয়ুক্ত ৰাজ বৰুৱাৰ ভূমিকাক লৈ ক্ষুণ্ণ কলিয়াবৰবাসী

**অসম বাৰ্তা, কলিয়াবৰ, ৩০ জুন ঃ** ২০১৭ আৰু ২০২৪ চনত হাতীমূৰা মথাউৰি ভাঙি ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে সৃষ্টি কৰা প্ৰলয়ংকাৰী বান বিভীষিকাৰ কৰুণ দৃশ্য আজিও ভাঁহি আছে কলিয়াবৰবাসী ৰাইজৰ চকুত। ইয়াৰ মাজতে ৰজাঘৰীয়াৰ আশীৰ্বাদপুষ্ট ভূ-মাফিয়াৰ এটা চক্ৰই হাতীমূৰা মথাউৰিৰ সন্মুখত JCBৰ জৰিয়তে প্ৰকাণ্ড প্ৰকাণ্ড গাঁত খান্দি মাটি কাটি বিক্ৰী কৰাত লাগিছে। লেকাই ওৰফে জনৈক জিতেনৰ নেতৃত্বত হাতীমূৰা মথাউৰিৰ শ্লুইচ গেটৰ সন্মুখৰ কলংমুখত ভূ-মাফিয়াৰ মাটি খনন কাৰ্য্যত চকু মুদা কুলিৰ ভাও ধৰিছে সংশ্লিষ্ট কৰ্তৃপক্ষই। মাটি খননৰ সমীপতে জলসম্পদ বিভাগৰ আছে এটি নিৰীক্ষণ টাৱাৰ। নাতি দূৰৈত আছে বন বিভাগৰ কাৰ্যালয়ৰ লগতে জখলাবন্ধা আৰক্ষী থানা। ইয়াৰ পিচতো বিনা দ্বিধাই হাতীমূৰাৰ কলংমুখত ভূ-মাফিয়াই চলায় গৈছে এনে কাৰ্য। হাতীমূৰা মথাউৰিৰ শ্লুইচ গেট সংযোগী নলাটো ইতিমধ্যে ব্ৰহ্মপুত্ৰ নদীৰ মূল সুঁতিৰ সৈতে সংযোগ হৈ পৰিছে। মথাউৰিৰ তলেদি ব্ৰহ্মপুত্ৰৰ পানী কলং মুখেৰে নিগৰি নিগৰি বৈ আছে। ইয়াৰ মাজতে ভূ-মাফিয়া লেকাই নেতৃত্বত মাটি খনন অব্যাহত থকাত শংকিত হৈ পৰিছে হাতীমূৰা মথাউৰিৰ কাষৰীয়া বাসিন্দা। বানপানীৰ সময়ত BNSS ১৬৩ ধাৰা জাৰি কৰি দায়িত্ব সামৰা কলিয়াবৰ সমজিলা প্ৰশাসনক সাংবাদিকৰ এটি দলে কলংমুখত ভূ-মাফিয়াই মাটি খনন কৰা বিষয়টো অৱগত কৰাৰ পিছতো নীৰৱ ভূমিকা পালন কৰিছে প্ৰশাসনে। কলিয়াবৰ সমজিলাৰ সমজিলা আয়ুক্ত গৰাকীৰ ভূমিকাও ৰহস্যজনক।

## অৰুণাচলৰ খুনচাত এন এছ চি এন -কেৰ দুই কেডাৰৰ আত্মসমৰ্পণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩০ জুন ঃ** অৰুণাচল প্ৰদেশৰ টিৰাপ, লংডিং আৰু চাংলাং জিলাত ঐতিহাসিকভাৱে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলত চলি থকা কেইবাটাও নগা উগ্ৰপন্থী সংগঠনৰ সৈতে জড়িত বিদ্ৰোহী কাৰ্যকলাপৰ সাক্ষী হৈ আহিছে। জিলাকেইখনত বিদ্ৰোহী গোটৰ বিৰুদ্ধে ভাৰতীয় সেনা-নিৰাপত্তাৰক্ষী বাহিনীৰ অভিযান অব্যাহত থকাৰ সময়তে দেওবাৰে টিৰাপ জিলাৰ খুনচাৰ খেটি অঞ্চলত চলা এক চোৰাংচোৱা ভিত্তিক অভিযানত অসম ৰাইফলছৰ খুনচা বেটেলিয়ন আৰু টিৰাপ আৰক্ষীৰ সন্মুখত এন এছ চি এন-কে (নিক্কি চুমি) ফৈদৰ দুই সদস্যই আত্মসমৰ্পণ কৰে। অঞ্চলটোত বিদ্ৰোহী কেডাৰৰ উপস্থিতিৰ সন্দৰ্ভত চোৰাংচোৱাৰ নিৰ্দিষ্ট তথ্যৰ ভিত্তিত টিৰাপ আৰক্ষীৰ সৈতে অসম ৰাইফলছৰ খুনচা বেটেলিয়নে এই অভিযান চলায়। অভিযানৰ সময়ত বিদ্ৰোহী সদস্যদ্বয়ে অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা কেডাৰ দুজন হৈছে নাগালেণ্ডৰ মন জিলাৰ ফমচিঙৰ বাসিন্দা স্বয়ম্ভু লেফটেনেণ্ট এছ এছ লংমো কনিয়াক (৩২) আৰু আনজন লংডিং জিলাৰ চানু গাঁৱৰ বাসিন্দা চাৰ্জেণ্ট মেজৰ নাইকাই ৱাংছু (২৩)। আত্মসমৰ্পণৰ সময়ত সদস্যদুজনৰ পৰা নিৰাপত্তাৰক্ষীয়ে এটা ৭.৬৫ এম এম পিষ্টল আৰু আমেৰিকাত নিৰ্মিত আন এটা পিষ্টলকে ধৰি দুটা মেগজিন, আঠটা সজীৱ গুলী, চিম কাৰ্ডযুক্ত দুটা মোবাইল ফোন আৰু এখন আধাৰ কাৰ্ড উদ্ধাৰ কৰে। অধিক তদন্ত আৰু আইনী প্ৰক্ৰিয়াৰ বাবে দুই সদস্যক পিছত স্থানীয় খুনচা আৰক্ষীক গতাই দিয়া হয়।

## জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত গ্ৰীষ্মকালীন শৈক্ষিক শিবিৰৰ আয়োজন

**অসম বাৰ্তা, জাঁজী, ৩০ জুন ঃ** অহা ২ আৰু ৩ জুলাইত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সতীৰ্থ '৮৬ৰ দ্বাৰা দুদিনীয়া কাৰ্যসূচীৰে এক বিনামূলীয়া শৈক্ষিক কৰ্মশালা শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত আয়োজন কৰা হৈছে। এই প্ৰেৰণা মূলক কৰ্মশালাত স্থানীয় উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহৰ নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ মুঠ ৩০০ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পদাৰ্থ বিজ্ঞানৰ লগতে ইংৰাজী, ৰসায়ন বিজ্ঞান আৰু অংকশাস্ত্ৰ বিষয় বিলাক জনপ্ৰিয় কৰাৰ মানসেৰে ড° ৰাজীৱ বৰদলৈ, অধ্যাপক উত্তম দুৱৰা, ড°মনোজ হাজৰীকা আৰু অধ্যাপক ফিৰোজা বেগমক সমল ব্যক্তি হিচাপে লৈ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ(ISRO) মহাকাশ বিজ্ঞান সম্পৰ্কীয় শিক্ষামুলক কাৰ্যসূচী সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ অংশ গ্ৰহণৰ সহজ উপায় সম্পৰ্কে শিক্ষাদান ব্যৱস্থা কৰা হৈছে। উক্ত দুয়োদিনৰ কাৰ্যসূচীত সকলো উপস্থিতি থাকি সতীৰ্থ '৮৬ প্ৰথম কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবৰ বাবে সভাপতি হেৰম্ব বাইলুং আৰু সাধাৰণ সম্পাদক বুবুল চাং কাকতিয়ে আহ্বান জনাইছে। সবিশেষ জানিবলৈ বুবুল চাং কাকতি সাধাৰণ সম্পাদক সতীৰ্থ '৮৬ ডিব্ৰুগড় বিশ্ববিদ্যালয়। ৯৪৩৫০১৮৭৯৪ bckakoty@gmail.com যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তাই সংবাদ মাধ্যমক জানিবলৈ দিছে।

## যোগীঘোপা চটপাৰা পুখুৰী সদৃশ গড়কাপ্তানী পথ

**অসম বাৰ্তা, যোগীঘোপা, ৩০ জুন ঃ** যোগীঘোপা চটপাৰা গড়কপ্তানী পথটো জহি-খহি গৈছে। চটপাৰা বজাৰৰ মাজ মজিয়াত পুখুৰী সদৃশ পৰিৱেশ। প্ৰকাণ্ড প্ৰকাণ্ড গাঁত। কাণ সাৰ নাইজন প্ৰতিনিধিৰ। নিৰ্বাচন আহে আৰু যায়। দৃষ্টি গোচৰ নহয় প্ৰতিনিধিৰ। নিদ্ৰামগ্ন যেনজন প্ৰতিনিধি। চটপাৰাৰ পৰা কৰেয়া সংযোগী যাতায়াতৰ একমাত্ৰ পথ এইখন। গড়কাপ্তানী পথটো ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চটপাৰা বজাৰৰ মাজেদি বৈ ভায়া কৰেয়া হৈ অশোক পেপাৰমিল অৰ্থাৎ লজিষ্টিক পাৰ্ক লৈ গৈছে। । পথটো বহু দিনৰ পৰা জলা কলা খুৱাইছে ৰাইজক। পথটোৰ গাতে লাগি আছে এখন বিদ্যালয়। যমৰ-যাতনাত ভুগিছে চটপাৰা এমভি স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ লগতে পথচাৰি সকলে। কি ব্যৱস্থা গ্ৰহণ কৰিব বিভাগৰ কৰ্তৃপক্ষই সেয়া হ'ব লক্ষণীয়।

## দেওমৰনৈ শিয়ালা বৈষ্ণৱ সত্ৰৰ মণিকূটৰ পকী নিৰ্মাণৰ শুভাৰম্ভ

**অসম বাৰ্তা, দেওমৰনৈ, ৩০ জুন ঃ** দৰং জিলাৰ ঐতিহাসিক দেওমৰনৈ শিয়ালা বৈষ্ণৱ সত্ৰত দেওবাৰে সম্পূৰ্ণ মাংগলিক ৰীতি-নীতিৰ মাজেৰে মণিকূটৰ ছাদ ঢালাইৰ শুভাৰম্ভ কৰা হয়। শ্ৰীশ্ৰী শিয়ালা বৈষ্ণৱ সত্ৰৰ মণিকূটৰ ছাদ ঢালাইৰ শুভাৰম্ভ কৰে সত্ৰাধিকাৰ ভুবন চন্দ্ৰ দেৱগোস্বামীয়ে। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱাৰে পৰা প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণৰ লগতে গছপুলি ৰোপণ কৰে দেওমৰনৈ শ্ৰীশ্ৰী শিয়ালা বৈষ্ণৱ সত্ৰৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি চন্দ্ৰকান্ত কুমাৰে। অনুষ্ঠিত হয় ভাগৱত পাঠ। আনহাতে মণিকূটৰ ছাদ ঢালাইৰ শুভাৰম্ভণিৰ লগত সংগতি ৰাখি এখন ধৰ্মালোচনা সভাও অনুষ্ঠিত হয়। মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক মুকুট কুমাৰে আঁত ধৰে আৰু বিশিষ্ট যুব সমাজকৰ্মী মৃত্যুঞ্জয় ডেকাই সঞ্চালনা কৰা ধৰ্মালোচনা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী।

## তিনিচুকীয়া বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থাৰ কাৰ্যালয় গৃহ উদ্বোধন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ জুন ঃ** তিনিচুকীয়া বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থাৰ নামত আবণ্টিত মাটিত নিৰ্মাণ কৰি উলিওৱা কাৰ্যালয় ভৱনটি ৩০ জুন তাৰিখে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধন কৰে সংস্থাৰ সভাপতি তথা প্ৰাক্তন প্ৰশাসনিক বিষয়া যোগেশ বৰুৱাই। ইয়াৰ পাছতে অনুষ্ঠিত সভাত ভৱনটি নিৰ্মাণৰ সন্দৰ্ভত সম্পাদক অমূল্য খাটনিয়াৰে কয় যে এই কাৰ্যালয় ভৱনটি কোনো চৰকাৰী অনুদান নোলোৱাকৈ একমাত্ৰ সংস্থাৰ সদস্যসকলৰ দান বৰঙনিৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। তেখেতে লগতে কয় দ্বিতীয় পৰ্যায়ত সভা ঘৰ সহ মূল ভৱনৰ নিৰ্মাণ কাৰ্যও অতি শীঘ্ৰে আৰম্ভ কৰা হ'ব। সভাত সংস্থাৰ উপদেষ্টা ডিম্বেশ্বৰ কোঁৱৰ, মোহন বুঢ়াগোহাঁই, থানেশ্বৰ দাস, অতুল শৰ্মা, মৃদুল শৰ্মা, বিভা ভট্টাচাৰ্য, অৰুণা চাংকাকতি, পূৰ্ণ কাকতি, ভদ্ৰেশ্বৰ বৰুৱা, প্ৰণতি শৰ্মা নিভা বৰুৱা চন্দ্ৰকান্ত দত্তৰ উপৰি জিলা সম্পাদক অচ্যুত পূজাৰীয়েও বক্তব্য দাঙি ধৰে। সভাপতি যোগেশ বৰুৱাই সংস্থাৰ এটা স্থায়ী ঠিকনা হোৱাত আনন্দ প্ৰকাশ কৰাৰ লগতে সংস্থাই জনসাধাৰণৰ কামত অহা কিছু কাৰ্যসূচী হাতত লোৱাৰ ওপৰতো গুৰুত্ব। দিয়ে। সভাৰ পাছতে কাৰ্যালয় চৌহদত গছপুলি ৰোপণ কৰা হয়।

## তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত উপস্থিত স্বাস্থ্যমন্ত্ৰী অশোক সিংঘল

**অসম বাৰ্তা, মাকুম, ৩০ জুন ঃ** আজি ৰাজ্যৰ স্বাস্থ্য, পৰিয়াল কল্যাণ আৰু চিকিৎসা শিক্ষা তথা গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংঘলে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হয়। মন্ত্ৰী গৰাকী উপস্থিত হোৱাৰ লগে লগে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ড° মুকুল শৰ্মা, উপ -অধীক্ষক ড° জয়ন্ত কুমাৰ দাস আৰু অধ্যক্ষ ডঃ ৰূপক কুমাৰ গগৈয়ে উষ্ম আদৰণি জনায়। চিকিৎসালয়খনৰ বিভিন্ন বিভাগ পৰিদৰ্শন কৰি চিকিৎসা সেৱা, আন্তঃগাঁথনি, ৰোগীসকলক প্ৰদান কৰা সুবিধা আৰু চলি থকা উন্নয়নমূলক কাম-কাজৰ বুজ লৈ চিকিৎসকৰ অভাৱ দূৰ কৰাৰ লগতে স্বাস্থ্যসেৱাৰ গুণগত মান অধিক উন্নত কৰাৰ বিষয়ত সংশ্লিষ্ট বিষয়াবৰ্গৰ সৈতে অনুষ্ঠিত এক পৰ্যালোচনা সভাত চিকিৎসক, স্বাস্থ্য বিষয়া আৰু প্ৰশাসনিক বিষয়াবৰ্গৰ সৈতে মত-বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক উন্নত, সময়োপযোগী আৰু গুণগত স্বাস্থ্যসেৱা আগবঢ়াবলৈ প্ৰয়োজনীয় দিশ-নিৰ্দেশনা প্ৰদান কৰে। লগতে চিকিৎসা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি আৰু চিকিৎসা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তাৰ পাছতে নতুন ৰক্ত কেন্দ্ৰৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। উক্ত ক্ষণত স্বাস্থ্য মন্ত্ৰীক সংগ দিয়ে তিনিচুকীয়া সমষ্টিৰ বিধায়ক পুলক গোহাঁই, মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেন ফুকন, শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়া আৰু মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মাই।

**কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনাৰ লগতে বিধায়ক ঋষিৰাজ হাজৰিকাক উষ্ম আদৰণি**

## পদ্মপুৰ যুৱক সংঘৰ উদ্যোগত ব্যতিক্ৰমী পদক্ষেপ

**অসম বাৰ্তা, বান্দৰদেৱা, ৩০ জুন ঃ** লখিমপুৰ জিলাৰ পদ্মপুৰ যুৱক সংঘ আৰু পদ্মপুৰ ৰাইজৰ সহযোগত চলিত বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে সম্বৰ্ধনা জনোৱা হয়। পদ্মপুৰ খেলপথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত প্ৰায় ৮০জন কৃতী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, গ্ৰন্থ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে পদ্মপুৰৰ বিশিষ্ট সমাজসেৱক মজিবুৰ ৰহমানে। সভাৰ আঁত ধৰে পদ্মপুৰ যুৱক সংঘৰ সম্পাদক কাছিম আলীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে টুনিজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰীনা শইকীয়া। শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত ল'বলগীয়া গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে সুন্দৰভাৱে বক্তব্য প্ৰদান কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰঙানদী সমষ্টিৰ বিধায়ক ঋষিৰাজ হাজৰিকা। বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত পোনপ্ৰথমবাৰৰ বাবে পদ্মপুৰত উপস্থিত হোৱা বিধায়কগৰাকীক যুৱক সংঘৰ ফালৰ পৰা এখনি সম্বৰ্ধনা পত্ৰ, এখনি চেলেং আৰু এটি জাপিৰে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, উত্তৰ লালুক জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক মজিবুৰ ইছলাম, আমন্ত্ৰিত অতিথি বকুল বৰা আৰু লখিমপুৰৰ অধিবক্তা ৰেকিবুৰ ইছলামেও সভাত ভাষণ প্ৰদান কৰে। পদ্মপুৰ যুৱক সংঘই জনোৱা মতে, অনাগত দিনত উঠি অহা নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত অধিক উৎসাহিত কৰাই সংঘৰ একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য। সেয়েহে প্ৰতি বছৰৰ দৰে এইবছৰো এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, অন্য ঠাইত সাধাৰণতে কেৱল প্ৰথম বিভাগ, ষ্টাৰ মাৰ্ক বা ডিষ্টিংচন পোৱা সকলকহে সম্বৰ্ধনা জনোৱা হয়। কিন্তু পদ্মপুৰ যুৱক সংঘই বিগত ৭ বছৰ ধৰি তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱালৈকে সকলো ছাত্ৰ-ছাত্ৰীকে কোনো ভেদাভেদ নকৰাকৈ একেলগে সম্বৰ্ধনা জনাই আহিছে। সংঘৰ এই ব্যতিক্ৰমী কাৰ্যসূচীক অঞ্চলটোৰ ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## শিৱসাগৰ জিলাৰ সাহিত্য সভাৰ উপসমিতিৰ উদ্যোগত অসম ভিত্তিত অন লাইন গল্প প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, জাঁজী, ৩০ জুন ঃ** নবীন লেখক লেখিকা সকলক উৎসাহিত কৰাৰ উদ্দেশ্যেৰে শিৱসাগৰ জিলা সাহিত্য সভাৰ লেখক লেখিকা উপশমিতিৰ উদ্যোগত সদৌ অসম ভিত্তিত ৩৫ বছৰৰ অনুৰ্ধৰ লেখক লেখিকা সকলৰ মাজত এখনি অন লাইন গল্প প্ৰতিযোগিতা ৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগী সকলে তেখেত সকলৰ গল্প সমূহ ৰামধেনু ফণ্ট ত ডিটিপি কৰি ইমেইল নাইবা ডাক যোগে নিম্নোক্ত ঠিকনাত অহা ৩০জুলাইৰ আগতে পোৱাকৈ পঠাব লাগিব। গল্প পঠোৱা সকলে যোগদানৰ মাছুল গুগুল পে কৰি স্ক্ৰিন শ্চট নিম্নোক্ত নম্বৰ ত পথালেহে গল্পৰ প্ৰাপ্তি স্বীকাৰ কৰা হব। অন্যথা গল্প প্ৰতিযোগিতা ৰ বাবে গ্ৰহণ যোগ্য বুলি বিবেচনা কৰা নহব। আনহাতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিবেচিত লেখক লেখিকা সকলক শিৱসাগৰ জিলা সাহিত্য সভাৰ পূৰ্ণ কালীন অধিবেশনত নগদ ধনেৰে পুৰস্কৃত কৰাৰ উপৰিও মানদণ্ড সম্পন্ন গল্প সমূহ আয়োজক সমিতিৰ তৰফে প্ৰকাশ কৰিব লগা গল্প সংকলনত স্থান দিয়া হব। যোগদানৰ মাছুল ২০০ টকা। অধিক তথ্য জানিবলৈ যোগাযোগৰ ঠিকনা বীণা বৰুৱা, জাঁজী; mail-Baruah.bina@gmail.com, ফোন নং ৭৩৯৯৭৮৪৬০৪ আৰু কৃষ্ণা শইকীয়া, শিমলুগুৰি। mail krishna.saikia2222@gmail.com, ফোন নম্বৰ ৯১০১২৬২৫৮১ ত যোগাযোগ কৰিব পাৰিব।

## নগাঁও জিলাৰ ঘাঁহী মণ্ডল সমল কেন্দ্ৰৰ বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত

**অসম বাৰ্তা, ৰহা, ১ জুলাই ঃ** আজি ঘাঁহী মহমৰীয়া আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ত ঘাঁহী মণ্ডল সমল কেন্দ্ৰৰ বিদায় লগতে নৱাগত সকলৰ সম্বৰ্দ্ধনা অনুষ্ঠানটি অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত প্ৰথমে বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন খণ্ড সমল ব্যক্তি কপিলী শিক্ষা খণ্ড বিজয়ানন্দ লস্কৰে। ইয়াৰ পিছতে ঘাঁহী মহমৰীয়া আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ধ্ৰুৱজ্যোতি বৰঠাকুৰ সভাপতিত্ব এখন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ঘাঁহী বেবেজীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিজয়া ৰাজখোৱা। অনুষ্ঠানটি আঁত ধৰে ঘাঁহী মহমৰীয়া আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দীপ বেজবড়া। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিছাপে সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উপসভাপতি সঞ্জয় কুমাৰ কাকতি, ঘাঁহী পঞ্চায়তৰ সভানেত্ৰী মমতা দাস, সদৰ ব্লকৰ খণ্ড সমল ব্যক্তি পূৰবী দত্ত, জাগীয়াল বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পূৰ্ণকান্ত নাথ, সাংবাদিক নৱজ্যোতি ভূঞা। এই অনুষ্ঠানত তিনিগৰাকী শিক্ষক ক্ৰমে বিজয়ানন্দ লস্কৰ, নৱ কুমাৰ হীৰা, আৰু ধৰ্মকান্ত বৰাক ফুলাম গামোচা, চেলেং, জাপি, শৰাই ছাতি আৰু সম্বৰ্দ্ধনা পত্ৰৰে বিদায় সম্বৰ্দ্ধনা জনোৱা লগতে সাতগৰাকী নৱনিযুক্ত শিক্ষকক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। সম্বৰ্দ্ধনা অনুষ্ঠান টিৰ আত ধৰে ঘাঁহী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক শ্যামন্ত বৰাই। ইয়াৰ পিছতে বিদায় প্ৰদান কৰা শিক্ষক সকল আৰু সমজুৱা সকলৰ দুৱাষাৰ বক্তব্য প্ৰদানৰ পিছত সভাপতিৰ মন্তব্য সভা ভংগ হয়। নগাঁও জিলা ঘাঁহী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক শ্যমন্ত বৰাৰ তত্বাৱধানত অনুষ্ঠিত বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান ত মুঠ ১৩খন বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকলে অংশগ্ৰহণ কৰে।

## বিশ্বনাথত বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে সজাগতা ও সম্বৰ্ধনা সভা সম্পন্ন

**অসম বাৰ্তা, জিনজিয়া, ১ জুলাই ঃ** বিশ্বনাথত বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে আজি এখনি সজাগতা ও সম্বৰ্ধনা সভা সম্পন্ন হয়। ৰক্ত কেন্দ্ৰ বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ৰ উদ্যোগত নতুন জিলা চিকিৎসালয়ৰ সভাকক্ষত অনুষ্ঠিত হয় বিশ্ব ৰক্তদাতা দিৱসৰ লগত সংগতি ৰাখি এখনি সজাগতা ও সম্বৰ্ধনা সভা। বিশ্বনাথ জিলাৰ বিশিষ্ট স্বেচ্ছামূলক ৰক্তদাতা ব্যক্তি হিচাবে উক্ত সভাত ৫ গৰাকী ৰক্তদাতাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জিলা স্বাস্থ্য আৰু যুটীয়া সঞ্চালক ডাঃ যোগেন চন্দ্ৰ বে', পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ ৰিপণ চুতীয়া, মুখ্য চিকিৎসা বিষয়া ডাঃ এলিজা ডেকা প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## ডিব্ৰুগড়ত অগপৰ ভ্ৰাতৃ সংগঠন অসম যুৱ পৰিষদৰ পাচঁ জিলা সমিতিৰ সভাপতি-সম্পাদকৰ উপস্থিতিত পৰ্যালোচনা সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ জুন ঃ** বিধানসভা নিৰ্বাচনৰ ফলাফলত অসম গণ পৰিষদৰ বিজয়ৰ পিছত অসম গণ পৰিষদৰ সাংগঠনিক ভেটি আৰু অধিক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিছে। অসম যুৱ পৰিষদে পাঁচখনকৈ জিলা লগ হৈ বিশেষ সাংগঠনিক সভাৰ আৰম্ভ কৰে। তাৰ অংশ হিচাপে অসম গণ পৰিষদৰ অন্যতম ভ্ৰাতৃ সংগঠন অসম যুৱ পৰিষদৰ উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, শিৱসাগৰ, চৰাইদেউকে ধৰি পাঁচখন জিলা সমিতিৰ সভাপতি, সম্পাদক তথা কেন্দ্ৰীয় নেতৃত্বকলৈ অসম গণ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত কৰে পৰ্যালোচনা সভা। অসম যুৱ-পৰিষদৰ সভাপতি জিতু বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সাধাৰণ সম্পাদক অনিৰুদ্ধ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অগপ দলৰ সাধাৰণ সম্পাদকদ্বয় পোনাকণ বৰুৱা, সুনীল ৰাজকোঁৱৰ, সম্পাদক পৰাগজ্যোতি বৰুৱা, যুৱ পৰিষদৰ সাধাৰণ সম্পাদক ভাস্কৰ বৰা, নৰেশ বৰা আদি উপস্থিতি থকা গুৰুত্বপূৰ্ণ সভাত বিভিন্ন সাংগঠনিক দিশত বিতং পৰ্যালোচনা কৰা হয়। সভাত সৰ্বস্তৰৰ ৰাইজৰ সৈতে দলীয় কৰ্ম-কৰ্তাসকল জড়িত হোৱাৰ লগতে আগন্তুক দিনত ৰাইজৰ বাবে কাম কৰিবলৈ সকলোৱে সংকল্প লয়।

**“পৰাধীনতাৰ শৃংখলৰ পৰা মুক্ত হ’বলৈ ব্ৰিটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা চাওঁতাল বীৰ ছিধু মুৰ্মু - কানহু মুৰ্মু আমি সকলোৰে বাবে অনুকৰণীয়” ঃ বিধায়ক আশ্ৰাফুল ইছলাম**

# গোসাঁইগাঁৱৰ হাৰাপুটাত ১৭১তম্ চাওঁতাল জাতীয় সংহতি দিৱস পালন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১ জুলাই** ঃ পৰাধীনতাৰ পৰা মুক্ত হবলৈ সংগ্ৰামৰ সূচনা কৰিছিল চাওঁতাল জনগোষ্ঠীৰ বীৰ ছিধু মুৰ্মু আৰু কানহু মুৰ্মুয়ে। ব্ৰিটিছৰ অপশাসন মহাজনৰ অত্যাচাৰত অতিষ্ঠ হৈ ১৮৫৫ চনৰ ৩০ জুন তাৰিখে চাওঁতাল জনগোষ্ঠীৰ বীৰ ভাতৃদ্বয়ৰ নেতৃত্বত ৩০ হেজাৰ সংগ্ৰামীয়ে বৃটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। সেই যুদ্ধই স্বাধীনতা সংগ্ৰামৰ পথ প্ৰদৰ্শক আছিল। স্বাধীনতা বিচাৰি চাওঁতাল সকলে প্ৰাণৰ মায়া ত্যাগ কৰি সৰ্বশক্তিমান ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি যি আদৰ্শ দেখুৱাই ছিল সেই আদৰ্শ সকলোৰে বাবে অনুকৰণীয়। চাওঁতাল জনগোষ্ঠীৰ গৌৰৱময় ইতিহাস আৰু চাওঁতাল বীৰ সকলৰ আদৰ্শ অনুসৰণ কৰি চাওঁতাল জনগোষ্ঠীৰ লোকসকল আগুৱাই যাব লাগিব। ব্ৰিটিছৰ অপশাসনৰ বিৰুদ্ধে যি সংগ্ৰামৰ আগজাননী দি বীৰ দুজনৰ নেতৃত্বত যি ভাৰত মাতৃক ইংৰাজৰ শোষণ অত্যাচাৰ উৎপীড়নৰ পৰা ৰক্ষা পোৱাৰ বাবে চাওঁতাল সকলে যি সংগ্ৰাম আৰম্ভ কৰিছিল সেই সংগ্ৰামৰ এতিয়াও প্ৰয়োজন আছে। চাওঁতাল জনগোষ্ঠীৰ বহু সমস্যা এতিয়াও বিদ্যমান। জাতিটোৰ উত্তৰণৰ বাবে শিক্ষা দীক্ষাৰ লগতে স্বাধীনচেতা মানসিকতাৰ বিকাশ ঘটাব লাগিব।” এনেদৰে কয় পৰ্বতঝোৰা সমষ্টিৰ বিধায়ক আশ্ৰাফুল ইছলামে। আজি গোসাঁইগাঁও মহকুমাৰ হাৰাপুটা স্পৰ্টচ ক্লাবৰ খেলপথাৰত ১৭১ তম চাওঁতাল জাতীয় সংহতি দিৱস (হুল দিৱস) উপলক্ষে অভ্যৰ্থনা সমিতিৰ সভাপতি আলফ্ৰেড মুৰ্মুৱে পৰিচালনা কৰা মুকলি সভাত বিধায়ক ইছলামে মুখ্য অতিথি হিচাপে উপস্থিত থাকি আৰু কয় যে চাওঁতাল জনগোষ্ঠীৰ লোক সকলৰ বহুখিনি সমস্যা আছে এইবোৰ সমস্যা সমাধানৰ বাট প্ৰশস্ত কৰিব লাগিব। ৰাজনীতিৰ উৰ্ধত উঠি চাওঁতাল জনগোষ্ঠীৰ জাতীয় দল সংগঠনৰ নেতৃবৃন্দই জাতিটোৰ সৰ্বাংগীণ উন্নয়নৰ বাবে আগুৱাই আহিবলৈ বিধায়ক গৰাকীয়ে আহ্বান জনায়। উক্ত সভাত হুল দিৱসৰ ইতিহাস আৰু তাৎপৰ্য ব্যাখ্যা কৰি সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ প্ৰাক্তন কেন্দ্ৰীয় সম্পাদক ৰংমন চাকি চৰেনে কয়, “ছিধু মুৰ্মু, কানহু মুৰ্মু, চাঁদ আৰু ভৈৰো চাৰিজন ভাই ককাই আৰু দুজনী ভনী ফুলো আৰু ঝানো এই চাওঁতাল বীৰ বীৰাংগনাই ব্ৰিটিছৰ অপশাসনৰ পৰা মুক্তি পোৱাৰ বাবে বিদ্ৰোহ ঘোষণা কৰিছিল। তেওঁ লোকৰ নেতৃত্বত ঝাৰখণ্ডৰ ভাগনাডি গাঁৱৰ আহতগছৰ তলত ১৮৫৫ চনৰ ৩০ জুনত ত্ৰিশ হেজাৰ চাওঁতাল লোক একত্ৰিত হৈ বিদ্ৰোহ ঘোষণা কৰে আৰু পৰাধীনতাৰ পৰা দেশক মুক্ত কৰাৰ পণ লৈ ব্ৰিটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ব্ৰিটিছৰ বিৰুদ্ধে আৰম্ভ কৰা এই বিদ্ৰোহ ইতিহাসত চাওঁতাল হুল বুলি পৰিচিত। হুলত বহু বীৰ বীৰংগনা ছহিদ হৈছিল। সেয়ে আজিৰ এই দিনটো গোটেই ভাৰতবৰ্ষৰ চাওঁতাল জনগোষ্ঠীৰ লোকৰ বাবে অতিকৈ স্মৰণীয় আৰু গৌৰৱৰ দিন। সেয়ে প্ৰতি বছৰে ৩০ জুন দিনটো চাওঁতাল জনগোষ্ঠীৰ বিভিন্ন দল সংগঠনে জাতীয় সংহতি দিৱস হিচাপে পালন কৰি আহিছে। শক্তিশালী ব্ৰিটিছৰ বিৰুদ্ধে চাওঁতাল জনগোষ্ঠীৰ লোকসকলে বৃটিছৰ বিৰুদ্ধে যুঁজ কৰি যুঁজাৰু জাতি হিচাপে পৰিচয় লাভ কৰা জাতিটো স্বাধীনতাৰ প্ৰায় আশি বছৰেও সকলো দিশত আজিও নিশকতীয়া হৈ আছে। ইমান বছৰ পাছতো চাওঁতাল সকলৰ অধিকাৰ প্ৰতিষ্ঠিত হোৱা নাই। চৰকাৰৰ বৈষম্যৰ চিকাৰ হোৱা জাতিটোৰ মাজৰ পৰা যেন কৰ্মসংস্কৃতি হেৰাই যাব ধৰিছে। যুৱ প্ৰজন্মৰ মাজত নামি আহিছে হতাশা। বৰ্তমানৰ যুৱক সকলে কৰ্মহীন হৈ বিপথগামী হবলৈ ধৰিছে বুলি প্ৰাক্তন ছাত্ৰ নেতা গৰাকীয়ে আক্ষেপ প্ৰকাশ কৰে। তেওঁ যুৱ প্ৰজন্মৰ উদ্দেশ্যি কয় বৰ্তমানে যুঁজ বাগৰৰ দিন নহয় শিক্ষাৰ বাবে হে যুঁজ দিব লাগিব। তেতিয়াহে জাতিটোৰ গুণ গৰিমা বৃদ্ধি পাব। অতীতৰ ইতিহাসক অনুকৰণ কৰি নিজৰ ভাষা সাহিত্য কলা কৃষ্টি সংস্কৃতিৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। অন্যথাই জাতিটো সকলো দিশত পিছুৱাই যাব। আমাৰ বীৰ মহাপুৰুষ সকলৰ দিৱস পালন কৰি থাকিলেই নহ’ব তেওঁলোকৰ আদৰ্শত অনুপ্ৰাণিত হৈ নৱপ্ৰজন্মক আগুৱাই যাব লাগিব বুলি কয় ৰিমন চাকু চৰেনে। উক্ত অনুষ্ঠানত আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ অধ্যক্ষ অসীম হাছদা, কাৰ্যবাহী সদস্য পাৰ্চিয়াছ হেমব্ৰম, গোসাঁইগাঁও সমষ্টিৰ বিধায়ক শোভাৰাম বসুমতাৰীকে ধৰি জাতীয় দল সংগঠনৰ নেতৃবৃন্দই বীৰ ছিধু- কানহুৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে এই হুল দিৱসৰ ওপৰত মূল্যৱান ভাষণ আগবঢ়ায়। চাওঁতাল জনগোষ্ঠীৰ জাতীয় সংহতি দিৱসত হাৰাপুটা অঞ্চল লোকে লোকাৰণ্য হৈ পৰা পৰিলক্ষিত হয়।

# কমলাবাৰী একাডেমিৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষ্যে বিশেষ কাৰ্যসূচী “গাঁৱলৈ যাওঁ ব’লক”

## বৰহোলা গাঁৱত বিদ্যালয়ৰ প্ৰথমবাৰলৈ শৈক্ষিক সভা; গঞাই প্ৰশংসাৰে উপচালে বিদ্যালয়ক

**অসম বাৰ্তা, উজনী মাজুলী, ১ জুলাই** ঃ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকা এক হৈ কমলাবাৰী একাডেমিক আগুৱাই নিও- এই লক্ষ্যৰে বিদ্যালয়খনে ঘোষণা কৰা গাঁৱলৈ যাও ব’লক কাৰ্যসূচীৰ আজি কমলাবাৰী চাৰিআলিৰ উপকণ্ঠৰ বৰহোলা গাঁৱত অনুষ্ঠিত হয়। সংখ্যালঘু অনুসূচিত মাল’ সম্প্ৰদায়ৰ গৰিষ্ঠ সংখ্যক লোকৰ বসতি গাঁও খনত কোনো এখন বিদ্যালয়ে প্ৰথমবাৰলৈ আয়োজন কৰা শৈক্ষিক সভাত গাঁওবাসী উৎসাহিত হৈ প্ৰশংসাৰে ওপচাই পেলাইছে উচ্চ মাধ্যমিক বিদ্যালয় খনক। বিদ্যালয়ক অভিভাৱক-অভিভাৱিকাৰ কাষ চপাই নিয়াৰ লগতে গাঁৱত স্বাস্থ্য সজাগতা, সুৰক্ষা, সামাজিক সুৰক্ষাৰ সজাগতা সৃষ্টিৰ বাবেও এই কাৰ্যসূচীত বিদ্যালয়খনে জিলাৰ শিক্ষা বিভাগ, আৰক্ষী বিভাগ, সমাজকল্যাণ বিভাগৰ আৰু স্বাস্থ্য বিভাগটো সামৰি লৈছে। সভাৰ আদৰণি ভাষণত বিদ্যালয়ৰ প্ৰধান শিক্ষক কমল দত্তই বিদ্যালয়ক গাঁৱৰ মাজলৈ চপাই নিয়া, চৰকাৰী বিদ্যালয়ৰ প্ৰতি ৰাইজৰ আস্থা আৰু বিশ্বাস বৃদ্ধি কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয়ৰ কৰ্মচাৰীসকলৰো যাতে গাঁৱৰ লগত ঘনিষ্ঠতা বৃদ্ধি পায় তাৰ প্ৰয়াস ৰূপে এই লানি কাৰ্যসূচী ৰূপায়ণ কৰা বুলি উল্লেখ কৰে। সভালৈ মাজুলীৰ কেইবাটাও বিভাগক আমন্ত্ৰণ জনোৱা হৈছিল যদিও কেৱল স্বাস্থ্য বিভাগৰ হৈ মাজুলী এশখন বিছনা যুক্ত জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ মাণিক মিলিয়ে অংশগ্ৰহণ কৰে। তেখেতে সভাত বক্তব্য দাঙি ধৰি ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য সজাগতাৰ বিষয়ে কেইবাটাও গুৰুত্বপূৰ্ণ দিশ অৱলোকন কৰে। অভিভাৱক সকলকো কৰণীয়খিনিৰ পৰামৰ্শ প্ৰদান কৰি মাজুলীৰ স্বাস্থ্য বিভাগৰ দ্বাৰা বিশেষকৈ সৰ্প দংশনৰ পৰা সুৰক্ষিত মাজুলীৰ এক তথ্য দাঙি ধৰে। তেখেতে সৰ্প দংশনৰ পৰা যি দুই এজনৰ মৃত্যু হৈছে কেৱল চিকিৎসকৰ ওচৰ নাচাপি বেজ-বেজালিৰ ওচৰ চপাত হে। গতিকে যিকোনো স্বাস্থ্যজনিত সমস্যাত চিকিৎসালয়ৰ কাষ চাপিবলৈ আহ্বান জনায়। সভাত বিশিষ্ট অতিথিৰ হৈ মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাই নিজৰ বক্তব্যত বিদ্যালয়খনিৰ পদক্ষেপ মহৎ পদক্ষেপ বুলি অভিহিত কৰে। কমলাবাৰী ক্ষুদ্ৰ নগৰৰ কাষতে থকাৰ পিছতো গাঁওখন যথেষ্ট পিছ পৰা, এনে এখন গাঁৱত ৰূপায়ণ কৰা এই অগতানুগতিক সভাই সকলো পক্ষকে উপকৃত কৰিব। গাঁৱৰ মন্দিৰত অনুষ্ঠিত হোৱা সভাখনত সভাপতিত্ব কৰে গাঁও পৰিচালনা সমিতিৰ এগৰাকী সক্ৰিয় সদস্য অৰুণ দাসে। সভাৰ আৰম্ভণিতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এটি বৰগীত পৰিবেশন হয়। সভাৰ আঁতধৰে সহ শিক্ষয়িত্ৰী পম্পী হাজৰিকাই। বিশিষ্ট অতিথিসকলক বিদ্যালয়ৰ পৰা একোটি গছপুলি, এটি কলমেৰে আদৰণি জনোৱাৰ পিছতে বৰহোলা গাঁৱৰ পৰাও সকলোকে একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়। সেই কাৰ্যসূচী আঁতধৰে গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ডলী বৰুৱাই। বিশিষ্ট অতিথি ৰূপে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক গিৰিণ শইকীয়া, প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক অমূল্য কলিতা, ডলী বৰুৱা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী আশা ৰাণী হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ শইকীয়া, গাঁও পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক, কেইবাগৰাকী সদস্য, মহিলা সমিতিৰ সদস্যাই অংশগ্ৰহণ কৰে। সভাতেই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা দহগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ১৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত উত্তীৰ্ণ হোৱা দহ গৰাকীৰে সেইখন গাঁৱৰ পৰা ত্ৰৈলোক্য হলদাৰে দুখনত লেটাৰ সহ প্ৰথম বিভাগত, ৰশ্মি হলদাৰে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। কেউগৰাকীকে মানপত্ৰ, একোটি কলম, এখন বহী দি বিদ্যালয়ে বিশিষ্ট অতিথি সকলৰ দ্বাৰা সম্বৰ্ধনা জনায়। সম্বৰ্ধনা কাৰ্যসূচী আঁতধৰে শিক্ষক নিলমণী শইকীয়াই। বিদ্যালয়খনৰ পৰা অসমীয়া বিষয়ত লেটাৰ নম্বৰ পোৱা সকললৈ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী আশা ৰাণী হাজৰিকাই এইবাৰ লেটাৰ নম্বৰ প্ৰাপক ত্ৰৈলোক্য হলদাৰক এহেজাৰ টকা সভাতেই প্ৰদান কৰে আৰু সেই পুৰস্কাৰ অব্যাহত ৰাখিব বুলিও প্ৰকাশ কৰে। সভাই সৰ্বসন্মতি ক্ৰমে তিনিটা প্ৰস্তাৱ গ্ৰহণ কৰে। গাঁৱৰ শৈক্ষিক আৰু সামাজিক পৰিৱেশ উন্নত কৰাৰ বাবে সকলো প্ৰকাৰৰ ৰাগীয়াল দ্ৰব্য ব্যৱহাৰ মুক্ত গাঁও ৰূপে গঢ়িবলৈ যত্ন কৰা, শিশু সকলক উপাৰ্জনমুখী কামত জড়িত নকৰি বিদ্যালয়মুখী কৰা আৰু বিদ্যালয়ৰ লগত ঘনিষ্ঠতা বৃদ্ধিৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান। সভাপতিৰ ভাষণত দাসে গাঁওখনত প্ৰথমবাৰলৈ এনে এখন শৈক্ষিক সভা অনুষ্ঠিত কৰাৰ বাবে কমলাবাৰী একাডেমি তথা প্ৰধান শিক্ষক কমল দত্তক শলাগ লয় আৰু বিদ্যালয়ৰ আগন্তুক সোণালী জয়ন্তী উৎসৱত পূৰ্ণ সহযোগিতাৰ লগতে গাঁৱে বিদ্যালয়ৰ সদস্য হিচাপে কাম কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। ডলী বৰুৱাই শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতে জাতীয় সংগীতেৰে সভাৰ সামৰণি পৰে।

## মঙলদৈত বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, মঙলদৈৰ, ১ জুলাই** ঃ দৰং জিলা ক্ৰীড়া সাংবাদিক সংস্থাৰ উদ্যোগত ২ জুলাই বৃহস্পতিবাৰে বিশ্ব ক্ৰীড়া সাংবাদিক দিৱস উদযাপন কৰা হ’ব। সেই উপলক্ষে সেইদিনা মঙলদৈ ষ্টেডিয়ামৰ পেভিলিয়নত এখন সভাৰ আয়োজন কৰা হৈছে। উক্ত সভাত এগৰাকী প্ৰাক্তন খেলুৱৈ তথা ক্ৰীড়া সংগঠক বসন্ত ডেকা আৰু চাৰিবাৰকৈ ৰাষ্ট্ৰীয় কাবাদী প্ৰতিযোগিতাত অসম দলক প্ৰতিনিধিত্ব কৰা প্ৰতিশ্ৰুতিসম্পন্ন উদীয়মান ৰাষ্ট্ৰীয় খেলুৱৈ শান্তি কুমাৰী বড়োক সম্বৰ্ধনা জনোৱা হ’ব। বিয়লি ৪-৩০ বজাত হ’বলগীয়া এই অনুষ্ঠানটোত সকলো লোকৰ উপস্থিতি দৰং জিলা ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি আব্দুল খালেক আৰু সম্পাদক গণেশ দত্তই কামনা কৰিছে।

# বিদ্যা ভাৰতীৰ উদ্যোগত পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কুইজ, পষ্টাৰ, ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, মৰিগাঁও, ১ জুলাই** ঃ বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ উদ্যোগত আৰু পৰ্যাবৰন সংৰক্ষণ গতিবিধি উত্তৰ অসম প্ৰান্তৰ যুৱ শক্তি কৰ্যবিভাগৰ উদ্যোগত পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা কুইজ, পষ্টাৰ আৰু ৰচনা প্ৰতিযোগিতাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। ঘোষিত ফলাফলত কুইজ প্ৰতিযোগিতাৰ বালক শাখাত প্ৰথম স্থান লাভ কৰিছে জাগীৰোড শংকৰদেৱ শিশু নিকেতনৰ ৰাহুল মেধী আৰু আয়ুস পালে। দ্বিতীয় স্থান কপাহেৰাৰ অংকুমণি বৰা আৰু অভিজ্ঞান ডেকাই। তৃতীয় স্থান জাগীৰোডৰ চয়ম বৰা আৰু অভিনৱ বৰাই। কিশোৰ শাখাত প্ৰথম স্থান লাভ কৰিছে কপাহেৰাৰ দেৱাংশ পৰন গগৈ আৰু নিমিষা বৰাই। দ্বিতীয় স্থান যুটীয়াভাবে মানিপুৰৰ নিপজ্যোতি শুকাই পাটৰ, ভাগ্যজ্যোতি নাথ, ভকতগাঁৱৰ প্ৰিয়স ডেকা, বন্দনা কোঁৱৰে। পষ্টাৰ প্ৰতিযোগিতাৰ বালক শাখাত প্ৰথম স্থান ভকতগাঁৱৰ দৰ্শন কুমাৰ দাস, দ্বিতীয় কপাহেৰাৰ নিহাল কৃষ্ণ ডেকা, তৃতীয় স্থান উত্তৰ গুৱাহাটীৰ অংকিতা কলিতাই। কিশোৰ শাখাত প্ৰথম স্থান ভকতগাঁৱৰ প্ৰজ্ঞান ডেকা, দ্বিতীয় স্থান কপাহেৰাৰ চন্দ্ৰশেখৰ দেউৰজা তৃতীয় স্থান যোৰহাট কাকডোঙাৰ ভাগ্যশ্ৰী বৰা। ৰচনা প্ৰতিযোগিতাৰ বালক শাখাত প্ৰথম স্থান লক্ষ্মীমপুৰ ঘিলামৰাৰ ৰাখী প্ৰিয়ম দাস, দ্বিতীয় কপাহেৰাৰ দীপ শিখা ডেকা, তৃতীয় লক্ষ্মীমপুৰ ফুলবাৰীৰ শিবাণী শইকীয়া। কিশোৰ শাখাত প্ৰথম স্থান উত্তৰ গুৱাহাটীৰ বিস্মীতা দাস, দ্বিতীয় স্থান যোৰহাট কাকডোঙাৰ প্ৰতীক্ষা বড়া, তৃতীয় যুটীয়া ভাবে ভকতগাঁৱৰ প্ৰিয় দৰ্শীনি ডেকা, শিৱসাগৰ পাটকাইৰ শৰ্মীষ্ঠা বৰগোহাঁই। বিচাৰকৰ বিশেষ বঁটা পাইছে লংকাৰ হৰিহৰ দাসে। প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলক নিজ নিজ নিকেতনৰ প্ৰধান আচাৰ্যৰ জৰিয়তে পুৰস্কাৰ সমূহ প্ৰদান কৰা হ’ব বুলি উদ্যোক্তাসকলে জনাইছে। উল্লেখ্য যে সংস্থাৰ অন্তৰ্গত উত্তৰ অসম প্ৰান্তৰৰ শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতন সমূহৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পৰ্যাবৰণ সংৰক্ষণ গতিবিধিৰ উত্তৰ অসম প্ৰান্ত যুৱা শক্তি কৰ্যাবিভাগৰ দ্বাৰা বিশ্ব পৰ্যাবৰন দিৱস উপলক্ষে শিশু শিক্ষা সমিতি অসমৰ সহযোগত আয়োজন কৰা হৈছিল এই ৰচনা, পষ্টাৰ আৰু কুইজ প্ৰতিযোগিতা। পৰ্যবৰণ সংৰক্ষণ গতিবিধিৰ উত্তৰ অসম প্ৰান্তৰ যুৱ শক্তি প্ৰমুখ ভাৰ্গৱ ৰাজনে আজি মৰিগাঁৱত এক বিবৃতি যোগে জনায় যে অসমৰ মুঠ ১০টা বিভাগৰ পৰা প্ৰাই ১৫০খন শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশ লয়। ৰচনা আৰু পষ্টাৰ সমূহ ই-মেইল আৰু হোৱাটছএপৰ জৰিয়তে জমা লোৱা হৈছিল আৰু কুইজ প্ৰতিযোগিতা শংকৰদেৱ বিদ্যা নিকেতন সমূহত অনুষ্ঠিত কৰা হৈছিল। গোটেই কাৰ্যক্ৰমটোৰ প্ৰান্তৰ প্ৰভাৰীৰ দ্বায়িত্বত আছিল পৰ্যাবৰণ সংৰক্ষণ গতিবিধি উত্তৰ অসম প্ৰান্তৰ জল উপক্ৰম প্ৰমুখ নৃপেন নাথ।

# পলাশবাৰীত তিনিজন বিদায়ী গাঁও প্ৰধানক সম্বৰ্ধনা



**অসম বাৰ্তা, মিৰ্জা, ১ জুলাই** ঃ পলাশবাৰী ৰাজহ চক্ৰ গাঁও প্ৰধান সন্থাৰ উদ্যোগত বুধবাৰে গাঁও প্ৰধান পদৰ পৰা অৱসৰ গ্ৰহণ কৰা তিনিজন বিদায়ী গাঁও প্ৰধানক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। পলাশবাৰী সম জিলা কাৰ্যালয় চৌহদত অৱস্থিত গাওঁপ্ৰধান সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানত পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অংকিতা শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিদায়ী গাঁও প্ৰধানসকলৰ দীৰ্ঘদিনীয়া সেৱাৰ শলাগ লয়। অনুষ্ঠানত বাগান গাঁৱৰ গাঁও প্ৰধান নৰ্মেশ্বৰ ৰাভা, লোহাৰঘাট গাঁৱৰ গাঁও প্ৰধান প্ৰদীপ ৰাভা আৰু ভোলাগাঁৱৰ গাঁও প্ৰধান মঃ আব্দুল মজিদক মানপত্ৰ, ফুলাম গামোচা আৰু স্মাৰক প্ৰদান কৰি আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। উপস্থিত অতিথি আৰু গাঁও প্ৰধানসকলে তেওঁলোকৰ কৰ্মজীৱনৰ বিভিন্ন দিশ স্মৰণ কৰি শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত ভাষণ প্ৰদান কৰি চক্ৰ বিষয়া অংকিতা শৰ্মাই কয় যে গাঁও প্ৰধানসকলে চৰকাৰ আৰু ৰাইজৰ মাজত এক গুৰুত্বপূৰ্ণ সংযোগসূত্ৰ হিচাপে নিষ্ঠা, সততা আৰু দায়িত্ববোধেৰে কাম কৰি আহিছে। বিদায়ী গাঁও প্ৰধানসকলৰ সেৱা আৰু অভিজ্ঞতা নতুন প্ৰজন্মৰ বাবে অনুকৰণীয় বুলি উল্লেখ কৰি তেওঁ তেওঁলোকৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰে। লগতে বৰ্তমান কৰ্মৰত গাঁও প্ৰধানসকলকো একে নিষ্ঠা আৰু দায়িত্ববোধেৰে জনসাধাৰণৰ স্বাৰ্থত কাম কৰি যাবলৈ আহ্বান জনায়। ইফালে, বিদায়ী গাঁও প্ৰধানসকলে নিজৰ বক্তব্যত গাঁও প্ৰধানসকলৰ আৰ্থিক দুৰৱস্থাৰ বিষয়টো উত্থাপন কৰি কয় যে মাহিলী মাত্ৰ ১৪ হাজাৰ টকাৰ ভাট্টাৰে বৰ্তমানৰ মূল্যবৃদ্ধিৰ যুগত পৰিয়াল চলোৱাটো অতি কষ্টকৰ হৈ পৰিছে। গোটেই জীৱন ৰাইজৰ সেৱাত নিয়োজিত থকাৰ পিছতো অৱসৰৰ পাছত কোনো ধৰণৰ পেঞ্চন বা আৰ্থিক সুৰক্ষাৰ ব্যৱস্থা নথকাটো দুৰ্ভাগ্যজনক বুলি তেওঁলোকে মন্তব্য কৰে। তেওঁলোকে লগতে কয় যে বহু অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানক জীৱনৰ অন্তিম সময়ত আৰ্থিক সংকটৰ সন্মুখীন হ’ব লগা হয় আৰু বহু ক্ষেত্ৰত আনৰ ওচৰত সহায় বিচাৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। এনে অৱস্থাৰ পৰা পৰিত্ৰাণৰ বাবে চৰকাৰে গাঁও প্ৰধানসকলৰ বাবে পেঞ্চন, আৰ্থিক সুৰক্ষা আৰু কল্যাণমূলক আঁচনি ৰূপায়ণ কৰাৰ আহ্বান কৰে বিদায়ী গাঁও প্ৰধানসকলে। অনুষ্ঠানত পলাশবাৰী ৰাজহ চক্ৰ গাঁও প্ৰধান সন্থাৰ বিষয়ববীয়া, বিভিন্ন গাঁৱৰ গাঁও প্ৰধান, সমাজৰ বিশিষ্ট ব্যক্তি তথা বহু শুভাকাংক্ষীয়ে উপস্থিত থাকি বিদায়ী গাঁও প্ৰধানসকলক শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানটোৱে এক আৱেগিক পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে গাঁও প্ৰধানসকলৰ সামাজিক অৱদান আৰু তেওঁলোকৰ ন্যায্য অধিকাৰৰ বিষয়টোও পুনৰ এবাৰ উত্থাপিত কৰে।

# মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ ‘প্ৰবন্ধ-প্ৰস্ৰৱণ’ উন্মোচন

**অসম বাৰ্তা, মাজুলী, ১ জুলাই** ঃ মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক, কবি ড° দেৱজিৎ শইকীয়াৰ নিৰ্বাচিত লেখাৰ সংকলন ‘প্ৰবন্ধ-প্ৰস্ৰৱণ’ আজি মহাবিদ্যালয়ৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত অনুষ্ঠিত এখনি গাম্ভীৰ্যপূৰ্ণ সভাত শুভ উন্মোচন কৰা হয়। ছখন কাব্যগ্ৰন্থ, কেইবাখনো মৌলিক পুথিৰ উপৰি ভালেসংখ্যক সম্পাদিত পুথিৰে সাহিত্য জগতলৈ বৰঙনি আগচোৱা অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ এই গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ অধিকাৰ জনাৰ্দনদেৱ গোস্বামীয়ে। মাজুলী মহাবিদ্যালয় কৰ্মচাৰী গোটৰ উদ্যোগত এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই। কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱাই আঁত ধৰা সভাখনিৰ আৰম্ভণিতে পৰী বৰা ৰাজখোৱাৰ দ্বাৰা পৰিৱেশিত দীপবন্দনাৰ সমান্তৰালভাৱে মংগল-বন্তি প্ৰজ্বলন কৰে নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিত মহন্তই। গড়মূৰীয় সত্ৰাধিকাৰ পৰমানন্দদেৱ গোস্বামীয়ে সভাখনি উদ্বোধন কৰি দিয়া ভাষণত কয় যে গ্ৰন্থই মানুহক ধ্বংস কৰিব পাৰে যেনেকৈ, সভ্যতা-সংস্কৃতিৰ বিকাশ সাধনত নতুন দিশ উন্মোচন কৰি জাতি এটা তুলি ধৰিবও পাৰে তেনেকৈ। যোৰহাটৰ গ্ৰন্থ-সংস্কৃতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰি আগবঢ়োৱা বক্তব্যত উত্তৰ কমলাবাৰী সত্ৰৰ অধিকাৰ জনাৰ্দনদেৱ গোস্বামীয়ে কয়, “গ্ৰন্থ হৈছে কোনো এক সময়ৰ, এটা যুগৰ প্ৰতিনিধি। সেয়েহে গ্ৰন্থক সম্পদ বুলি কোৱা হয়। যিসকলে এই গ্ৰন্থ-সম্পদ বঢ়োৱাত মনোনিৱেশ কৰে সেই সকল সমাজৰ বাবে প্ৰকৃততেই শ্ৰদ্ধেয়।” সত্ৰাধিকাৰগৰাকীয়ে লগতে অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই মহাবিদ্যালয়ৰ অধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰাৰ সমান্তৰালভাৱে সমাজ আৰু সাহিত্যৰ উৎকৰ্ষ সাধনৰ দিশত যিদৰে অৱদান যোগোৱাইছে, তাৰবাবে তেওঁক কৃতজ্ঞতা জনায়। সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি জেংৰাইমুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী তথা বিশিষ্ট লেখক সুৰেন্দ্ৰ নাথ মুদৈয়ে ড° দেৱজিৎ শইকীয়াৰ সাহিত্যত লোকমনৰ প্ৰকাশ তথা গ্ৰাম্যজীৱনৰ প্ৰতিফলন কেনেকৈ হৈছে সেই সম্পৰ্কে সাৱলীল বক্তব্য আগবঢ়োৱাৰ উপৰি বৰ্তমান সময়ত হেৰাই যাবলৈ উপক্ৰম হোৱা থলুৱা শব্দৰ উচিত প্ৰয়োগেৰে ডঃ শইকীয়াই কেনেকৈ নিৰালস্যভাৱে সাহিত্য-সাধনা ব্ৰতী হৈ আছে তাৰ এক পৰিচয় দাঙি ধৰে। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি সত্ৰাধিকাৰ সত্যজিত মহন্ত, শিক্ষাবিদ উমাকান্ত ৰাজখোৱা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, ড° আনন্দ হাজৰিকা, অমৃতেশ্বৰ চুতীয়া, ৰঞ্জিৎ কুমাৰ ভূঞা, ঘনকান্ত নাথ, বলোৰাম কলিতা, অৱসপ্ৰাপ্ত আৰক্ষী উপ-অধীক্ষক নৱ কুমাৰ বৰা আৰু ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কুমুদ বৰাই বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট ব্যক্তি হিতেশ্বৰ বৰা, যোগেন দত্ত বায়ন, ডিম্বেশ্বৰ বায়ন, ভোলা বৰা, ইন্দ্ৰেশ্বৰ ৰাজখোৱা, কৰুণা বৰা, জিতেন্দ্ৰ নাথ ডেকা, ডিম্বেশ্বৰ দত্ত, জগত দুৱৰীয়া, অৰুণ কুমাৰ পাঠক, লোহিত বৰা, যুগল হাজৰিকা, ৰঞ্জিত সেন, দেৱেন শইকীয়া, থানেশ্বৰ শইকীয়া, দিলীপ শইকীয়া, ৰবীন চন্দ্ৰ শইকীয়া, ইন্দিৰাম নাথ, লোহিত বৰা, ভৰত শইকীয়া, উপেন শইকীয়া, ডিম্বেশ্বৰ শইকীয়া, ডিম্বেশ্বৰ ভূঞা, ভৰত দত্ত, প্ৰিয়ংকা হাজৰিকা, পম্পী হাজৰিকা, লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যাপিকা ইন্দুৰাণী শইকীয়া, মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, উপ-সভাপতি ড° ৰূপজ্যোতি বৰা, নাৰী সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক সুৰেন চন্দ্ৰ দাস, অপূৰ্বজ্যোতি হাজৰিকা, দেৱজ্যোতি খাটনিয়াৰ, ড° দুলাল হাজৰিকা, ড° প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, নৱ দাস, প্ৰদীপ চন্দ্ৰ দাস, কাৰ্তিক নাথ, দীনেশ পেগু, আচাৰ্য মোহন দাস, ড° অৰূপ বুঢ়াগোহাঁই, উৎপল বৰুৱা, গোবিন বৰুৱা, পদ্মধৰ বৰুৱা প্ৰমুখ্য শিক্ষক-কৰ্মচাৰীবৃন্দ সমন্বিতে ডেৰ শতাধিক লোক উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সম্পাদক সদানন্দ ৰেগনে।

## মঙলদৈৰ পাহি লেজাৰ প্ৰিণ্টছৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণী অনুষ্ঠান

**অসম বাৰ্তা, মঙলদৈ, ১ জুলাই** ঃ ‘মনোজ ডেকা, হীৰেন ডেকা দুই ভাতৃৰ নেতৃত্বাধীন ‘পাহি লেজাৰ প্ৰিণ্টছ’ এক দায়িত্বশীল, মানসম্পন্ন আৰু নিৰ্ভৰযোগ্য ছপাশাল। বানানৰ প্ৰতি সচেতন, নিখুঁত ছপা তেওঁৰ অলংকাৰ’- এই ভাষ্য বিশিষ্ট সাহিত্যিক কমলাকান্ত ডেকাৰ। মঙলদৈ চিলাৰায় মাৰ্কেটস্থিত পাহি লেজাৰ প্ৰিণ্টছৰ চৌহদত দেওবাৰে সন্ধিয়া ৰূপালী জয়ন্তী বৰ্ষ শুভাৰম্ভণী অনুষ্ঠানত তেওঁ এইদৰে কয়। সাহিত্যিক, সাংবাদিক অখিল ৰঞ্জন ভট্টই আঁত ধৰা এই অনুষ্ঠানত দৰং ৰত্ন ফুলেন্দ্ৰ নাথ চহৰীয়াই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভকৰা এই অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ, প্ৰাক্তন সভাপতি ড° ৰামচন্দ্ৰ ডেকা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি বৰদা শইকীয়া, প্ৰাক্তন মন্ত্ৰী বসন্ত দাস, মঙলদৈ টাউন ক্লাবৰ সভাপতি অনিল শৰ্মা, অসম সাহিত্য সভাৰ মঙলদৈস্থিত আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়া, ইতিহাস সংকলন সমিতিৰ দৰং জিলা শাখাৰ সভাপতি সুনীল কুমাৰ গোস্বামীয়ে বক্তব্য প্ৰদান কৰে। সভাত প্ৰবীণ ক্ৰীড়াবিদ উমেশ চহৰীয়া, দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভবেন বৰ্মন, লোকশিল্পী মুকুট চন্দ্ৰ হাজৰিকা, নাট্যকাৰ বিশ্বজিৎ ডেকা, অভিনেতা স্বপন কুমাৰ ঘোষ, প্ৰণৱ চহৰীয়া, কুমাৰেশ দত্ত, সাহিত্যিক শাশ্বতী শৰ্মা, অধ্যাপক প্ৰবীণ চহৰীয়া, প্ৰধান শিক্ষয়িত্ৰী অনামিকা হাজৰিকা, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি জয়ন্ত শৰ্মা, সাংবাদিক গণেশ দত্ত, প্ৰবীণ বৰুৱা, আছাদ আলী, ডাঃ ভূপেন চহৰীয়াসহ অৰ্ধশতাধিক লোক উপস্থিত থাকে।

## মৰিগাঁৱৰ ভূৰবন্ধা শংকৰদেৱ শিশু নিকেতনত ককা-আইতা দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, মৰিগাঁও, ১ জুলাই** ঃ বিদ্যা ভাৰতীৰ জৰিয়তে শিশু সকলক সজাগতা কৰাৰ বাবে আজি মৰিগাঁৱৰ ভূৰবন্ধাৰ শঙ্কৰ দেৱ শিশু নিকেতনত ককা আইতা দিৱস পালন কৰে শিশু শিক্ষা সমিতিৰ নিৰ্দেশনাত। শিশু শিক্ষা সমিতিৰ অধীনত থকা অসমৰ বিদ্যালয় সমূহলৈ নিৰ্দেশনা দিয়াৰ পিছতেই মৰিগাঁৱৰ ভূৰবন্ধাত এই ব্যতিক্ৰমি অনুষ্ঠান। ককা আইতা আৰু নাতিৰ মাজৰ সম্পৰ্কৰ এনাজৰী ডাল সুদৃঢ় কৰাৰ মানসেৰে অনুষ্ঠিত কৰা উক্ত অনুষ্ঠানত উপস্থিত থকা ককা আইতা সকলে অতি আনন্দিত হৈ মন্তব্য প্ৰকাশ কৰিলে যে আজি ককা আইতাৰ দিনটো উত্সৱ হৈ গল আৰু অটি উত্সাহ উদ্দীপনাৰে অনুষ্ঠিত কৰা এই অনুষ্ঠানত উপস্থিত থাকি আমি নথৈ আনন্দিত। বৰ্তমান সময়ত ককা আইতাৰ সান্নিধ্য শিশু সকলে খুবেই কমকৈ পায়। নিজৰ ককা-আইতা নাথাকিলেও যাতে ওচৰ চুবুৰীয়াৰ ককা-আইতাৰ সান্নিধ্য লাভ কৰিব পাৰে তাৰেই এক বিশেষ প্ৰয়াস শলাগীব লগীয়া।

## ৰন্ধন গেছৰ নাটনি আৰু ক’লা বজাৰৰ বিৰুদ্ধে বীৰ লাচিত সেনাৰ স্মাৰকপত্ৰ

**অসম বাৰ্তা, চেলেংহাট, ১ জুলাই** ঃ শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলত প্ৰায় পাঁচ মাহ ধৰি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ তীব্ৰ নাটনি অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত আজি বীৰ লাচিত সেনা অসমৰ আমগুৰি আঞ্চলিক সমিতিয়ে আমগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰিছে। স্মাৰকপত্ৰত উল্লেখ কৰা অনুসৰি অসমৰ অন্যান্য অঞ্চলত ৰন্ধন গেছৰ নাটনি বহু পৰিমাণে দূৰ হৈছে যদিও আমগুৰি অঞ্চলত পৰিস্থিতি পূৰ্বৰ তুলনাত অধিক শোচনীয় হৈ পৰিছে। প্ৰায় ৬,০০০ উপভোক্তা থকা আমগুৰি গেছ এজেন্সীয়ে হোম ডেলিভাৰিৰ নামত প্ৰতি চিলিণ্ডাৰৰ বিপৰীতে গ্ৰাহকৰ পৰা ৫০ টকা বা ততোধিক পৰিমাণৰ অতিৰিক্ত মাচুল আদায় কৰি আহিছে যদিও আক্ষৰিক অৰ্থত ঘৰে ঘৰে গেছ চিলিণ্ডাৰ যোগান ধৰা নহয় বুলি স্মাৰকপত্ৰত অভিযোগ তোলা হৈছে। ইয়াৰোপৰি এক দুষ্ট চক্ৰই আমগুৰি আৰু উপকণ্ঠ অঞ্চলত গেছ চিলিণ্ডাৰৰ ক’লা ব্যৱসায় পৰিচালনা কৰি থকাৰ ফলত সাধাৰণ উপভোক্তাই চিলিণ্ডাৰৰ বাবে হাহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে বুলিও স্মাৰকপত্ৰত উল্লেখ কৰা হৈছে। সংগঠনৰ মুখ্য প্ৰশাসনিক সচিব উদয়াদিত্য বড়া, সভাপতি মিণ্টু সন্দিকৈ আৰু যুটীয়া সচিব দিপাংকৰ গগৈ স্বাক্ষৰিত স্মাৰকপত্ৰত চক্ৰ বিষয়াক বিষয়টো গুৰুত্বসহকাৰে লৈ জনসাধাৰণৰ স্বাৰ্থত শীঘ্ৰেই বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱা হৈছে। ইয়াৰ অন্যথা গণতান্ত্ৰিক পদ্ধতিৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ’ব বুলি সংগঠনটোৱে সকীয়নি প্ৰদান কৰে।

## সম্পাদকীয়

# এনাৰ্জি ড্ৰিংক; জাননীৰ পৰা কঠোৰ আইনী পদক্ষেপলৈ

সম্প্ৰতি ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানদণ্ড কৰ্তৃপক্ষ (এফএছএছএআই)য়ে ৰেডবুল, মনষ্টাৰ, ষ্টিং, হেল, পেপচিকোৰ এড্ৰেনালিন ৰাছ আৰু ৰিলায়েন্সৰ কেম্পা গোল্ড বুষ্টকে ধৰি ছটা প্ৰধান এনাৰ্জি ড্ৰিংক ব্ৰেণ্ডলৈ 'ভুল ব্ৰেণ্ডিং' আৰু 'বিভ্ৰান্তিকৰ তথ্য'ৰ অভিযোগত জাননী জাৰি কৰা ঘটনাটোৱে ভাৰতীয় খাদ্য সুৰক্ষা ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ দিশ আঙুলিয়াই দিছে। কিন্তু প্ৰশ্ন হৈছে, কেৱল কাৰণ দৰ্শাবলৈ জাননী জাৰি কৰিলেই এফএছএছএআইৰ দায়িত্ব শেষ হয় নেকি? নে এই দীৰ্ঘদিনীয়া অপৰাধৰ বাবে কঠোৰ শাস্তিৰ প্ৰয়োজন আছে?

প্ৰথমতে আমি এফএছএছএআইৰ দ্বাৰা সৃষ্ট প্ৰশাসনিক অসঙ্গতিটোৰ ফালে মনোযোগ দিবলৈ বাধ্য। সংস্থাটোৱে নিজেই স্পষ্টভাৱে স্বীকাৰ কৰিছে যে তেওঁলোকৰ 'এনাৰ্জি ড্ৰিংক'ৰ বাবে কোনো নিৰ্দিষ্ট খাদ্য মানদণ্ড বা শ্ৰেণী নিৰ্ধাৰিত নাই। যেতিয়া খাদ্য শ্ৰেণী তালিকাতে ইয়াৰ স্থান নাই, তেতিয়া এই পানীয়বোৰক 'এনাৰ্জি ড্ৰিংক' হিচাপে বিক্ৰীৰ অনুমতি প্ৰদান কৰা হ'ল কেনেকৈ? যদি নিয়মাৱলীত মানদণ্ড নাই, তেন্তে 'ভুল ব্ৰেণ্ডিং'ৰ অভিযোগ উত্থাপন কৰোঁতে সংস্থাটো নিজেও এক আইনী দ্বন্দ্বৰ সন্মুখীন হয়। কোম্পানীসমূহে দীৰ্ঘ তিনি-চাৰি দশক ধৰি এই শব্দটো ব্যৱহাৰ কৰি অহাৰ পাছতো নিয়ন্ত্ৰক সংস্থাটোৱে কিয় ইয়াৰ বিৰুদ্ধে সময়মতে ব্যৱস্থা গ্ৰহণ কৰা নাছিল? এই পলমেই প্ৰমাণ কৰে যে নিয়ন্ত্ৰক সংস্থাটো বহুদিন ধৰি উদাসীন আছিল। গতিকে আজি যি কঠোৰতা দেখুওৱা হৈছে, তাৰ আধিকাংশ দায়িত্ব এফএছএছএআইৰ নিজৰো আছে।

দ্বিতীয়তে, কোম্পানীসমূহৰ বিপণন কৌশল অতি ভয়ঙ্কৰ। তেওঁলোকে 'শক্তি বৃদ্ধি', 'মনোযোগ বঢ়োৱা', 'শাৰীৰিক দুৰ্বলতা দূৰ কৰা' আৰু 'সজীৱতা'ৰ দৰে চিকিৎসা-সংক্ৰান্ত বিজ্ঞাপনী দাবী কৰি আহিছে। এফএছএছ আইন ২০০৬-ৰ অধীনত খাদ্য দ্ৰব্যৰ বাবে এনে 'ফাংচনেল' বা 'থেৰাপিউটিক' দাবী সম্পূৰ্ণ নিষিদ্ধ। তথাপি এই কোম্পানীসমূহে নিৰ্ভয়ে বজাৰত সোমাই আছে কাৰণ তেওঁলোকে জানে যে নিয়ন্ত্ৰণ ব্যৱস্থাটো ইমান সক্ষম নহয় যে হঠাতে তেওঁলোকক ৰোধ কৰিব পাৰে। 'কাৰণ দৰ্শাওক' জাননীৰ পৰিৱৰ্তে বছৰ বছৰ ধৰি আইন উলংঘা কৰি অহা এই কোম্পানীসমূহক গুৰুতৰ আৰ্থিক জৰিমনা আৰু পণ্য প্ৰত্যাহাৰৰ নিৰ্দেশ দিয়া উচিত। অন্যথা, এই জাননী কেৱল গ্ৰাহক সন্তুষ্টিৰ বাবে দিয়া এক 'প্ৰহসন' হৈ ৰ'ব।

তৃতীয় আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, এই এনাৰ্জি ড্ৰিংকসমূহৰ মূল লক্ষ্যগ্ৰাহক হ'ল কৈশোৰ আৰু যুৱ প্ৰজন্ম। ফেশ্বন আৰু ষ্টেটাছ চিম্বল হিচাপে তেওঁলোকে এই পানীয়বোৰ গ্ৰাস কৰে। কিন্তু উচ্চ পৰিমাণৰ কেফেইন, টাউৰিন আৰু চেনিৰ পৰিমাণে তেওঁলোকৰ সূক্ষ্ম স্বাস্থ্যৰ গুৰুতৰ ক্ষতি সাধন কৰিব পাৰে। বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে এনাৰ্জি ড্ৰিংকৰ অপব্যৱহাৰক শিশু আৰু কিশোৰ-কিশোৰীৰ বাবে বিপদজনক বুলি চিহ্নিত কৰিছে। এই প্ৰেক্ষাপটত ভাৰতীয় নিয়ন্ত্ৰক সংস্থাটো যথেষ্ট পিছপৰা। এফএছএছএআয়ে তৎকালভাৱে 'এনাৰ্জি ড্ৰিংক'ৰ বাবে পৃথক খাদ্য শ্ৰেণী সৃষ্টি কৰি কেফেইনৰ সীমা নিৰ্ধাৰণ কৰিব লাগে। লগতে, 'এনাৰ্জি' বা 'বুষ্ট' শব্দৰ প্ৰয়োগ সম্পূৰ্ণ নিষিদ্ধ কৰি লেবেলত স্পষ্টকৈ ইয়াৰ সম্ভাব্য বিপদৰ (যেনে- গৰ্ভৱতী নাৰী, শিশু আৰু হৃদৰোগীৰ বাবে অনুপযুক্ত) উল্লেখ কৰিবলৈ কোম্পানীসমূহক বাধ্য কৰোৱা উচিত।

এফএছএছএআয়ে সামাজিক মাধ্যমৰ জৰিয়তে গ্ৰাহকক অৱগত কৰি থকা পদ্ধতিটো অৱশ্যে প্ৰশংসনীয়। ইনষ্টাগ্ৰাম আৰু এ'ৰ জৰিয়তে সচেতনতা বৃদ্ধি কৰা এই কৌশলে গ্ৰাহকক সংস্থাটোৰ লগত সংযুক্ত কৰি ৰাখে। কিন্তু বাস্তৱত এই জাননী প্ৰত্যক্ষভাৱে কাৰ্যকৰী হৈছে নে, সেই প্ৰশ্নই উত্থাপন হয়। যিবোৰ কোম্পানীয়ে ইতিমধ্যে কোটিৰ ব্যৱসায় কৰিছে, তেওঁলোকৰ বাবে কেৱল এটা জাননী কোনো বাধা নহয়। আমি আশা কৰোঁ যে এই পদক্ষেপ কেৱল কাগজীয় বুলেটিনলৈ সীমাবদ্ধ নাথাকে।

শেষত, আমি গ্ৰাহক হিচাপে সজাগ হ'বলৈ আহ্বান জনাইছো। এটা সুন্দৰ বিজ্ঞাপন বা আকৰ্ষণীয় স্লোগানত যাতে আমি বিভ্ৰান্ত নহওঁ। পেকেটত লিখা সূক্ষ্ম আখৰবোৰ পঢ়ি চাব লাগে। কাৰণ, 'এনাৰ্জি'ৰ নামত বিক্ৰী হোৱা এই বটলবোৰে প্ৰকৃততে আমাৰ শক্তি নহয়, বৰং আমাৰ স্বাস্থ্যৰ বাবে এক সম্ভাব্য সংকট কঢ়িয়াই আনিছে। খাদ্য সুৰক্ষা কেৱল নিয়ন্ত্ৰক সংস্থাৰ নহয়, ই লগতে কোম্পানী আৰু গ্ৰাহক — তিনিওটা পক্ষৰে সমূহীয়া দায়িত্ব। এফএছএছএআইৰ এই পদক্ষেপে আশা জগাইছে যদিও এই আশা যাতে বাস্তৱত পৰিণত হয়, তাৰ বাবে প্ৰশাসনক অধিক কঠোৰ হ'বই লাগিব। অন্যথা, কেৱল 'এনাৰ্জি'ৰ নামত লাখ লাখ যুৱক-যুৱতীয়ে নিজৰ সুস্থ জীৱনক বিপদাপন্ন কৰি থাকিব, আৰু আমি নীৰৱ দৰ্শক হৈ থাকিম। সময় আহি পাইছে যে ব্যৱসায়ৰ লাভৰ বাবে গ্ৰাহকৰ জীৱনক জুৱা খেলিবলৈ কোনো কোম্পানীক অৱকাশ দিয়া নহয়।



### ডিজিটেল যুগৰ নৱপ্ৰজন্ম

# মোবাইল ফোনৰ মায়াজাল আৰু অভিভাৱকৰ দায়িত্ব

*এক সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ দিনটোত সন্তানে কিমান সময় মোবাইল ব্যৱহাৰ কৰিব, তাৰ এখন নিয়মানুবৰ্তী সময়সূচী থকাটো প্ৰয়োজন। বিশেষকৈ পঢ়াৰ সময়ত আৰু নিশা শুবলৈ যোৱাৰ অন্ততঃ এক ঘণ্টা পূৰ্বে মোবাইল ফোন ব্যৱহাৰ সম্পূৰ্ণ নিষিদ্ধ কৰিব লাগে। সন্তানক মোবাইলৰ পৰা আঁতৰাই ৰাখিবলৈ হ'লে তেওঁলোকক অন্য কোনো আনন্দদায়ক আৰু সৃষ্টিশীল কামত নিয়োজিত কৰিব লাগিব। তেওঁলোকক সাধুকথা বা জ্ঞানবৰ্ধক কিতাপ পঢ়াৰ অভ্যাস গঢ়া, চিত্ৰাংকন, সংগীত, ফুলনি বাৰীৰ যত্ন লোৱা, বা আবেলি সময়ত খেলপথাৰলৈ গৈ শাৰীৰিক খেল-ধূলা কৰিবলৈ উৎসাহিত কৰা উচিত। যেতিয়া সন্তানে বাস্তৱ পৃথিৱীখনত আনন্দ বিচাৰি পাব, তেতিয়া স্বাভাৱিকতে মোবাইলৰ প্ৰতি থকা নিচা কমি আহিব। কম বয়সীয়া ল'ৰা-ছোৱালীৰ সুৰক্ষাৰ বাবে অভিভাৱকে মোবাইলত 'পেৰেণ্টেল কণ্ট্ৰ'ল' এপ ব্যৱহাৰ কৰিব পাৰে, যাৰ দ্বাৰা ক্ষতিকাৰক ৱেবচাইট বা বয়সৰ অনুপযোগী সমলসমূহ ব্লক কৰি ৰাখিব পৰা যায়।*

**ড° দিপু মণি গগৈ**

একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উন্নয়নৰ আটাইতকৈ ডাঙৰ আৰু প্ৰভাৱশালী আৱিষ্কাৰসমূহৰ ভিতৰত অন্যতম হৈছে মোবাইল ফোন। বৰ্তমান সময়ত মোবাইল ফোন কেৱল যোগাযোগৰ মাধ্যমেই হৈ থকা নাই, ই মানুহৰ জীৱনশৈলীৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে। বিশেষকৈ নৱপ্ৰজন্ম বা যুৱসমাজৰ ক্ষেত্ৰত মোবাইল ফোনৰ প্ৰভাৱ অত্যন্ত গভীৰ আৰু ব্যাপক। পুৱা টোপনিৰ পৰা উঠাৰ পৰা নিশা শুবলৈ যোৱালৈকে নৱপ্ৰজন্মৰ প্ৰতিটো মুহূৰ্ত আজি এই সৰু যন্ত্ৰটোৰ সৈতে সাঙোৰ খাই পৰিছে। ই যেনেকৈ জ্ঞানৰ এক বিশাল মহাসাগৰৰ দুৱাৰ মুকলি কৰি দিছে, ঠিক তেনেকৈয়ে ইয়াৰ অতিৰিক্ত ব্যৱহাৰে নৱপ্ৰজন্মক এক গভীৰ মানসিক আৰু শাৰীৰিক সংকটৰ দিশলৈকো ঠেলি দিছে।

আধুনিক শিক্ষা ব্যৱস্থা, জ্ঞান আহৰণ আৰু আত্ম-বিকাশৰ ক্ষেত্ৰত মোবাইল ফোনে এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। বৰ্তমান সময়ত ইণ্টাৰনেটৰ সংযোগ থকা এটা মোবাইল ফোনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে বিশ্বৰ যিকোনো প্ৰান্তৰ শিক্ষণ সামগ্ৰী, ই-বুক, গৱেষণা পত্ৰ আদি পলকতে লাভ কৰিব পাৰে। কঠিন বিষয়সমূহ বুজিবলৈ বিভিন্ন শিক্ষণ এপ্লিকেচন, অনলাইন ক্লাছ আৰু শিক্ষণ ইউটিউব চেনেলসমূহৰ প্ৰসাৰে শিক্ষা গ্ৰহণৰ প্ৰক্ৰিয়াটো অধিক আমোদজনক আৰু সহজ কৰি তুলিছে। ইয়াৰ ফলত শিক্ষা ব্যৱস্থাটো কেৱল শ্ৰেণীকোঠাতে আৱদ্ধ নাথাকি বহল আৰু গোলকীয় হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে এই ডিভাইচসমূহে নৱপ্ৰজন্মক প্ৰতিভা বিকাশৰ এক অনন্য মঞ্চ প্ৰদান কৰিছে। পূৰ্বতে বহু যুৱক-যুৱতীৰ ভিতৰত অলেখ প্ৰতিভা থকাৰ পিছতো সঠিক প্লেটফৰ্মৰ অভাৱত তেওঁলোকে নিজকে বিকাশ কৰিব নোৱাৰি থমকি ৰ'ব লগা হৈছিল। কিন্তু আজিৰ দিনত মোবাইল ফোন আৰু ছচিয়েল মিডিয়াৰ জৰিয়তে সংগীত, কলা, সাহিত্য, অভিনয় বা আলোকচিত্ৰশিল্প আদি ক্ষেত্ৰৰ লগত জড়িত সকলে নিজৰ সৃষ্টিশীলতাক বিশ্ববাসীৰ সন্মুখত প্ৰতিভাত কৰি তুলিবলৈ সক্ষম হৈছে, যিয়ে বহু ক্ষেত্ৰত নতুন কেৰিয়াৰ গঢ়াতো সহায় কৰিছে।

যোগাযোগ আৰু তৎকালিন তথ্য লাভৰ ক্ষেত্ৰতো মোবাইল ফোনৰ অৱদান অনন্য। ইয়াৰ জৰিয়তে বন্ধু-বান্ধৱী, শিক্ষক আৰু দূৰৈৰ পৰিয়ালৰ সৈতে মুহূৰ্তৰ ভিতৰতে যোগাযোগ কৰাটো সম্ভৱ হোৱাৰ লগতে দেশ-বিদেশৰ শেহতীয়া খবৰ-বাতৰি বা গুৰুত্বপূৰ্ণ তথ্য চেকেণ্ডৰ ভিতৰতে লাভ কৰিব পাৰি। ফলস্বৰূপে যুৱসমাজে সমাজৰ সৈতে খোজ মিলাই নিজক আপডেট কৰি ৰাখিব পাৰে। তদুপৰি, নতুন ভাষা শিকা, কম্পিউটাৰ কোডিং কৰা, ফটো বা ভিডিঅ' এডিটিং কৰা আদি বিভিন্ন ধৰণৰ কাৰিকৰী আৰু সৃষ্টিশীল দক্ষতা নৱপ্ৰজন্মই মোবাইলৰ জৰিয়তে ঘৰতে বহি শিকিব পাৰে, যিয়ে তেওঁলোকক ভৱিষ্যতৰ প্ৰতিযোগিতামূলক পৃথিৱীখনৰ বাবে সাজু কৰি তোলে।

প্ৰতিটো মুদ্ৰাৰে যেনেকৈ দুটা পিঠি থাকে, ঠিক তেনেকৈ মোবাইলৰো ইতিবাচক আৰু নেতিবাচক দুটা দিশ দেখিবলৈ পোৱা যায়। অতিমাত্ৰা মোবাইল নিৰ্ভৰশীলতাই নৱপ্ৰজন্মৰ বিস্তৰ ক্ষতিসাধন কৰা দেখা গৈছে। বৰ্তমান সময়ত মোবাইল আসক্তি আৰু 'নোমোফোভিয়া' (No Mobile Phone Phobia) এক ভয়াৱহ মানসিক সমস্যা হৈ পৰিছে। সামাজিক মাধ্যমসমূহৰ বিশেষ আকৰ্ষণৰ বাবে নৱপ্ৰজন্মই বাৰে বাৰে স্ক্ৰীণখন স্ক্ৰ'ল কৰি লাইক, কমেণ্ট আৰু চুটি চুটি ভিডিঅ' বা ৰিলচৰ মায়াজালত আৱদ্ধ হৈ নিজৰ অমূল্য সময় নষ্ট কৰিছে। আনকি মোবাইল ফোনটো চকুৰ আঁতৰ হ'লে তেওঁলোক এক অজ্ঞাত মানসিক ভয়ত ভোগা দেখা যায়। ইয়াৰ প্ৰভাৱ কেৱল মানসিক সমস্যাৰ মাজতে সীমাবদ্ধ থকা নাই; ঘণ্টাৰ পিছত ঘণ্টা ধৰি মোবাইলৰ স্ক্ৰীণলৈ চাই থকাৰ ফলত দৃষ্টিশক্তি হ্ৰাস পোৱা, নিশা টোপনি নহা, মূৰৰ বিষ, ডিঙি আৰু পিঠিৰ বিষ আদি শাৰীৰিক সমস্যাই দেখা দিছে। খেলপথাৰৰ শাৰীৰিক পৰিশ্ৰমৰ পৰা আঁতৰি কেৱল মোবাইলতে ব্যস্ত থাকোঁতে নৱপ্ৰজন্মৰ মাজত মেদবহুলতা আৰু এলেহুৱা ভাব বৃদ্ধি পাইছে।

মানসিক অৱসাদ আৰু একাকিত্ব বৰ্তমান সময়ৰ আন এক ডাঙৰ প্ৰত্যাহ্বান। ছচিয়েল মিডিয়াত মানুহে শ্বেয়াৰ কৰা সুখৰ আৰু চমকপ্ৰদ মুহূৰ্তবোৰক প্ৰকৃত সত্য বুলি ভাবি নৱপ্ৰজন্মই নিজৰ সাধাৰণ জীৱনটোক আনৰ সৈতে তুলনা কৰিবলৈ লয়। যেতিয়া তেওঁলোকে নিজকে আনতকৈ পিছপৰা দেখে, তেতিয়া মনলৈ হীনমন্যতা আহে। ফলস্বৰূপে ভাৰ্চুৱেল পৃথিৱীখনত হাজাৰ বন্ধু থাকিলেও বাস্তৱ জীৱনত তেওঁলোক দিনক দিনে অকলশৰীয়া হৈ পৰে আৰু গভীৰ অৱসাদত ভোগে। শৈক্ষিক দিশতো ইয়াৰ বিৰূপ প্ৰভাৱ স্পষ্ট; পঢ়া টেবুলত বাৰে বাৰে অহা নোটিফিকেচনে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ ভংগ কৰে, যাৰ ফলত গভীৰ অধ্যয়নৰ অভ্যাস গঢ়ি উঠাত বাধা আহে। ইয়াৰোপৰি, অপৈণত বয়সতে ইণ্টাৰনেটৰ মুকলি পৃথিৱীখনলৈ অহাৰ ফলত বহুতো অনলাইন ব্লেকমেইলিং, প্ৰৱঞ্চনা আৰু অপ্ৰাসংগিক বা অশ্লীল সমলৰ চিকাৰ হ'বলগীয়া হয়, যিয়ে তেওঁলোকৰ ভৱিষ্যত জীৱন বিপন্ন কৰি তুলিব পাৰে।


নৱপ্ৰজন্মক মোবাইল ফোনৰ এই কালচক্ৰৰ পৰা ৰক্ষা কৰিবলৈ হ'লে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব অভিভাৱকসকলে। কেৱল গালি-গালাজ কৰি বা জোৰকৈ ফোনটো কাঢ়ি লৈ এই সমস্যাৰ স্থায়ী সমাধান কৰিব নোৱাৰি, ইয়াৰ বাবে এক সুপৰিকল্পিত আৰু সহানুভূতিশীল দৃষ্টিভংগীৰ প্ৰয়োজন। যিহেতু শিশু বা কিশোৰ-কিশোৰীসকলে উপদেশতকৈ চকুৰে দেখা কামবোৰ বেছি সোনকালে শিকে, গতিকে প্ৰথমতে অভিভাৱকে নিজে ঘৰত সন্তানৰ সন্মুখত মোবাইলৰ ব্যৱহাৰ সীমিত কৰি নিজকে এক আদৰ্শ আৰ্হি হিচাপে ডাঙি ধৰিব লাগিব। পৰিয়ালৰ সৈতে সময় কটাওঁতে মোবাইল ফোন দূৰত ৰখা উচিত। সন্তানৰ সৈতে মুক্ত মনেৰে কথা পাতি তেওঁলোকে ইণ্টাৰনেটত কি চাই আছে বা কাৰ লগত সম্পৰ্ক ৰাখিছে, সেই বিষয়ে বন্ধুত্বপূৰ্ণভাৱে বুজ ল'ব লাগে আৰু ইণ্টাৰনেটৰ ভাল-বেয়া দিশসমূহৰ বিষয়ে সজাগ কৰা উচিত।

এক সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ দিনটোত সন্তানে কিমান সময় মোবাইল ব্যৱহাৰ কৰিব, তাৰ এখন নিয়মানুবৰ্তী সময়সূচী থকাটো প্ৰয়োজন। বিশেষকৈ পঢ়াৰ সময়ত আৰু নিশা শুবলৈ যোৱাৰ অন্ততঃ এক ঘণ্টা পূৰ্বে মোবাইল ফোন ব্যৱহাৰ সম্পূৰ্ণ নিষিদ্ধ কৰিব লাগে। সন্তানক মোবাইলৰ পৰা আঁতৰাই ৰাখিবলৈ হ'লে তেওঁলোকক অন্য কোনো আনন্দদায়ক আৰু সৃষ্টিশীল কামত নিয়োজিত কৰিব লাগিব। তেওঁলোকক সাধুকথা বা জ্ঞানবৰ্ধক কিতাপ পঢ়াৰ অভ্যাস গঢ়া, চিত্ৰাংকন, সংগীত, ফুলনি বাৰীৰ যত্ন লোৱা, বা আবেলি সময়ত খেলপথাৰলৈ গৈ শাৰীৰিক খেল-ধূলা কৰিবলৈ উৎসাহিত কৰা উচিত। যেতিয়া সন্তানে বাস্তৱ পৃথিৱীখনত আনন্দ বিচাৰি পাব, তেতিয়া স্বাভাৱিকতে মোবাইলৰ প্ৰতি থকা নিচা কমি আহিব। কম বয়সীয়া ল'ৰা-ছোৱালীৰ সুৰক্ষাৰ বাবে অভিভাৱকে মোবাইলত 'পেৰেণ্টেল কণ্ট্ৰ'ল' এপ ব্যৱহাৰ কৰিব পাৰে, যাৰ দ্বাৰা ক্ষতিকাৰক ৱেবচাইট বা বয়সৰ অনুপযোগী সমলসমূহ ব্লক কৰি ৰাখিব পৰা যায়।

সামৰণিত ক'ব পাৰি যে মোবাইল ফোন বিজ্ঞানৰ এক মহান আশীৰ্বাদ, ই অভিশাপ নহয়। ইয়াৰ অপকাৰিতা সম্পূৰ্ণৰূপে ইয়াৰ ব্যৱহাৰকাৰীৰ মানসিকতা আৰু নিয়ন্ত্ৰণৰ ওপৰতহে নিৰ্ভৰ কৰে। নৱপ্ৰজন্মক মোবাইল ফোনৰ পৰা সম্পূৰ্ণ আঁতৰাই ৰখাটো বৰ্তমান ডিজিটেল যুগত সম্ভৱো নহয় আৰু যুগোপযোগীও নহয়; প্ৰয়োজন হৈছে কেৱল ইয়াৰ নিয়ন্ত্ৰিত, সচেতন আৰু সঠিক ব্যৱহাৰৰ। যুৱসমাজে যেতিয়া বুজি উঠিব যে মোবাইল ফোনটো জীৱনটো পৰিচালনা কৰাৰ এটা সৰু আহিলাহে, সমগ্ৰ জীৱনটো নহয়, তেতিয়াহে প্ৰযুক্তিৰ প্ৰকৃত সুফল লাভ কৰিব পৰা যাব। এই ক্ষেত্ৰত পৰিয়ালৰ সজাগতা, শিক্ষানুষ্ঠানৰ সঠিক নিৰ্দেশনা আৰু সমাজৰ সন্মিলিত প্ৰচেষ্টাই আমাৰ নৱপ্ৰজন্মক মোবাইলৰ মায়াজালৰ পৰা মুক্ত কৰি এক সুস্থ, সবল আৰু প্ৰতিভাশালী ভৱিষ্যতৰ দিশে আগুৱাই লৈ যাব পাৰিব।

# ডিজিটেল বিজ্ঞাপনৰ বিপথগামীতা

আজিকালি ডিজিটেল মাধ্যমৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগে লগে ইউটিউবাৰ আৰু ইনফ্লুৱেঞ্চাৰসকলৰ প্ৰভাৱ সমাজত গভীৰভাৱে পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত আটাইতকৈ চৰ্চিত আৰু বিতৰ্কিত বিষয়টো হৈছে ইউটিউবাৰসকলৰ দ্বাৰা অনলাইন গেম, বিশেষকৈ জুৱা খেলা বা আৰ্থিক বিপদাশংকা থকা এপ্লিকেচনসমূহৰ প্ৰমচন বা বিজ্ঞাপন। বহু জনপ্ৰিয় কণ্টেণ্ট ক্ৰিয়েটৰে বুজন পৰিমাণৰ ধনৰ বিনিময়ত নিজৰ লাখ লাখ অনুগামীৰ সন্মুখত এই গেমসমূহ খেলি কেনেকৈ অতি সহজে আৰু ৰাতিটোৰ ভিতৰতে ধনী হ'ব পাৰি, তাৰ এক ভুৱা ছবি ডাঙি ধৰে। সকলো বাৰু ভুৱা নহব পাৰে কিন্তু অধিকাংশই ভুৱা হয়, ইয়াৰ ফলত আটাইতকৈ বেছি প্ৰভাৱিত হৈছে মেৰুদণ্ডস্বৰূপ যুৱ প্ৰজন্ম আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকল। অতি সহজে পইচা উপাৰ্জন কৰাৰ আশাত তেওঁলোকে নিজৰ পঢ়া-শুনাৰ খৰচ বা ঘৰৰ পইচা এইবোৰত লগাই সৰ্বস্বান্ত হয় আৰু পৰৱৰ্তী সময়ত তীব্ৰ মানসিক অৱসাদ বা দেউলীয়া পৰিস্থিতিৰ মুখত পৰে।




এগৰাকী ইনফ্লুৱেঞ্চাৰৰ সমাজৰ প্ৰতি এক সুকীয়া নৈতিক দায়িত্ব থাকে। মাত্ৰ ব্যক্তিগত লাভালাভ বা কেইটামান টকাৰ বিজ্ঞাপনৰ বাবে দৰ্শকক বিপথে পৰিচালিত কৰাটো কোনো কাৰণতে সমৰ্থনযোগ্য নহয়। বহুক্ষেত্ৰত দেখা যায় যে ইউটিউবাৰে নিজে সেই গেমটো খেলি লোকচান ভৰিব নালাগে, কাৰণ কোম্পানীয়ে তেওঁলোকক উপহাৰ বা প্ৰচাৰৰ বাবেহে ধন দিয়ে, কিন্তু তেওঁলোকৰ কথাত ভোল গৈ সাধাৰণ দৰ্শক প্ৰতাৰিত হয়। চৰকাৰীভাৱে এনে বিজ্ঞাপনৰ ক্ষেত্ৰত কিছুমান নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে যদিও বাস্তৱ ক্ষেত্ৰত ইউটিউবাৰ বা কোম্পানীসমূহে কোনো স্পষ্ট সতৰ্কবাণী নিদিয়ে। চৰকাৰী নিয়ম অনুসৰি এনে গেমৰ বিজ্ঞাপনত "আৰ্থিক লোকচান আৰু নিচা লাগিব পাৰে" বুলি সজাগ কৰাটো বাধ্যতামূলক যদিও তেওঁলোকে তাক আওকাণ কৰে। লাভৰ বাবে তেওঁলোকে মুখেৰে খেলখনৰ বিপদৰ কথা নকয় আৰু যদি কেতিয়াবা সতৰ্কবাণী দিয়েও, তাক ভিডিঅ'ৰ চুকত ইমান সৰুকৈ লিখি দিয়ে যে কাৰো চকুত নপৰে। তেওঁলোকে কেৱল কেনেকৈ জিকিব পাৰি তাৰে ভুৱা চমক দেখুৱাই দৰ্শকক অন্ধকাৰত ৰাখে। কোনো জবাবদিহিতা নোহোৱাকৈ মুকলিকৈ চলি থকা এনে প্ৰচাৰে যুৱ সমাজক অধিক বিপদৰ পিনে ঠেলি দিছে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, ইউটিউব সৃষ্টিশীলতা আৰু জ্ঞান চৰ্চাৰ এক সুন্দৰ মঞ্চ হোৱা উচিত। বিজ্ঞাপন বা প্ৰমচন কৰাটো ক্ৰিয়েটৰসকলৰ উপাৰ্জনৰ উৎস হ'ব পাৰে, কিন্তু তাৰ মাজতো এক নৈতিক সীমাৰেখা থকাটো জৰুৰী। যি কথাই যুৱ সমাজক অন্ধকাৰলৈ ঠেলি দিয়ে, তেনে অনলাইন গেমৰ প্ৰমচনৰ পৰা ইউটিউবাৰসকল আঁতৰি থকাটোৱেই মংগলজনক আৰু একে সময়তে দৰ্শক হিচাপে নিজেও এনেকুৱা প্ৰলোভনধৰ্মী বিজ্ঞাপনৰ পৰা সজাগ আৰু সচেতন হৈ থকাটো অত্যন্ত প্ৰয়োজনীয়।

*কুণ্ডিল হাজৰিকা*

# মাতৃভাষাত চৰকাৰী সেৱা ভাষাৰ প্ৰাচীৰ ভাঙি 'ভাষিনী'

**স্বৰাজ ফুকন**

ভাষা মানুহৰ মনৰ ভাব প্ৰকাশ কৰাৰ আটাইতকৈ শক্তিশালী আৰু পৱিত্ৰ মাধ্যম। অৱশ্যে বিগত কেইটামান দশকত প্ৰযুক্তিৰ তীব্ৰ উত্থানৰ সময়ছোৱাত ভাষাই বহু ক্ষেত্ৰত প্ৰাচীৰ হৈও থিয় দিছে। বিশেষকৈ গোলকীকৰণ আৰু ডিজিটেল বিপ্লৱৰ প্ৰথম পৰ্যায়ত ইংৰাজী বা একাংশ নিৰ্বাচিত ভাষাৰ একচেটিয়া আধিপত্যৰ বাবে ভাৰতবৰ্ষৰ দৰে বহুভাষী দেশৰ গ্ৰাম্য বা আঞ্চলিক ভাষাভাষী লোকসকল প্ৰযুক্তিৰ মূল সুঁতিৰ পৰা বঞ্চিত হৈ ৰৈছিল। অসমৰ দৰে চহকী সাংস্কৃতিক আৰু ভাষিক বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য এখনৰ বাবে এই প্ৰত্যাহ্বান আছিল আৰু অধিক গভীৰ। এইপ্ৰসংগত ইতিবাচক খবৰটো হ'ল বৰ্তমানৰ তথ্য প্ৰযুক্তিৰ যুগান্তকাৰী ধাৰাই এই ভাষিক প্ৰাচীৰ ভাঙি নতুন সম্ভাৱনাৰ দ্বাৰ মুকলি কৰিছে। শেহতীয়াকৈ অসম চৰকাৰে ডিজিটেল প্ৰযুক্তিৰ এই ব্যৱধান দূৰ কৰিবলৈ আৰু প্ৰশাসনিক ব্যৱস্থাটোক জনসাধাৰণৰ একেবাৰে ওচৰ চপাই নিবলৈ এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে।




ভাৰত চৰকাৰৰ ইলেক্ট্ৰ'নিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ (MeitY) অধীনস্থ 'ডিজিটেল ইণ্ডিয়া ভাষিনী ডিভিজন' (DIBD) আৰু 'অসম ইন'ভেশ্যন এণ্ড ষ্টাৰ্টআপ ফাউণ্ডেশ্যন' (AISF)ৰ মাজত সম্পন্ন হোৱা ঐতিহাসিক বুজাবুজিৰ চুক্তিয়ে অসমৰ প্ৰযুক্তি আৰু প্ৰশাসনৰ ক্ষেত্ৰখনত নতুন যুগৰ সূচনা কৰিছে। এই অংশীদাৰিত্বৰ মূল লক্ষ্য হৈছে ভাষা প্ৰযুক্তি, জেনৰেটিভ আৰ্টিফিচিয়েল ইণ্টেলিজেন্স (Generative AI) আৰু বহুভাষিক ডিজিটেল সমাধানৰ ব্যাপক প্ৰসাৰ ঘটোৱা। বিশেষকৈ অসমীয়া ভাষাৰ লগতে ৰাজ্যখনৰ অন্যান্য জনজাতীয় ভাষা আৰু আঞ্চলিক উপভাষাসমূহক ডিজিটেল জগতত প্ৰতিষ্ঠা কৰাৰ বাবে এয়া সুদূৰপ্ৰসাৰী আঁচনি। এই সমগ্ৰ প্ৰক্ৰিয়াৰ কেন্দ্ৰবিন্দু হৈছে ডিজিটেল অন্তৰ্ভুক্তিকৰণ আৰু থলুৱা উদ্যমিতাক নতুন গতি প্ৰদান কৰা। এই প্ৰক্ৰিয়াৰ জৰিয়তে সাধাৰণ নাগৰিকে নিজৰ মাতৃভাষাতে চৰকাৰী সেৱা আৰু আধুনিক প্ৰযুক্তিৰ সুবিধা লাভ কৰিব পাৰিব।

এই পদক্ষেপৰ গভীৰতালৈ লক্ষ্য কৰিলে 'ভাষিনী'ক (BHASHINI) প্ৰযুক্তিগত জাতীয় ডিজিটেল আন্তঃগাঁথনি হিচাপে অভিহিত কৰিব পাৰি। পৰিসংখ্যা অনুসৰি 'ভাষিনী'য়ে সমগ্ৰ দেশজুৰি ৮০০ ৰো অধিক চৰকাৰী ৱেবছাইট সক্ৰিয়ভাৱে পৰিচালনা কৰি আছে আৰু প্ৰতিদিনে ১৫ নিযুতকৈও অধিক এআই ইনফাৰেন্স (AI Inferences) সফলতাৰে সম্পন্ন কৰিছে। ইয়াতকৈও গুৰুত্বপূৰ্ণ কথাটো হ'ল এই প্লেটফৰ্মে ইতিমধ্যে ৩৬টা ভাৰতীয় পাঠ্য ভাষা (Text Languages), ২৩টা ভাৰতীয় কণ্ঠ ভাষা (Voice Languages) আৰু ৩৫টা আন্তঃৰাষ্ট্ৰীয় ভাষা সমৰ্থন কৰে (উৎসঃ ডিজিটেল ইণ্ডিয়া ভাষিনী ডিভিজন, ২০২৬)। এই বিশাল তথ্য আৰু কাৰ্যক্ষমতাৰ সদ্ব্যৱহাৰ কৰি অসমে শাসন ব্যৱস্থাক সলনি কৰাৰ লক্ষ্য স্থিৰ কৰিছে। ইয়াৰ ফলত প্ৰশাসনৰ প্ৰতিটো স্তৰতে স্বচ্ছতা আৰু সৰলতা বৃদ্ধি পাব। প্ৰযুক্তিৰ এই নতুন ঢৌৱে অসমৰ শিক্ষা, জনস্বাস্থ্য, ৰাজহুৱা সেৱা আৰু ডিজিটেল বাণিজ্যৰ দৰে অতি গুৰুত্বপূৰ্ণ খণ্ডসমূহক নতুন মাত্ৰা প্ৰদান কৰিব। 'ভাষিনী ৰাজ্যম' আঁচনিৰ অধীনত চৰকাৰী প্লেটফৰ্মসমূহত এআই-চালিত অনুবাদ সেৱা সংলগ্ন কৰা হ'ব। এই ব্যৱস্থাৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ কৃষক বা মহিলাই চৰকাৰী আঁচনিৰ সকলো তথ্য নিজৰ ভাষাতে সহজতে বুজি পাবলৈ সক্ষম হ'ব। প্ৰযুক্তিৰ সুবিধা ল'বলৈ ইংৰাজী বা আন কোনো ভাষা শিকাৰ বাধ্যবাধকতা নাথাকিব। ইয়াৰ দ্বাৰা ই-গভৰ্নেন্স বা ডিজিটেল শাসন ব্যৱস্থা কেৱল চহৰীয়া শিক্ষিত সমাজৰ মাজতে আৱদ্ধ হৈ নাথাকিব। ই সমাজৰ অন্তিমজন ব্যক্তিলৈকে প্ৰসাৰিত হ'ব আৰু এয়াই প্ৰকৃততে গণতন্ত্ৰৰ সফলতা।

বিষয় প্ৰসংগত আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল এই উদ্যোগে অসমৰ ক্ৰমবৰ্ধমান ষ্টাৰ্টআপ আৰু উদ্ভাৱনী তন্ত্ৰলৈ (Startup Ecosystem) নতুন জোৱাৰ আনি থলুৱা যুৱ-প্ৰজন্মৰ বাবে সম্ভাৱনাৰ সোণালী দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। অসম ইন'ভেশ্যন এণ্ড ষ্টাৰ্টআপ ফাউণ্ডেশ্যনৰ জৰিয়তে স্থানীয় যুৱ উদ্যমী, গৱেষক আৰু শিক্ষানুষ্ঠানসমূহক ভাষিনীৰ বিশাল ভাষা প্ৰযুক্তি ব্যৱহাৰ কৰাৰ সুযোগ প্ৰদান কৰা হ'ব। ইয়াৰ ফলত স্থানীয় যুৱক-যুৱতীসকলে অসমৰ ভৌগোলিক আৰু সামাজিক প্ৰেক্ষাপটৰ সৈতে খাপ খোৱাকৈ নতুন এআই এপ্লিকেশ্যনসমূহ বিকশিত কৰিব পাৰিব। ডিজিটেল বাণিজ্য বা ই-কমাৰ্চৰ ক্ষেত্ৰত থলুৱা শিপিনী তথা ক্ষুদ্ৰ ব্যৱসায়ীসকলে নিজৰ আঞ্চলিক ভাষাতেই সমগ্ৰ দেশ আৰু বিশ্বৰ বজাৰৰ সৈতে সংযোগ স্থাপন কৰিব পাৰিব। এই ব্যৱস্থাই গ্ৰাম্য অৰ্থনীতিলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিব বুলি নিশ্চিতভাৱে আশা কৰিব পাৰি।

অৱশ্যে যিকোনো এআই বা মেচিন লাৰ্নিং মডেলৰ সফলতা নিৰ্ভৰ কৰে ইয়াৰ বাবে প্ৰয়োজনীয় ডাটাচেটৰ (Dataset) গুণগত মান আৰু পৰিমাণৰ ওপৰত। অসমীয়া ভাষা আৰু ইয়াৰ উপভাষাসমূহৰ লিখিত আৰু মৌখিক তথ্যৰ ভঁৰাল ডিজিটেল জগতত এতিয়াও যথেষ্ট সীমিত। এই প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে এই চুক্তিত 'ভাষা দান' (Bhashadaan) কাৰ্যসূচীক বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে। ইয়াৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ পৰা ভাষিক তথ্য সংগ্ৰহ, বাছনি আৰু সংৰক্ষণ কৰা হ'ব। স্থানীয় উপভাষা আৰু ব্যৱহাৰকাৰীৰ সঁহাৰি (User Feedback) মেচিন লাৰ্নিং ব্যৱস্থাত অন্তৰ্ভুক্ত কৰাৰ ফলত এআই মডেলসমূহ অধিক নিখুঁত আৰু প্ৰাসংগিক হৈ উঠিব। প্ৰযুক্তিগত উত্তৰণৰ সমান্তৰালভাৱে এয়া অসমৰ বিলুপ্তপ্ৰায় উপভাষাসমূহক ডিজিটেল ৰূপত চিৰকাললৈ সুৰক্ষিত কৰাৰ যুগান্তকাৰী পদক্ষেপ। ভাষা যাতে কেতিয়াও দেশ তথা অসমৰ ডিজিটেল ৰূপান্তৰৰ যাত্ৰাত অন্তৰায় হ'ব নোৱাৰে সেই সপোন এতিয়া বাস্তৱায়িত হোৱাৰ দিশে। প্ৰযুক্তিয়ে যেতিয়া মাটিৰ মানুহৰ নিজৰ ভাষাত কথা ক'বলৈ আৰম্ভ কৰিব তেতিয়াহে প্ৰকৃত অৰ্থত উন্নয়নৰ সুফল প্ৰতিজন নাগৰিকে সমভাৱে লাভ কৰিব। ভাষিনী আৰু অসম চৰকাৰৰ এই যুগলবন্দীয়ে অনাগত দিনত অসমক সমগ্ৰ দেশৰ ভিতৰতে ভাষা প্ৰযুক্তি আৰু এআই উদ্ভাৱনৰ অগ্ৰণী কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বুলি আমি দৃঢ়ভাৱে আশাবাদী।

*লেখক- প্ৰবক্তা, ডায়েট, ডিব্ৰুগড়*

## মাকুম গংগাবাৰীত নিশা পাঁচজনক আটক

**অসম বাৰ্তা, মাকুম, ১ জুলাই ঃ** মাকুম গঙ্গাবাৰী অঞ্চলত নিশা আৰক্ষীয়ে অভিযান চলাই পাঁচজন যুৱকক আটক কৰে। যুৱক কেইজনৰ পৰিয়াল বৰ্গৰ ভাষ্য অনুসৰি নিশা আৰক্ষী এটা দলে বাস গৃহ সমূহৰ পৰা পাঁচ জনক আটক কৰে। আটকাধীন যুৱক কেইজন ক্ৰমে থমাছ ওৰাং (২৪), জোনাচ ওৰাং (১৯), অজিত তাঁতী (২৭), মিখেল ওৰাং (৩৩) আৰু বিযুও নায়ক (২৩)। আৰক্ষীয়ে যুৱক কেইজন কি কাৰণত আটক কৰিছে, সেই বিষয়ে জানিবলৈ পৰা হোৱা নাই যদিও যোৱা ইংৰাজী ১৪ জুন তাৰিখে নিশা গংগাবাৰীস্থিত উৰ্বাণ টেষ্টী ৰেষ্টুৰেণ্ট খনৰ স্বত্বাধিকাৰ ইমৰান ছিদ্দিকীৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সময়ত মাকুম আৰক্ষীক কেইজনমান যুৱকে শিলগুটি নিক্ষেপ কৰি গুৰুতৰ ভাৱে আঘাত কৰিছিল, সেই শিলগুটি নিক্ষেপ কৰাৰ বিষয়টোলৈ হয়টো যুৱক কেইজনক আৰক্ষীয়ে আটক কৰা বুলি সন্দেহ প্ৰকাশ কৰিছে একাংশই। যুৱক কেইজনৰ আটক কৰা প্ৰকৃত কাৰণ আৰু ঘটনাৰ সবিশেষ আৰক্ষীৰ আনুষ্ঠানিকতা কৰাৰ পাছতহে স্পষ্ট হ'ব। ইপিনে নিশা এনেদৰে যুৱক কেইজনক আটক কৰাকলৈ তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

# গোসাঁইগাঁৱৰ গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথৰ বিধ্বস্ত পথৰ বাবে ব্যাহত যান-বাহন চলাচল

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১ জুলাই ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত সংযোগী গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথটো বিগত প্ৰায় দহ বছৰ ধৰি জৰাজীৰ্ণ অৱস্থাত পৰি থকাৰ ফলত অঞ্চলটোৰ ৰাইজে চূড়ান্ত দুৰ্ভোগ ভুগিবলগীয়া হৈছে। অঞ্চলটোৰ হাজাৰ হাজাৰ লোকে দৈনন্দিন যাতায়তৰ বাবে ব্যৱহাৰ কৰা এই পথটোৰ বেয়া অৱস্থাই এতিয়া স্থানীয় বাসিন্দাসকলৰ বাবে এক গুৰুতৰ সমস্যাৰ ৰূপ লৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, দীৰ্ঘদিন ধৰি পথটোৰ কোনো ধৰণৰ মেৰামতি বা সংস্কাৰ কাৰ্য সম্পন্ন কৰা হোৱা নাই। ফলত পথটোৰ বিভিন্ন স্থানত সৰু-ডাঙৰ অসংখ্য গাঁত সৃষ্টি হোৱাৰ লগতে বৰ্ষাৰ সময়ত সেই গাঁতসমূহত পানী জমা হৈ বহু ঠাইত পুখুৰীৰ দৰে অৱস্থাৰ সৃষ্টি হয়। এনে পৰিস্থিতিত পথটোৰে যাতায়ত কৰা বাহনসমূহে প্ৰায়ে দুৰ্ঘটনাৰ সন্মুখীন হ'ব লগা হয়। বিশেষকৈ বৰষুণৰ দিনত পথটোৰে বাইক, চাৰিচকীয়া বাহন তথা যাত্ৰীবাহী গাড়ী চলাচল অতি বিপদজনক হৈ পৰে। বহু সময়ত বাহনসমূহ গাঁতত আবদ্ধ হৈ পৰে বা নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাৰ সন্মুখীন হোৱাৰ ঘটনাও সংঘটিত হৈছে বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। ইয়াৰ উপৰিও জৰাজীৰ্ণ পথটোৰ বাবে অঞ্চলটোলৈ এম্বুলেন্সসহ জৰুৰীকালীন স্বাস্থ্যসেৱা বাহন চলাচলতো যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। অসুস্থ ৰোগীক চিকিৎসালয়লৈ নিবলৈ বহু সময়ত পৰিয়ালৰ লোকে চৰম সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। আনহাতে, বিদ্যালয় আৰু মহাবিদ্যালয়লৈ অহা-যোৱা কৰা শিক্ষাৰ্থীসকলেও প্ৰতিদিনে বিপদসংকুল পৰিস্থিতিৰ মাজেৰে যাতায়ত কৰিবলগীয়া হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰে যে চৰকাৰে উন্নয়নৰ বিভিন্ন দাবী উত্থাপন কৰি আহিলেও বাস্তৱ ক্ষেত্ৰত এই গুৰুত্বপূৰ্ণ পথটোৰ অৱস্থাই উন্নয়নৰ সেই দাবীক প্ৰশ্নৰ সন্মুখীন কৰিছে। অঞ্চলবাসীয়ে বহু বাৰ সংশ্লিষ্ট বিভাগ আৰু জনপ্ৰতিনিধিৰ ওচৰত পথটোৰ সংস্কাৰৰ দাবী জনাই আহিছে যদিও এতিয়ালৈ কোনো স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ফলত স্থানীয় ৰাইজে অতি শীঘ্ৰে পথটোৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ আৰু সংশ্লিষ্ট বিভাগক জোৰ দাবী জনাইছে। অন্যথা যিকোনো সময়তে এই পথত এক ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে অঞ্চলবাসীয়ে।

### ছাত্ৰ-ছাত্ৰীৰ লগতে দুই আমন্ত্ৰিত শিল্পীৰ মনোজ্ঞ সংগীতানুষ্ঠানে আপ্লুত কৰিলে দৰ্শকক

# গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণী সভা আৰু সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

### ১৯ কৃতীমান ছাত্ৰ আৰু এগৰাকী কৃতীমান প্ৰাক্তন ছাত্ৰীক বিশেষ সম্বৰ্ধনা

**অসম বাৰ্তা, ভূৰাগাঁও, ১ জুলাই ঃ** মৰিগাঁও জিলাৰ অন্যতম শিক্ষানুষ্ঠান গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱাগতা আদৰণী সভা আৰু অভিনন্দন অনুষ্ঠানৰ বৰ্ণিল কাৰ্যসূচীৰ মঙ্গলবাৰে নিশা সফল সামৰণী পৰে। কাৰ্যসূচী অনুসৰি মঙ্গলবাৰে পুৱা ১০ বজাত বন্তি প্ৰজ্বলন কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ৰাজেন্দ্ৰ বৰদলৈয়ে। পুৱা ১০-৩০ বজাত আদৰণী ভাষণ ৰাখে বিদ্যালয় খনৰ অধ্যক্ষ বাবুল বৰাই। আদৰণী ভাষণৰ পাছতে বিদ্যালয়ৰ শিক্ষক গোটে বিদ্যালয়ৰ নিজা সংগীত পৰিবেশন কৰি নৱাগতা সকলক উষ্ম আদৰণী জনাই। ইফালে একাদশ মানৰ ছাত্ৰ-ছাত্ৰী সকলক একোটা কলমেৰে আদৰণী জনাই দ্বাদস মানৰ ছাত্ৰ ছাত্ৰী সকলে। পুৱা ১১-৩০ বজাত অনুষ্ঠিত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিছাবে উপস্থিত থাকে তিৱা স্বায়ত্ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ লগতে নিমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকে অৱসৰ প্ৰাপ্ত শিক্ষক কৃষ্ণ শইকীয়া, বুধেন্দ্ৰ নাথ ডেকা, গন্ধৰ্ব্ব কোঁৱৰ, প্ৰভাত গোস্বামী, মৰিগাঁও জিলা আছুৰ উপদেষ্টা অংকুৰ ডেকাকে প্ৰমোখ্য কৰি বহু কেইজন অতিথি। বাবুল বৰাই আঁট ধৰা অনুষ্ঠানটিত জীৱন কোঁৱৰে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি উপদেশ আৰু প্ৰেৰণা মুলক বক্তব্য ৰাখে। এই অনুষ্ঠানতে বিদ্যালয় খনত অধ্যয়ন কৰি যোৱা বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত চমক পদ সাফল্য দেখুৱাবলৈ সক্ষম হোৱা ১৯ গৰাকী কৃতীমান ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিক ভাৱে মান পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। এই ১৯জন কিৰ্তীমান ছাত্ৰ-ছাত্ৰীৰ লগতে কংকনা শইকীয়া নামৰ এগৰাকী প্ৰাক্তন কৃতীমান ছাত্ৰীৰ বিশেষ সফলতাৰ বাবে শিক্ষক গোটে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে কংকনা শইকীয়াই গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়তে অধ্যয়ন কৰি তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা জীৱ বিজ্ঞান বিভাগত স্নাতকোত্তৰ পৰীক্ষাত উত্তিৰ্ন হৈ ৰাষ্ট্ৰীয় ভিত্তিত GATE - XL পৰীক্ষাত ভাৰতবৰ্ষৰ অন্যতম উচ্চ শিক্ষা প্ৰতিষ্ঠান গুৱাহাটী আই আই টিৰ Bioscience and Bioengineering Departmet ত পি এইছ ডি ডিগ্ৰী অধ্যয়নৰ বাবে এইবেলি Fellowship পাবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানৰ অন্তত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে বড়ো, তিৱা আদি জনগোষ্ঠীয় নৃত্যৰ লগতে জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত আদিত এটি মনোজ্ঞ নৃত্যানুষ্ঠান পৰিবেশন কৰাৰ সমান্তৰালকৈ প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী সকলে গীতৰ শৰাই আগবঢ়াই। আবেলি ৫ বজাৰ পৰা অনুষ্ঠিত হয় আমন্ত্ৰিত শিল্পীৰ সংগীতানুষ্ঠান। এই অনুষ্ঠানত সন্মানীয় আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে সৰ্বশিক্ষা মৰিগাঁও জিলা আঁচনি বিষয়া (আই ই) লক্ষ্মীনন্দন শইকীয়া, দক্ষতা বিকাশৰ ছেবাৰ সমন্বয়ক ৰাজেন গোস্বামী আৰু ভূৰাগাঁও ৰাজহ চক্ৰ বিষয়া মৃদুল কুমাৰ নাথ। সংগীতানুষ্ঠান টিত গীত পৰিবেশন কৰে জনপ্ৰিয় কণ্ঠশিল্পী বাপুজী কোঁৱৰ আৰু কাৰ্বিআংলঙৰ দৈত্য কণ্ঠৰ শিল্পী চ'মখৰ বসুমতাৰীয়ে। দুই শিল্পীৰ আকৰ্শনীয় পৰিবেশনে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে স্থানীয় দৰ্শক সকলক মন্ত্ৰ মুগ্ধ কৰি ৰাখিবলৈ সক্ষম হয়। এনেদৰেই মঙ্গলবাৰে নিশাভাগলৈ সামৰণী পৰে বিদ্যালয় খনৰ নৱাগতা আদৰণী সভা আৰু অভিনন্দন অনুষ্ঠানৰ আকৰ্শনীয় বৰ্ণিল কাৰ্যসূচী।

# ৬ কোটি ৭৫ লাখ টকা ব্যয় সাপেক্ষে আজিৰ পৰা ভৱানীপুৰ সৰভোগ সমষ্টিত উন্নয়নৰ যাত্ৰা আৰম্ভ




**অসম বাৰ্তা, বৰপেটাৰোড, ১ জুলাই ঃ** আজি বৰপেটা জিলাৰ বাৰাপেটাত অসম চৰকাৰৰ পশুপালন, পশু চিকিৎসা তথা বজালী জিলাৰ অভিভাৱক মন্ত্ৰী নীলিমা দেৱী ডাঙৰীয়ানীয়ে স্থানীয় বিধায়ক তথা অসম বিধান সভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত অসম গ্ৰাম্য আন্ত: গাঁথনি উন্নয়ন পুঁজি-৩১ৰ অধীনত ৬ কোটি ৭৫ লাখ টকা ব্যয়সাপেক্ষে স্থাপন হ'বলগীয়া অত্যাধুনিক পশুখাদ্য প্ৰস্তুতকৰণ প্ৰকল্প আৰু নিউক্লিয়াছ চেউৰী (Heifer) পামৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই অঞ্চলটোৰ পশুপালকসকলক উন্নতমানৰ পশুখাদ্যৰ সহজলভ্যতা নিশ্চিত কৰাৰ লগতে পশুধন উৎপাদন বৃদ্ধি, বৈজ্ঞানিক পশুপালন পদ্ধতিৰ সম্প্ৰসাৰণ আৰু আত্মনিৰ্ভৰশীল পশুপালন ব্যৱস্থা গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব বুলি মত পোষণ কৰে অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে। ইয়াৰোপৰি ভাষণ প্ৰসংগত মন্ত্ৰী নীলিমা দেৱীয়ে গাখীৰৰ প্ৰয়োজনীয়তা, ফাৰ্মৰ উন্নয়ন, অসম চৰকাৰে লোৱা আঁচনি সমূহৰ বিষয়ে বিতং ভাবে আলোক পাত কৰে। এই আধাৰশিলা স্থাপন অনুষ্ঠানত পশু চিকিৎসা সঞ্চালক জয়ন্ত গোস্বামী, দুগ্ধ উৎপাদন সঞ্চালিকা পাঞ্চালী কাকতি, বৰপেটা জিলাৰ অতিৰিক্ত আয়ুক্ত পল্লৱজ্যোতি নাথ, পশু চিকিৎসা বিভাগৰ সহকাৰী সঞ্চালক ফটিক দাস, পৰিকল্পনা বিষয়া অশ্বিনী কলিতা, বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ চৰকাৰ, সমাজকৰ্মীদ্বয় সবিতা দেৱনাথ আৰু সুজিত চৰকাৰৰ লগতে বিভাগটোৰ অন্যান্য বিষয়া-কৰ্মচাৰী আৰু স্থানীয় গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

### ৬ কেজি গাঞ্জাসহ ব্যৱসায়িক আটক; উত্তপ্ত পৰিস্থিতি

# ৰামদিয়াত ড্ৰাগছ-গাঞ্জাৰ বিৰুদ্ধে ৰাইজৰ হাল্লাবোল

**অসম বাৰ্তা, হাজো, ১ জুলাই ঃ** ধ্বংসৰ গৰাহলৈ গতি কৰা যুৱ প্ৰজন্মক ৰক্ষা কৰিবলৈ এইবাৰ আৰক্ষীৰ পৰিৱৰ্তে ৰাজপথলৈ ওলাই আহিল সৰ্বসাধাৰণ ৰাইজ। কামৰূপ জিলাৰ হাজোৰ ঐতিহাসিক ৰামদিয়াৰ কলবাৰী চুবুৰীত আজি নিষিদ্ধ গাঞ্জাৰ বিৰুদ্ধে স্থানীয় ৰাইজে এক অতৰ্কিত আৰু সফল অভিযান চলায়। দীৰ্ঘদিন ধৰি অঞ্চলটোত শিপাই থকা ড্ৰাগছ আৰু গাঞ্জাৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে অতিষ্ঠ হৈ বঙালটোলা গাঁৱৰ ৰাইজে চলোৱা এই গণ-অভিযানত প্ৰায় ৬ কিলোগ্ৰাম নিষিদ্ধ গাঞ্জা জব্দ কৰাৰ লগতে এজন কুখ্যাত গাঞ্জা ব্যৱসায়িক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। স্থানীয় সূত্ৰৰ পৰা পোৱা খবৰ অনুসৰি, ৰামদিয়া কলবাৰী চুবুৰীৰ বাসিন্দা মদন মজুমদাৰ নামৰ এজন লোকে আৰক্ষীৰ চকুত ধূলি দি দীৰ্ঘদিন ধৰি নিষিদ্ধ গাঞ্জাৰ এক বৃহৎ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। ইয়াৰ ফলত সমগ্ৰ অঞ্চলটোৰ সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ উপৰি একাংশ কিশোৰ-যুৱক নিচাসক্ত হৈ পৰিছিল। স্থানীয় ৰাইজে পূৰ্বতে কেইবাবাৰো সমূহীয়াভাৱে উক্ত পৰিয়ালটোক এই অবৈধ ব্যৱসায় বন্ধ কৰিবলৈ সকীয়নি দিছিল যদিও সমাজৰ কোনো নীতি-নিয়মলৈ কেৰেপ নকৰি পৰিয়ালটোৱে এই ক'লা ব্যৱসায় অব্যাহত ৰাখিছিল। অৱশেষত ধৈৰ্য্যৰ বান্ধ ছিগি যোৱাত আজি বঙালটোলা গাঁৱৰ শতাধিক ৰাইজ একগোট হৈ কলবাৰী চুবুৰীত এক ড্ৰাগছ বিৰোধী অভিযান চলাই। অভিযানৰ সময়ত মূল অভিযুক্ত মদন মজুমদাৰৰ ঘৰৰ পিছফালৰ হাবিৰ মাজত অতি সংগোপনে লুকুৱাই থোৱা অৱস্থাত প্ৰায় ৬ কেজি ওজনৰ গাঞ্জাৰ ডাঙৰ টোপোলা এটা ৰাইজে উদ্ধাৰ কৰে। ৰাইজৰ সমাগম দেখা পাই মূল অভিযুক্তজনে কৌশলৰে পলায়ন কৰে যদিও ঘটনাস্থলীত উপস্থিত থকা পুণ্ডৰী পক্ষ মজুমদাৰ নামৰ আন এজন সক্ৰিয় গাঞ্জা ব্যৱসায়িক উত্তেজিত ৰাইজে ঘেৰি ধৰে আৰু আবদ্ধ কৰি ৰাখে। এই ঘটনাৰ পিছতে সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। ক্ষোভিত পুৰুষ-মহিলাই গাঁৱৰ মাজত চলি থকা এই বিষাক্ত কাৰবাৰ চিৰদিনৰ বাবে বন্ধ কৰা আৰু ধৃত ব্যৱসায়ী সকলক কঠোৰতম শাস্তি প্ৰদানৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পৰিৱেশ উত্তপ্ত হৈ পৰাৰ খবৰ পাই ৰামদিয়া আৰক্ষী চকীৰ এটা সশস্ত্ৰ দল ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে উত্তেজিত জনতাক কোনোধৰণৰ আইন হাতত নল'বলৈ অনুৰোধ জনাই বুজনি দিয়ে আৰু পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। ইয়াৰ পিছতে আৰক্ষীয়ে জব্দকৃত গাঞ্জাখিনি নিজৰ জিম্মাত লোৱাৰ লগতে ৰাইজৰ হাতত আবদ্ধ হৈ থকা সৰবৰাহকাৰী পুণ্ডৰী পক্ষ মজুমদাৰক আটক কৰে। লগতে পলাতক মূল অভিযুক্ত মদন মজুমদাৰক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি আৰক্ষী প্ৰশাসনে দৃঢ় আশ্বাস প্ৰদান কৰাৰ পিছতহে পৰিস্থিতি সম্পূৰ্ণ শান্ত হয়। সমগ্ৰ হাজো অঞ্চলক ড্ৰাগছ আৰু গাঞ্জামুক্ত কৰিবলৈ আৰক্ষীৰ এনে অভিযান ধাৰাবাহিকভাৱে চলি থাকিব লাগে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

এক পৃষ্ঠাৰ পৰা

## নতুন দিল্লীত জাপানৰ প্ৰধান-

টাকাইচিয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা পোষ্টত কয় যে এই ভ্ৰমণৰ সময়ত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বহু গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাত মিলিত হ'ব। আলোচনাৰ মূল বিষয়বস্তু হ'ব অৰ্থনৈতিক সুৰক্ষা আৰু শক্তি সুৰক্ষা। বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ প্ৰেক্ষাপটত দুয়োখন দেশেই নিজৰ কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ লক্ষ্য লৈ আগবাঢ়িব বিচাৰে। ইয়াৰ উপৰিও জাপান আৰু ভাৰতৰ মাজৰ বিশেষ কৌশলগত বৈশ্বিক অংশীদাৰিত্ব অধিক সুদৃঢ় কৰা আৰু পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰাৰ বিষয়েও আলোচনা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী টাকাইচিয়ে ৰহু সংখ্যক ভাৰত-জাপান বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব, য'ত দুয়োখন দেশে অৰ্থনৈতিক নিৰাপত্তা, নমনীয় যোগান শৃংখল, উদীয়মান প্ৰযুক্তি, প্ৰতিৰক্ষা, সামুদ্ৰিক নিৰাপত্তা আৰু বিনিয়োগৰ ক্ষেত্ৰত সহযোগিতা অধিক গভীৰ কৰাৰ সম্ভাৱনা অন্বেষণ কৰিব। তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ সৈতে সন্মিলন পৰ্যায়ৰ বাৰ্তালাপত মিলিত হোৱাৰ লগতে ভাৰত-জাপান ব্যৱসায়িক মঞ্চত অংশগ্ৰহণ কৰি দুয়োখন দেশৰ উদ্যোগ জগতৰ নেতাসকলৰ সৈতে মতবিনিময় কৰিব। এই ব্যৱসায়িক মঞ্চই নতুন বিনিয়োগৰ সুযোগ অন্বেষণৰ বাবে এক অতিৰিক্ত প্লেটফৰ্ম প্ৰদান কৰিব বুলি আশা কৰা হৈছে। কূটনৈতিক সূত্ৰই প্ৰকাশ কৰা অনুসৰি, আলোচনাত থকা প্ৰস্তাৱসমূহৰ ভিতৰত কৃত্ৰিম বুদ্ধিমত্তা, ওঞ্জশিত এটা বৃহৎ পৰিসৰৰ সেউজ এমোনিয়া প্ৰকল্প, বায়'গেছৰ ক্ষেত্ৰত সম্প্ৰসাৰিত সহযোগিতা আৰু 'পাৱাৰ এছিয়া'ৰ জৰিয়তে আঞ্চলিক নমনীয়তা শক্তিশালী কৰাৰ পদক্ষেপ অন্তৰ্ভুক্ত আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালেও এক্সযোগে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীক তেওঁৰ চৰকাৰী ভাৰত ভ্ৰমণৰ আৰম্ভণিতে আদৰণি জনায় আৰু এই ভ্ৰমণ ভাৰত-জাপান সম্পৰ্কৰ বাবে এক মাইলৰ খুঁটি বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী টাকাইচি অসমলৈ অহাৰ কথা আছিল যদিও পাছলৈ এই সিদ্ধান্ত বাতিল কৰা হয়। প্ৰথমতে ৰ জুলাইৰ পৰা, জুলাইলৈ অসমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ পৰিকল্পনা আছিল যদিও শেষ মুহূৰ্তত এই ভ্ৰমণসূচী সলনি কৰি কেৱল নতুন দিল্লীলৈ সীমাবদ্ধ ৰখা হয়। তথাপি এই ভ্ৰমণে ভাৰত-জাপান সম্পৰ্কৰ বাবে এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি ৰাজনৈতিক আৰু অৰ্থনৈতিক মহলে আশা প্ৰকাশ কৰে।

### কোচ ৰাজবংশীসকলৰ সমস্যা সমাধানৰ দাবী উত্থাপন

# শৌলমাৰী বৰডুবিত KSDCৰ প্ৰতিনিধি সভা অনুষ্ঠিত

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১ জুলাই ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ শৌলমাৰী বৰডুবি গাঁৱত আজি কমতাপুৰ ষ্টেট ডিমাণ্ড কমিটি (KSDC)ৰ এখন গুৰুত্বপূৰ্ণ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সংগঠনটোৰ সাংগঠনিক কাৰ্যসূচীৰ অংশ হিচাপে আয়োজিত এই প্ৰতিনিধি সভাত বিভিন্ন সাংগঠনিক বিষয়ৰ লগতে কোচ ৰাজবংশী সকলৰ বিভিন্ন সমস্যাক কেন্দ্ৰ কৰি বিস্তৃত আলোচনা অনুষ্ঠিত হয়। সভাত উপস্থিত নেতৃবৃন্দই অভিযোগ কৰে যে দীৰ্ঘদিন ধৰি বিভিন্ন গোচৰত কাৰাগাৰত থকা কোচ ৰাজবংশী সকলৰ ন্যায়সংগত সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। তেওঁলোকে সংশ্লিষ্ট চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত কোচ ৰাজবশী সকলৰ সমস্যাসমূহৰ শীঘ্ৰে সমাধান, ন্যায়সঙ্গত ব্যৱস্থা গ্ৰহণ আৰু প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ দাবী জনায়। সভাত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নৱজ্যোতি কোচে সংগঠনৰ ভৱিষ্যৎ কাৰ্যপন্থা আৰু দাবীসমূহ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। লগতে কেন্দ্ৰীয় সমিতিৰ সদস্য সদানন্দ সিংহ, দৰং জিলাৰ সভাপতি বিধুৰ বৰ্ধনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি নিজৰ মতামত ব্যক্ত কৰে। উপস্থিত বক্তাসকলে সংগঠনটোৰ দাবীসমূহ গণতান্ত্ৰিকভাৱে আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ লোকক ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। উল্লেখ্য যে আজিৰ এই প্ৰতিনিধি সভাত অঞ্চলটোৰ বহু সংখ্যক সংগঠনৰ কৰ্মী, সমৰ্থক আৰু স্থানীয় গণ্যমান্য ব্যক্তি উপস্থিত থাকি সভাখন সফল কৰি তোলে।

## আজানপীৰ বঁটা প্ৰাপক চামচুদ্দিন আহমেদক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ জুলাই ঃ** অসমীয়া চৈয়দ কল্যাণ ন্যাসৰ গোলাঘাট জিলা সমিতিৰ তৰফৰ পৰা অসম চৰকাৰৰ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ 'আজান পীৰ' বঁটা প্ৰাপক অসমৰ সমন্বয়, সম্প্ৰীতি আৰু সাংস্কৃতিক ঐতিহ্যৰ এক উজ্জ্বল প্ৰতীক, জিকিৰ আৰু জাৰী সংস্কৃতিৰ বিশিষ্ট গৱেষক, সাধক, স্বনামধন্য শিল্পী চামচুদ্দিন আহমেদক তেখেতৰ বাসভৱনত কালি অভিনন্দন জনোৱা হয়। আহমেদৰ এই সন্মান প্ৰাপ্তিয়ে সমগ্ৰ গোলাঘাট জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৯৫৬ চনৰ ১ চেপ্তেম্বৰ তাৰিখে নাহৰণিৰ কুৰিঘৰীয়াত জন্মগ্ৰহণ কৰা চামচুদ্দিন আহমেদ চাহেবে চাকৰি সূত্ৰে গোলাঘাট নগৰৰ স্থায়ী বাসিন্দা হৈ পৰে। তেখেতে নিচেই সৰুৰে পৰা জিকিৰ আৰু জাৰীৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে আজীৱন অহোপুৰুষাৰ্থ কৰি গৈছে। আহমেদে জিকিৰ আৰু জাৰীৰ উপৰিও বিহু গীত, দেহবিচাৰ গীত, কাৱালী আদিও বিভিন্ন গীত মাত সাংস্কৃতিক অনুষ্ঠানসমূহত পৰিৱেশন কৰি আহিছে। তেখেতে জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদৰ লগতো জিকিৰ পৰিৱেশন কৰিছিল। বিভিন্ন টেলিফিল্ম আদিৰ উপৰিও 'চিৰাজ' বোলছবিত এটি জিকিৰ গীতত কণ্ঠদান কৰিছিল। ১৯৮৪ চনৰ পৰা আকাশবাণীৰ নিয়মীয়া শিল্পী আহমেদে ১৯৮৫ চনৰ পৰা দূৰদৰ্শনৰ বিভিন্ন চেনেলত জিকিৰ আৰু জাৰী পৰিৱেশন কৰি আহিছে। অসম সাহিত্য সভাৰ শিৱসাগৰ, বোকাখাত, দেৰগাঁও অধিৱেশনৰ সাংস্কৃতিক কাৰ্যসূচীত তেখেতে জিকিৰ আৰু জাৰী গীত পৰিৱেশন কৰিছিল। ১৯৮৪ চনত আহমেদে অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰে। তেখেতৰ দ্বাৰা সংকলিত ২৮৪ পৃষ্ঠাৰ 'মোৰ মনত ভেদ ভাৱ নাই' এখন তথ্য সম্বলিত গ্ৰন্থ। কেইবাবছৰ বিৰতিৰ পিছত অসম চৰকাৰে আজান পীৰ বঁটা চামচুদ্দিন আহমেদক প্ৰদান কৰাত অসমীয়া চৈয়দ কল্যাণ ন্যাসৰ দ্বাৰা গোলাঘাট জিলা সমিতিয় অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে।

### বিধায়ক বিকন চন্দ্ৰ ডেকাৰ দ্বাৰা কাৰ্যালয় উদ্বোধন

## ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ সোণালী জয়ন্তীৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১ জুলাই ঃ** বিদ্যালয় এখনে এটা অঞ্চলৰ উন্নয়ন আৰু প্ৰগতিৰ দিশ প্ৰতিফলিত কৰে। বিদ্যালয় এখনে ইয়াৰ প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী বৰ্ষত উপনীত হোৱাটো কম গুৰুত্বপূৰ্ণ কথা নহয়। - এই মন্তব্য টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাৰ। আজি ওদালগুৰি জিলাৰ টংলাৰ সমীপৰ ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱ উদযাপন সমিতিৰ কাৰ্যালয়ৰ দ্বাৰ উদঘাটন কৰি বিধায়কগৰাকীয়ে এইদৰে কয়। দ্বাৰ উদঘাটন উপলক্ষে সোণালী জয়ন্তী উৎসৱ উদযাপন সমিতিৰ সভাপতি তথা বিধায়ক বিকন চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এক ৰাজহুৱা সভাত বি টি চিৰ খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰীয়ে দিয়া ভাষণত বিদ্যালয়খনৰ সোণালী জয়ন্তী উৎসৱ উদযাপনৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। উৎসৱ উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থত অঞ্চলটিৰ নিশ্চয় আৱেগ প্ৰতিফলিত হ'ব। মুদৈবাৰী সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱাই কয়, ছৈবাৰী অঞ্চলৰ ৰাইজে এই সোণালী জয়ন্তীৰ জৰিয়তে অতীতক ৰোমন্থন কৰাৰ সুযোগ পাইছে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে উদযাপন সমিতিৰ এগৰাকী সম্পাদক সুৰেন্দ্ৰ বসুমতাৰীয়ে। আদৰণী ভাষণ আগবঢ়ায় বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা উদযাপন সমিতিৰ মুখ্য তত্ত্বাৱধায়ক কৰুণা গিৰিদেৱ বসুমতাৰীয়ে। সভাত টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাক ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ তৰফৰ পৰা গামোচা, শৰাই, মানপত্ৰ আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয়। সভাখনত ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক সুজিত সৰকাৰ, ভাৰতীয় তেল নিগমৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ উপেন কছাৰী, প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় ৰাজেন কছাৰী আৰু উমাকান্ত বড়ো, উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি গৌৰীশংকৰ দাসে দুআষাৰকৈ কয়। সভাৰ মাজতে বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী অনিমা নাথ চহৰীয়াই এটি গীত পৰিৱেশন কৰে। সভাত অসম চৰকাৰৰ দ্বাৰা শিল্পী পেঞ্চনেৰে সন্মানিত, ব্যাস সংগীতাচাৰ্য গুণী ৰাম ৰাভা, ওদালগুৰি জিলা বিজেপিৰ উপ-সভাপতি জয়কান্ত শৰ্মা, উদযাপন সমিতিৰ আন এগৰাকী কাৰ্যকৰী সভাপতি সুনন্দ কুমাৰ নাৰ্জাৰী আদি বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখ্য যে ২০২৭ বৰ্ষত বিদ্যালয়খনে সোণালী জয়ন্তী বৰ্ষত উপনীত হ'ব।

## কামৰূপ জিলাত অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক (প্ৰাৰম্ভিক) পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত নিষেধাজ্ঞা জাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুলাই ঃ** অহা ৫ জুলাই ৰবিবাৰে অনুষ্ঠিত হ'বলগীয়া অসম লোকসেৱা আয়োগ (APSC)-ৰ সংযুক্ত প্ৰতিযোগিতামূলক (প্ৰাৰম্ভিক) পৰীক্ষা, ২০২৫ মুক্ত, নিকা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS)ৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে নিষেধাজ্ঞা জাৰি কৰিছে। এই পৰীক্ষা সৰলা বিৰলা জ্ঞান জ্যোতি, আমিনগাঁও আৰু শৰাইঘাট মহাবিদ্যালয়, চাংসাৰীত অনুষ্ঠিত হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত আইন-শৃংখলা বজাই ৰখা, অসদুপায় প্ৰতিৰোধ কৰা আৰু শান্তিপূৰ্ণ পৰিৱেশ নিশ্চিত কৰাৰ উদ্দেশ্যে এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই নিষেধাজ্ঞা অনুসৰি, পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী, অনুমোদিত স্ক্ৰাইব আৰু পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়াবৰ্গৰ বাহিৰে আন কোনো ব্যক্তিৰ সমাৱেশ নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞাত কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকক জিলাৰ অন্তৰ্গত সকলো আৰক্ষী থানা আৰু আৰক্ষী চকীৰ জৰিয়তে এই নিষেধাজ্ঞা কঠোৰভাৱে বলবৎ কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা (BNS)-ৰ ২২৩নং ধাৰা আৰু আন যিকোনো প্ৰাসংগিক আইনৰ বিধান অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জিলা প্ৰশাসনে সকলো পৰীক্ষাৰ্থী আৰু সাধাৰণ ৰাইজক নিৰ্ধাৰিত নিৰ্দেশনা কঠোৰভাৱে মানি চলি এই পৰীক্ষা মুক্ত, নিকা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে অনুষ্ঠিত কৰাত প্ৰশাসনক পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

## বৰপেটা জিলা সেৱাভাৰতীৰ বিনামূলীয়া NEET-2027 প্ৰস্তুতি পাঠদান আৰম্ভ

**অসম বাৰ্তা, বৰপেটাসদৰ, ১ জুলাই ঃ** আৰ্থিকভাৱে দুৰ্বল কিন্তু মেধাৱী শিক্ষাৰ্থীসকলক চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ লক্ষ্যৰে বৰপেটা জিলা সেৱাভাৰতীৰ উদ্যোগত NEET-২০২৭ৰ বাবে বিনামূলীয়া প্ৰস্তুতিমূলক পাঠদান কাৰ্যসূচী আৰম্ভ কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত উদ্যোক্তা ডাঃ কমল কৃষ্ণ দাসে কয় যে বহু মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে আৰ্থিক অসুবিধাৰ বাবে ব্যয়বহুল ব্যক্তিগত প্ৰশিক্ষণ কেন্দ্ৰ সমূহত নামভৰ্তি কৰাৰ সুযোগ নাপায়। সেই কথা মনত ৰাখিয়েই সেৱাভাৰতীয়ে সম্পূৰ্ণ বিনামূলীয়াকৈ এই পাঠদান কাৰ্যসূচী আৰম্ভ কৰিছে। তেওঁ জনোৱা মতে, বৰ্তমান ১০জন শিক্ষাৰ্থীয়ে স্ক্ৰিনিং টেষ্টৰ জৰিয়তে নামভৰ্তি কৰিছে। সপ্তাহত তিনিদিনকৈ ক্লাছ অনুষ্ঠিত হ'ব আৰু মাহত মুঠ ১২টা ক্লাছ লোৱা হ'ব। ইয়াৰ উপৰিও অনলাইন ক্লাছৰ ব্যৱস্থাও থাকিব। অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী আৰু NEET উত্তীৰ্ণ শিক্ষাৰ্থীসকলেও শিক্ষাৰ্থীসকলক দিক-নিৰ্দেশনা আগবঢ়াব। কমল লোচন দাসে লগতে কয় যে সীমিত সংখ্যক শিক্ষাৰ্থীকহে এই কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা হ'ব। প্ৰায় ১৫ৰ পৰা ২০জন শিক্ষাৰ্থীক নামভৰ্তিৰ সুযোগ দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থাকি বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসে এই পদক্ষেপক আদৰ্শমূলক বুলি অভিহিত কৰে। তেওঁ কয় যে NEET এটা অতি প্ৰতিযোগিতা মূলক পৰীক্ষা। সঠিক দিক্-নিৰ্দেশনা আৰু প্ৰস্তুতিৰ সুযোগ পালে বৰপেটাৰ বহু মেধাৱী শিক্ষাৰ্থীয়ে এই পৰীক্ষাত সফলতা লাভ কৰিব পাৰিব। বিধায়কগৰাকীয়ে লগতে কয় যে বিশেষকৈ ফিজি' বিষয়ত বহু শিক্ষাৰ্থীয়ে অসুবিধাৰ সন্মুখীন হয়। সেৱাভাৰতীৰ এই উদ্যোগে শিক্ষাৰ্থীসকলক পৰীক্ষাৰ বাবে অধিক সুসংগঠিতভাৱে সাজু হোৱাত সহায় কৰিব আৰু চিকিৎসক হোৱাৰ সপোন পূৰণৰ পথ সুগম কৰিব। সেৱাভাৰতীৰ এই বিনামূলীয়া NEET প্ৰস্তুতি কাৰ্যসূচীক শিক্ষাৰ্থী আৰু অভিভাৱক মহলে আদৰণি জনোৱাৰ লগতে ইয়াৰ জৰিয়তে অঞ্চলটোৰ বহু মেধাৱী শিক্ষাৰ্থী উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

## পুৰণিগুদামত শোকাৱহ পথ

নিহত হয়। জানিব পৰা মতে, পুৰণিগুদাম কঢ়ালী গাঁৱৰ দুই যুৱক ক্ৰমে হৃষিকেশ বৰা (২০) আৰু বিকাশ দ্বীপ মুদৈয়ে ((১৭)) যোৱা নিশা এখন স্কুটীৰে নিজৰ ঘৰলৈ বুলি যোৱাৰ পথত বিপৰীত দিশৰ পৰা অহা এখন ডাম্পাৰে স্কুটিখনসহ দুই আৰোহীক মহটিয়াই নিয়ে। উক্ত মুখামুখি সংঘৰ্ষত স্কুটী আৰোহী হৃষিকেশ বৰাৰ থিতাতে মৃত্যু হোৱাৰ লগতে স্কুটীখন সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হয়। আনজন আৰোহী বিকাশ দ্বীপ মুদৈক আৰক্ষীয়ে স্থানীয় ৰাইজৰ সহযোগত ঘটনাস্থলীৰ পৰা সংকটজনক অৱস্থাত চিকিৎসালয়লৈ পঠোৱাৰ পথত পথতে কৰুণ মৃত্যু হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আৰক্ষী নিহত যুৱকজনৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিতাললৈ লৈ প্ৰেৰণ কৰে। ইফালে, উক্ত দুজন সম্ভাৱনাময় যুৱকৰ আকস্মিক বিয়োগে সমগ্ৰ পুৰণিগুদামত এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। আজি দুয়োজন যুৱকৰ মৃতদেহ কঢ়ালী গাঁৱলৈ অনাৰ পিছত দুয়োৰে বাসগৃহত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। হাঁহিমুখীয়া তেজাল যুৱক তথা গাঁওখনৰ বহুমূলীয়া মানৱ সম্পদ দুটিক অকালতে হেৰুৱাই সমগ্ৰ গাঁওবাসী শোকত ম্ৰিয়মাণ হৈ পৰিছে। উল্লেখ্য যে, এই দুৰ্ঘটনাৰ পাছতেই এতিয়া নতুন এক ৰহস্য পোহৰলৈ আহিছে। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পূৰ্বে নগাঁৱৰ কন্দালী গাঁৱৰ তিনিজন যুৱকৰ সৈতে পুৰণিগুদাম গঞ্জমূৰ অঞ্চলত নিশা সংঘটিত হৈছিল মৰেল পুলিচিঙৰ ঘটনা। ঘটনাৰ বিৱৰণী অনুসৰি, এজন বন্ধুক সহায় কৰিবলৈ পুৰণিগুদাম কঢ়ালী গাঁৱৰ হৃষিকেশ বৰা, বিকাশ দ্বীপ মুদৈ আৰু পল শইকীয়া এখন স্কুটীৰে আহিছিল। সেই সময়তেই পুৰণিগুদাম গড়মূৰত এদল উদণ্ড অচিনাক্ত লোকে বাটত এক অজ্ঞাত কাৰণত হাইকাজিয়া কৰি আছিল। উক্ত উদণ্ড সেইসকল লোকে হৃষীকেশ বৰা, বিকাশ দ্বীপ মুদৈক আগচি ধৰি উপৰ্যুপৰি প্ৰহাৰ কৰাৰ লগতে পল শইকীয়াকো ধৰ-ধৰ মাৰ- মাৰ কৰাত পল শইকীয়াই প্ৰাণৰ ভয়ত দৌৰি-দৌৰি নিজৰ প্ৰাণৰক্ষা কৰিবলৈ সক্ষম হয় আনফালে, হৃষিকেশ বৰা আৰু বিকাশ দ্বীপ মুদৈয়ে নিজৰ প্ৰাণ বচাবলৈ স্কুটীলৈ দ্ৰুতগতিত পলায়ন কৰাৰ সময়তে এখন ডাম্পাৰে খুন্দা মৰাৰ ফলত দুয়োৰে মৃত্যু হোৱা বুলি ভুক্তভোগী পল শইকীয়াই সংবাদ মাধ্যমৰ আগত অৱগত কৰে। ইতিমধ্যে সমগ্ৰ দৃশ্য বন্দী হৈ পৰিছে পুৰণিগুদাম গড়মূৰৰ কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠানত স্থাপন কৰা চি.চি.টি.ভি কেমেৰাত। এতিয়া এই চি.চি.টি.ভি কেমেৰাৰ দৃশ্যাংশ সংগ্ৰহ কৰি পুৰণিগুদাম আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আনপিনে, মৃত দুই যুৱকৰ জন্মস্থান পুৰণিগুদাম কঢ়ালী গাঁৱত সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি চেপা উত্তেজনাই বিৰাজ কৰিছে। আৰক্ষীৰ নিৰপেক্ষ তদন্তহে প্ৰকৃত সত্য পোহৰলৈ আহিব। স্থানীয় ৰাইজে দুৰ্ঘটনাটোৰ উচিত তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আৰক্ষীক দাবী জনাইছে। ইফালে, বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ ৰাইজে ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ প্ৰতি অসন্তুষ্টি ব্যক্ত কৰিছে। ব্যস্ততাপূৰ্ণ বৃহত্তৰ পুৰণিগুদাম অঞ্চলত দীৰ্ঘদিনৰে পৰা একাধিক দুৰ্ঘটনা সংঘটিত হোৱা সত্ত্বেও চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষই নিৰ্বিকাৰ ভূমিকা পালন কৰি আছে। গড়মূৰৰ পৰা কেএণ্ডপট্টিলৈকে উক্ত পথৰ দুয়োকাষে চাৰ্ভিছ ৰোড নিৰ্মাণ কৰা হোৱা নাই। এনে অসম্পূৰ্ণ পথৰ বাবে আৰু চাৰ্ভিছ ৰোড সংযোগী পথ নিৰ্মাণ নকৰাৰ ফলতেই একাংশ লোকে ইউ টাৰ্ণ দি ঘূৰাৰ সলনি ভুল দিশেৰে কেএণ্ডপট্টিৰ পৰা গড়মূৰ আৰু গড়মূৰৰ পৰা কেএণ্ডপট্টিলৈ অহা-যোৱা কৰা পৰিপ্ৰেক্ষিতত এনেবোৰ দুৰ্ঘটনা সঘনে সংঘটিত হৈ বহুলোকৰ প্ৰাণহানি হৈছে।

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণ

উল্লেখ কৰে যে কেন্দ্ৰত তিনিবাৰ আৰু ৰাজ্যত তিনিবাৰ বিজেপিৰ চৰকাৰ আছে, তথাপি এই বিষয়টো সমাধান নকৰাকৈ ৰখা হৈছে। তেওঁ স্মৰণ কৰায় যে ২০১৪ চনত প্ৰথমবাৰ বিজেপি চৰকাৰ আহোঁতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আছিল এটা মুখ্য বিষয়, কিন্তু তাৰ পাছত চৰকাৰে কেতিয়াও গুৰুত্ব দিয়া নাই। গগৈয়ে এইটোক এক নিৰ্বাচনী ললীপপ আৰু নিৰ্বাচনী ইছ্যু বুলি অভিহিত কৰে। গগৈয়ে লগতে কয় যে বিজেপি চৰকাৰে নিৰ্বাচনৰ সময়ত ভোটৰ অংক চাই এই বিষয়টো তুলি ধৰে, কিন্তু নিৰ্বাচন শেষ হোৱাৰ পাছত পুনৰ একেই পৰিৱেশৰ সৃষ্টি হয়। তেওঁ দৃঢ়ভাৱে কয় যে অসমৰ ৰাইজ আৰু ছটা জনগোষ্ঠীৰ লোকসকলে এই প্ৰতাৰণা পাহৰি যোৱা নাই। তিনিবাৰ চৰকাৰ কৰিলেও বিষয়টোৰ নিষ্পত্তি নহ'ল; জনজাতি পৰিক্ৰমা মন্ত্ৰণালয়ে বিষয়টোৰ ওপৰত আলোচনা নকৰিলে। যদিও বিভিন্ন প্ৰতিবেদন লোৱা হৈছিল, তথাপি কাৰ্যত একো উন্নতি নঘটিল। তেওঁ স্পষ্টকৈ কয় যে ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিবই লাগে, কিন্তু ইতিমধ্যে জনজাতি হিচাপে থকাসকলৰ অধিকাৰ যাতে খৰ্ব নহয়, সেই বিষয়টোও চৰকাৰে মনত ৰাখিব লাগে। গগৈয়ে জনসাধাৰণক অনুৰোধ কৰে যে চৰকাৰৰ এই প্ৰতাৰণা সকলোৱে অনুধাৱন কৰিব লাগে। উল্লেখযোগ্য যে অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তিৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে বুধবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত 'যুৱকণ্ঠ' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত লুৰীণজ্যোতি গগৈয়ে অংশগ্ৰহণ কৰে। তেওঁ এই অনুষ্ঠানতে জনজাতিকৰণ সম্পৰ্কে তেওঁৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। ইতিমধ্যে কেন্দ্ৰীয় মন্ত্ৰী আৰু অজাপ সভাপতিৰ এই বিবদমান মন্তব্যৰ ফলত ৰাজ্যৰ ৰাজনৈতিক মহলত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো পুনৰ গুৰুত্ব লাভ কৰিছে।

## ৰাজনৈতিক ধেমালি আৰু ব্যংগ সহ্য

স্বাভাৱিক, আৰু এই সমালোচনা কেতিয়াবা ব্যংগ বা ধেমালিৰ ৰূপতো প্ৰকাশ পাব পাৰে। এনে পৰিপ্ৰেক্ষিতত যদি কোনো নেতাৰ সমালোচনা ধেমেলীয়া বা ব্যংগাত্মক সুৰত কৰা হয়, তেন্তে তাক প্ৰতিবাৰেই মানহানি বুলি গণ্য কৰিব নোৱাৰি। ৰাজহুৱা জীৱনত থকা নেতাসকলে এইটো স্বীকাৰ কৰিব লাগিব যে তেওঁলোকে সমালোচনাৰ সন্মুখীন হ'বই লাগিব, লাগিলে সেয়া তেওঁলোকৰ ভাল লাগক বা নালাগক। আদালতে স্পষ্টীকৰণ দিয়ে যে ৰাজনৈতিক সিদ্ধান্তৰ সমালোচনা অভিব্যক্তিৰ স্বাধীনতাৰ পৰিসৰত পৰে, আৰু তাক বাধাগ্ৰস্ত কৰাটো সমীচীন নহয়। উল্লেখযোগ্য যে দিল্লী উচ্চ ন্যায়ালয়ে এই মন্তব্য আম আদমি পাৰ্টীৰ পৰা বিজেপিত যোগদান কৰাৰ পিছত ছ'চিয়েল মিডিয়াত ট্ৰ'লিঙৰ চিকাৰ হোৱা ৰাঘৱ চাড্ডাৰ আবেদনৰ ৰায়দানত কৰে। চাড্ডাই আদালতত অভিযোগ উত্থাপন কৰে যে তেওঁ বিজেপিত যোগদান কৰাৰ পাছৰে পৰা তেওঁৰ বিৰুদ্ধে ছ'চিয়েল মিডিয়াত এক কু-অভিপ্ৰায় চলোৱা হৈছে। তেওঁৰ বিৰুদ্ধে এআই-দ্বাৰা নিৰ্মিত ডিপফেক ভিডিঅ' আৰু বিভ্ৰান্তিকৰ তথা আপত্তিজনক সমল পোষ্ট কৰা হৈছে, যিবোৰত কোৱা হৈছে যে তেওঁ টকাৰ বাবে বিক্ৰী হৈ গৈছে। চাড্ডাই ব্যক্তিত্বৰ অধিকাৰ সুৰক্ষাৰ বাবেই আদালতৰ দ্বাৰস্থ হৈছিল। শুনানিৰ অন্তত দিল্লী উচ্চ ন্যায়ালয়ে নিজৰ নিৰ্দেশত ৰাঘৱ চাড্ডাৰ বিৰুদ্ধে ছ'চিয়েল মিডিয়াত আপলোড কৰা কিছুমান অশ্লীল আৰু আপত্তিজনক পোষ্ট আঁতৰাবলৈ নিৰ্দেশ দিয়ে। কিন্তু একে সময়তে আদালতে এইটোও স্পষ্ট কৰি দিয়ে যে চাড্ডাৰ আবেদনত যিবোৰ সমলৰ উল্লেখ কৰা হৈছে, তাৰে সৰহভাগেই তেওঁৰ ৰাজনৈতিক সিদ্ধান্তক লৈ কৰা ব্যংগাত্মক সমালোচনা, আৰু সেইবোৰক অভিব্যক্তিৰ স্বাধীনতাৰ পৰিসৰত দেখা উচিত, গতিকে সেই সকলোবোৰ আঁতৰাবলৈ নিৰ্দেশ দিব নোৱাৰি। আদালতে কয় যে এআই-ৰে প্ৰস্তুত কৰা ডিপফেক ভিডিঅ', ভুৱা ছবি বা অশ্লীল সমলে যদি কাৰোবাৰ প্ৰতিষ্ঠা আৰু মৰ্যাদাত আঘাত হানে, তেন্তে সেয়া গ্ৰহণযোগ্য নহয়। যেতিয়ালৈকে এআই-ৰ এনে অপপ্ৰয়োগ ৰোধ কৰিবলৈ কোনো কঠোৰ আইন প্ৰণয়ন নহয়, তেতিয়ালৈকে আদালতে প্ৰতিটো গোচৰতে এইটো চাব লাগিব যাতে অভিব্যক্তিৰ স্বাধীনতা আৰু ব্যক্তিৰ মৰ্যাদাৰ মাজত এক সঠিক ভাৰসাম্য বজায় থাকে। আদালতে এনে পাঁচটা পোষ্ট আঁতৰাবলৈ নিৰ্দেশ দিয়ে যিবোৰত ৰাঘৱ চাড্ডাক লৈ অশ্লীল, অভদ্ৰ আৰু গালি-গালাজযুক্ত সমল আছিল। আদালতে লক্ষ্য কৰে যে এই সমলসমূহ যুক্তিসংগত ৰাজনৈতিক সমালোচনাৰ সীমাৰ বাহিৰত আছিল আৰু ই ব্যক্তিগত মৰ্যাদাক ক্ষুণ্ণ কৰিছে। চাড্ডাৰ আবেদনত এই নিৰ্দেশই কিছু সকাহ কঢ়িয়াই আনিছে যদিও আদালতৰ ব্যংগাত্মক সমালোচনা সম্পৰ্কীয় মন্তব্য ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। এই গোচৰৰ পৰৱৰ্তী শুনানি ১৮ আগষ্টত অনুষ্ঠিত হ'ব বুলি আদালতে জানিবলৈ দিয়ে।

## ১৮৩.৫০ টকা হ্ৰাস বাণিজ্যিক ৰন্ধন

২৯ টকা বৃদ্ধি কৰা হৈছিল, আনহাতে ৰ মে'ত বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য ৯৯৩ টকা বৃদ্ধি পাইছিল। ইয়াৰোপৰি পশ্চিম এছিয়াত উদ্ভৱ হোৱা সংঘাতময় পৰিস্থিতিৰ বাবে মাৰ্চ মাহত ৬০ টকা আৰু এপ্ৰিল মাহত ১৯৫.৫০ টকাকৈ বাণিজ্যিক চিলিণ্ডাৰৰ দাম বাঢ়িছিল, জানুৱাৰী মাহতো ৰৰৰ টকা মূল্যবৃদ্ধি ঘটিছিল। এই নিৰন্তৰ মূল্যবৃদ্ধিয়ে বিশেষকৈ খাদ্য-সামগ্ৰী বিক্ৰীৰ ব্যৱসায়ত ব্যাপক প্ৰভাৱ পেলাইছিল, আৰু বহুতেই কৃত্ৰিম নাটনি আৰু অত্যধিক মূল্যৰ বাবে ব্যৱসায় বন্ধ কৰিবলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছিল। বৰ্তমান গুৱাহাটীত বাণিজ্যিক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৩, ১৭৩.৫০ টকা, আনহাতে ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৯৯১.০০ টকা। এই মূল্য সংশোধনীৰ ফলত ব্যৱসায়ীসকলৰ লগতে সাধাৰণ গ্ৰাহকৰো কিছু সকাহ হোৱাৰ আশা কৰা হৈছে। ইফালে কেন্দ্ৰীয় চৰকাৰে বুধবাৰে ভাৰতীয় ঘৰুৱা বিমান সংস্থাসমূহৰ বাবে বিমান টাৰ্বাইন ইন্ধনৰ মূল্য প্ৰতি লিটাৰত ৫ টকা হ্ৰাস কৰে, যাৰ ফলত ইন্ধনটোৰ কাৰ্যকৰী মূল্য প্ৰতি লিটাৰত ১১০ টকালৈ নামি আহে। এই সিদ্ধান্ত আজিৰ পৰাই কাৰ্যকৰী হৈছে। ইয়াৰ আগদিনা মঙলবাৰে কেন্দ্ৰই ভাৰতত বিক্ৰী হোৱা পেট্ৰল আৰু ডিজেলৰ আবকাৰী শুল্ক অপৰিৱৰ্তিত ৰখাৰ বিপৰীতে পেট্ৰল, ডিজেল আৰু এভিয়েশন টাৰ্বাইন ইন্ধনৰ ওপৰত ৰপ্তানি শুল্ক সংশোধন কৰে। পেট্ৰলৰ ৰপ্তানি শুল্ক প্ৰতি লিটাৰত ৪ টকা আৰু ডিজেলৰ ৰপ্তানি শুল্ক প্ৰতি লিটাৰত ৮.৫ টকা নিৰ্ধাৰণ কৰা হয়, আৰু দুয়োটা ক্ষেত্ৰতে পথ আৰু আন্তঃগাঁথনি চেছ (আৰ আই চি) শূন্য ৰখা হয়। অধিসূচনা নং ৩৭/২০২৬ অনুসৰি এটিএফৰ ৰপ্তানিৰ ওপৰত এছএইডি প্ৰতি লিটাৰত ৭.৫ টকা নিৰ্ধাৰণ কৰা হৈছে আৰু তিনিওটা সংশোধিত হাৰ ৰ জুলাইৰ পৰা কাৰ্যকৰী হৈছে বুলি আনুষ্ঠানিকভাৱে জানিবলৈ দিয়া হয়। বিশ্ব বজাৰত খাৰুৱা তেলৰ দাম সুস্থিৰ হোৱাৰ লগে লগে ব্যক্তিগত খণ্ডৰ তেল বিপণন কোম্পানী নায়াৰা এনাৰ্জীয়েও বুধবাৰে দেশৰ কেইবাটাও খুচুৰা বিপণীত পেট্ৰলৰ মূল্য প্ৰতি লিটাৰত প্ত টকা আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত, টকা হ্ৰাস কৰে। উল্লেখযোগ্য যে চৰকাৰী তেল বিপণন কোম্পানীসমূহৰ হাৰ ইতিমধ্যে কম হোৱা সত্ত্বেও নায়াৰাই ইয়াৰ পূৰ্বে পেট্ৰলৰ বাবে প্ৰতি লিটাৰত ৫ টকা আৰু ডিজেলৰ বাবে প্ৰতি লিটাৰত ৩ টকা অধিক প্ৰিমিয়াম লৈ আহিছিল, কিন্তু শেহতীয়াকৈ কৰ্পৰেট পুনৰীক্ষণৰ ফলত সেই প্ৰিমিয়ামসমূহ আঁতৰাই দিয়া হৈছে। এই কেইবাটাও মূল্য সংশোধনীয়ে জুলাই মাহৰ আৰম্ভণিতে গ্ৰাহক, ব্যৱসায়ী আৰু বিমান সংস্থাসমূহলৈ সকাহ কঢ়িয়াই আনিছে যদিও বিশ্ব বজাৰৰ অস্থিৰতাই আগলিও মূল্যক প্ৰভাৱিত কৰিব পাৰে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## বানৰ কবলত ছয় জিলাৰ অৰ্ধ লক্ষাধিক

জনতকৈও অধিক গৃহহীন লোকেও চাৰিটা সাহায্য শিবিৰত আশ্ৰয় লৈছে। লগতে ক্ষতিগ্ৰস্ত বাসিন্দাসকলক প্ৰয়োজনীয় সাহায্য সামগ্ৰী যোগান ধৰিবলৈ ছটা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই বানপানীৰ প্ৰভাৱ কেৱল মানৱ সমাজলৈ সীমাবদ্ধ নাথাকি পশুধনৰ ওপৰতো পৰিছে; সমগ্ৰ ৰাজ্যজুৰি মুঠ ৮৮, ০০০ তকৈ অধিক পোহনীয়া জীৱ-জন্তু এই বানৰ দ্বাৰা প্ৰভাৱিত হৈছে, যাৰ ফলত গ্ৰামীণ অৰ্থনীতিও চৰম সংকটৰ সন্মুখীন হৈছে। ক্ষতিগ্ৰস্ত জিলাসমূহত পানীৰ স্তৰ এতিয়াও বৃদ্ধি পাই থকাৰ বাবে প্ৰশাসনে উদ্ধাৰ আৰু সাহায্য কাৰ্য্যও অহৰহ চলাই ৰাখিছে। জিলা প্ৰশাসন আৰু দুৰ্যোগ প্ৰশমন বাহিনীৰ সদস্যসকলে বিপদগ্ৰস্ত অঞ্চলসমূহত সতৰ্ক দৃষ্টি ৰাখিছে আৰু আৱশ্যক অনুসৰি থলুৱা লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰাৰ কাম চলাই আছে। অসম চৰকাৰে এই দুৰ্যোগ মোকাবিলা কৰিবলৈ আৰক্ষী, গৃহ ৰক্ষা বাহিনী আৰু স্বয়ংসেৱী সংগঠনসমূহৰ সৈতে সমন্বয় গঢ়ি লৈ কাম কৰি থকা বুলি সূত্ৰই জানিবলৈ দিছে।

## ছাত্ৰ-ছাত্ৰীৰ ভোটাধিকাৰ নাই বাবেই

এক প্ৰেৰণা। মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন অনুষ্ঠানৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে কৃতিমান ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত সফলতা সমাজে উৎযাপন কৰে, সেই উপলব্ধিৰে তেওঁলোকে সমাজখনৰ প্ৰতি দায়িত্বশীল হৈ আগবাঢ়িব লাগে। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গুণজ্যোতি পাঠক, তন্ময় কাজী, হেমেন কলিতা, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অক্ষয় ডেকা, উৎপল কলিতাকে ধৰি বহুকেইজন গুৰুত্বপূৰ্ণ ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ জৰিয়তে নলবাৰী জিলাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত ৮৫ শতাংশতকৈ অধিক নম্বৰ প্ৰাপ্ত চৰচ গৰাকী আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯০ শতাংশতকৈ অধিক নম্বৰ প্ৰাপ্ত ৫২ গৰাকী কৃতিমান ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে তেওঁলোকে অধ্যয়ন কৰা ছখন শিক্ষানুষ্ঠানৰ সন্মানীয় শিক্ষাগুৰুকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ অন্তত সাংবাদিকসকলৰ সৈতে হোৱা সাক্ষাৎকাৰত আছুৰ সভাপতি উৎপল শৰ্মাই সম্প্ৰতি ৰাজ্যজুৰি চৰ্চিত ইউনিফৰ্ম বিতৰ্ক আৰু বহিৰাগত সমস্যাৰ বিষয়ে তীব্ৰ মন্তব্য দাঙি ধৰে। ইউনিফৰ্ম সম্পৰ্কীয় বিতৰ্কত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে কৰা মন্তব্যক প্ৰত্যক্ষভাৱে দোষ নিদিও তেওঁ দুযোৰ ইউনিফৰ্মৰ নামত মাত্ৰ ৬০০ টকা নিৰ্ধাৰণ কৰা সন্দৰ্ভত সন্দেহ প্ৰকাশ কৰে। শৰ্মাই প্ৰশ্ন উত্থাপন কৰে যে এই মূল্য মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰা নেকি, সেই কথা স্পষ্টকৈ জনা উচিত। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীৰ নামত মাত্ৰ ৬০০ টকাত দুযোৰ ইউনিফৰ্ম প্ৰদান কৰা হৈছে, য'ত ৭০ শতাংশ পলিষ্টাৰ মিহলি হৈ আছে, যাৰ ফলত ৩৮ ডিগ্ৰী গৰমত সেই কাপোৰ পিন্ধাটো অসম্ভৱ। শৰ্মাই কঠোৰ ভাষাৰে কয় যে অসমৰ অৰ্থনৈতিক অৱস্থা যে অত্যন্ত দেউলীয়া হৈ পৰিছে, শিক্ষামন্ত্ৰীগৰাকীৰ ভাষ্যতে তাৰ প্ৰমাণ মিলিছে। শৰ্মাই কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ ভোটাধিকাৰ নাই বাবেই তেওঁলোকে ৬০০ টকীয়া পলিষ্টাৰ কাপোৰ পিন্ধিবলগীয়া হৈছে। তেওঁ কটাক্ষ কৰে যে ছাত্ৰ-ছাত্ৰীসকলে যদি ভোট দিব পাৰিলেহেঁতেন তেন্তে তেওঁলোককো কোনো আঁচনিৰ অধিকাৰী কৰা হ'লহেঁতেন। মুখ্যমন্ত্ৰীক ছাত্ৰ-ছাত্ৰীসকলে মৰমতে মামা বুলি মাতি থাকে, এতিয়া সেইগৰাকী মুখ্যমন্ত্ৰীয়ে নিজৰ মৰমৰ ভাগিনহঁতক ৭০ শতাংশ পলিষ্টাৰযুক্ত কাপোৰ পিন্ধাব নেকি বুলি তেওঁ প্ৰশ্ন তোলে। ইফালে বহিৰাগতসকলে অসমীয়া জনগোষ্ঠীৰ ওপৰত চলাই অহা আগ্ৰাসন সম্পৰ্কত শৰ্মাই কয় যে আছু সদায় দুটা আগ্ৰাসনৰ বিৰুদ্ধে যুঁজি আহিছে। প্ৰথমটো হৈছে বাংলাদেশী সমস্যা, আৰু দ্বিতীয়টো হৈছে বহিৰাগত একাংশ লোক। অসমীয়াৰ মাটি-বাৰী, ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰ যিসকলে কাঢ়ি লৈছে, তেওঁলোকৰ বিৰুদ্ধে আছুৰ যুঁজ অব্যাহত আছে। সম্প্ৰতি অসমীয়া ছোৱালী-বোৱাৰীৰ গাত হাত দিয়া ঘটনাই তেওঁক বিশেষভাৱে ক্ষুব্ধ কৰিছে, আৰু এই সমস্যা সমাধান হ'বই লাগিব বুলি তেওঁ দৃঢ়তাৰে কয়। বহিৰাগত একাংশই অসমত আগ্ৰাসন চলাই অসমীয়াৰ ওপৰত বীৰত্ব প্ৰদৰ্শন কৰি থকা বুলি অভিযোগ উত্থাপন কৰি আৰক্ষীক উচিত তদন্ত কৰি দোষীক কৰায়ত্ত কৰাৰ দাবী জনায়। তাৎপৰ্যপূৰ্ণ যে সৌ সিদিনা গুৱাহাটীত সংঘটিত ঘটনাক লৈ আছু আৰু প্ৰশাসনে ধন দাবীৰ ঘটনা বুলি সদৰি কৰিছিল। যদি সেই ঘটনা ধনদাবীৰেই আছিল, তেন্তে আৰক্ষীয়ে কিয় উচিত তদন্ত কৰি দোষীক আটক কৰা নাই বুলি শৰ্মাই প্ৰশ্ন তোলে। অসমত এটা সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে, গতিকে আৰক্ষীয়ে ইয়াৰ গভীৰ তদন্ত কৰি দোষীক কৰায়ত্ত কৰিবই লাগিব বুলি আছু সভাপতিগৰাকীয়ে দাবী জনায়।

## স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ নিৰ্মীয়মান

কৰে। পৰিদৰ্শনকালত তেওঁ চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ লগতে উপলব্ধ স্বাস্থ্য সেৱা আৰু আন্তঃগাঁথনিৰ বুজ লয়। ইয়াৰ পাছত মন্ত্ৰী গৰাকীয়ে চিকিৎসালয়খনৰ অধীক্ষক, চিকিৎসক আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ আৰম্ভণিতে ডিমৌ আদৰ্শ চিকিৎসালয়ৰ সংজ্ঞাহাৰক ডাঃ সুৰজিৎ গিৰি আৰু তেওঁৰ দলীয় প্ৰচেষ্টাত ডিমৌ আদৰ্শ চিকিৎসালয়ত একেৰাহে পঞ্চম বছৰৰ বাবে সৰ্প দংশনৰ ৰোগীৰ শূন্য মৃত্যুৰ লগতে ২০২১ চনৰ পৰা মুঠ ৩৮০০ সৰ্প দংশন ৰোগীৰ চিকিৎসা, সৰ্প দংশন প্ৰতিৰোধ আৰু চিকিৎসাৰ 'ৰাষ্ট্ৰীয় কাৰিকৰী উপদেষ্টা সমিতি'ৰ সদস্য হিচাপে ডাঃ সুৰজিৎ গিৰিয়ে লাভ কৰা সন্মানৰ বাবে মন্ত্ৰী গৰাকীয়ে শলাগ লয়। চিকিৎসালয়খনৰ আন্তঃবিভাগ আৰু বহিৰ্বিভাগৰ বিভিন্ন দিশৰ লগতে জিলা স্বাস্থ্য বিভাগৰ গুৰুত্বপূৰ্ণ সূচাংক, সেৱা প্ৰদান ব্যৱস্থা আৰু চলি থকা উন্নয়নমূলক পদক্ষেপসমূহৰ অগ্ৰগতিৰ বিষয়েও তেওঁ বিস্তৃত পৰ্যালোচনা কৰে। তেওঁ স্বাস্থ্য সেৱাৰ গুণগত মান আৰু অধিক শক্তিশালী কৰাৰ বিষয়ে সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ যাতে আৰু নিম্নগামী তথা শূন্য কৰিবলৈ কি কৌশল তথা পন্থা গ্ৰহণ কৰিব পাৰি তাক অৱলম্বন কৰিবলৈ আহ্বান জনায়। লগতে বিভিন্ন চিকিৎসাৰ সঁজুলিবোৰ মানাংকান (calibration) কৰিবলৈ আহ্বান জনায়। আজিৰ কাৰ্যসূচীত মন্ত্ৰীগৰাকীৰ সৈতে নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব পি. অশোক বাবু, চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, জিলা আয়ুক্ত মৃদুল য়াদৱ, অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) ৰনময় ভৰদ্বাজ, নাজিৰা আৰু ডিমৌৰ সম-জিলা আয়ুক্ত দ্বয় প্ৰতিভা মেশ্ৰাম আৰু লুকুমণি বড়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ এম.আই.এছ মেনেজাৰ (MIS Manager) ৰাহুল চক্ৰৱৰ্তী, ৰাজ্যিক আঁচনি প্ৰবন্ধক (SPM) দ্বিপজ্যোতি ডেকা, ৰাজ্যিক গণমাধ্যম বিশেষজ্ঞ ভাৰ্গৱ শইকীয়া, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডা: মাখন কলিতাৰ লগতে চিকিৎসক স্বাস্থ্য বিষয়া আৰু বিভিন্ন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

## সীমান্ত সমস্যা সমাধানত

মন্ত্ৰীগৰাকীয়ে মৰিয়নীৰ এই সীমান্তৱৰ্তী অঞ্চলটো পৰিদৰ্শন কৰে। উল্লেখ্য যে প্ৰায় এসপ্তাহ আগতে অসমৰ ভূমিত নাগালেণ্ডৰ দুষ্কৃতিকাৰীসকলে ভাবুকি প্ৰদান কৰি এমজি এনৰেগাৰ অধীনত চলি থকা চৰকাৰী উন্নয়নমূলক কাম-কাজ বন্ধ কৰি দিয়াৰ পিছতেই এই অঞ্চলত চৰম পৰিস্থিতিৰ সৃষ্টি হয়। দীৰ্ঘদিনৰ অন্তত ৰাজ্য চৰকাৰৰ প্ৰতিনিধি দলটোৱে সীমান্তত পদাৰ্পণ কৰি পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে পোনপটীয়াকৈ ক্ষুব্ধ সীমান্তবাসীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দৃঢ় আশ্বাস প্ৰদান কৰে। সীমান্ত উন্নয়ন মন্ত্ৰীগৰাকীয়ে এই সীমা সমস্যাৰ সমাধানৰ বাবে আলোচনাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি আজি মৰিয়নীৰ এই সীমান্ত অঞ্চললৈ আহিছোঁ। এই সম্পৰ্কে নাগালেণ্ড প্ৰশাসনকো অৱগত কৰা হৈছে, আৰু তেওঁলোকৰ প্ৰতিনিধিও ইয়াত উপস্থিত আছে।" অসমৰ লগত নগা সম্প্ৰদায়ৰ ঐতিহাসিক সম্পৰ্কৰ উল্লেখ কৰি মন্ত্ৰী বৰাই স্মৰণ কৰে যে এসময়ত দুয়োটা অঞ্চল একেলগে আছিল, আৰু কংগ্ৰেছ চৰকাৰৰ দিনতেই ৰাজ্যখণ্ডন হৈ অসম বহুধা বিভক্ত হৈছিল। তেওঁ পুনৰব্যক্ত কৰে যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দীৰ্ঘদিনীয়া এই সীমা সমস্যা আলাপ-আলোচনাৰ জৰিয়তে সমাধান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই লক্ষ্যৰে চুবুৰীয়া ৰাজ্য মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ লগত কৰা আলোচনাত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে, আৰু সেইক্ষেত্ৰত আঞ্চলিক সমিতি শ্চৰিজ'নৈল কমিটিগ্ন গঠন কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। অৱশ্যে নাগালেণ্ডৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে স্পষ্টকৈ কয় যে এই বিষয়টো বৰ্তমান ন্যায়ালয়ৰ মজিয়াত বিচাৰাধীন থকাৰ বাবে ইয়াত এতিয়ালৈকে সেইদৰে অগ্ৰগতি লাভ কৰা সম্ভৱ হোৱা নাই। তথাপি সময়ে সময়ে উচ্চ পৰ্যায়ত-মুখ্যমন্ত্ৰী স্তৰৰ লগতে মন্ত্ৰী স্তৰতো-আলোচনা অব্যাহত আছে বুলি তেওঁ অৱগত কৰে। মন্ত্ৰী বৰাই লগতে কয়, "সমগ্ৰ বিষয়টোৰ বাবে পুনৰ বিস্তৃত আলোচনাৰ প্ৰয়োজন আছে, সেই আলোচনা প্ৰশাসনিক পৰ্যায়ত হওক বা ৰাজনৈতিক পৰ্যায়ত হওক। কাৰণ এনেধৰণৰ নিৰন্তৰ সংঘাত অব্যাহত থাকিলে সীমান্তৱৰ্তী অঞ্চলত উন্নয়ন সম্ভৱ নহয়, যাৰ ফলত দুয়োখন ৰাজ্যৰ সীমান্তবাসীয়ে পোনপটীয়াকৈ ভোগান্তি পোহিব লগাত পৰে।" সীমা সমস্যা সোনকালে সমাধান হোৱাৰ গভীৰ আশা প্ৰকাশ কৰি আৰু ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যথেষ্ট দৃঢ়তাৰে আগবাঢ়ি যোৱা বুলি উল্লেখ কৰি মন্ত্ৰী অতুল বৰাই অত্যন্ত গুৰুত্বপূৰ্ণ মন্তব্য দাঙি ধৰে। তেওঁ কয়, "সীমাক লৈ আমি কেতিয়াও আত্মঘাতী সিদ্ধান্ত গ্ৰহণ নকৰোঁ। আমি কেৱল আলাপ-আলোচনাৰ মাধ্যমতে আগবাঢ়িযাব বিচাৰোঁ। আজিৰ ভ্ৰমণৰ জৰিয়তে সমগ্ৰ পৰিস্থিতিৰ সম্পূৰ্ণ বুজ লৈ এই সম্পৰ্কে মুখ্যমন্ত্ৰীক অৱগত কৰিম, আৰু ৰাজনৈতিক পৰ্যায়ত এই গুৰুতৰ বিষয়টো উত্থাপন কৰিম।" ঘটনাপ্ৰবাহ অনুসৰি, যোৰহাটৰ মৰিয়নীৰ ছৰ নং কাটনি পঞ্চায়তৰ চনং ৱাৰ্ডৰ নাগাজাংকাত এমজি এনৰেগাৰ অধীনত চলি থকা উন্নয়নমূলক কাম নাগালেণ্ড প্ৰশাসনে বাধা প্ৰদান কৰি বন্ধ কৰি দিয়েই এই গোটেই উত্তেজনাৰ সূত্ৰপাত ঘটে। সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাৰ আজিৰ এই গুৰুত্বপূৰ্ণ পৰিদৰ্শনকালত মৰিয়নীৰ স্থানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী, যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানী আৰু জিলা আৰক্ষী অধীক্ষকে (এছপি) তেওঁক সম্পূৰ্ণ সংগ দিয়ে। মন্ত্ৰীগৰাকীৰ এই সাক্ষাৎ আৰু ঘোষণাই সীমান্তবাসীসকলৰ মাজত এক নতুন আশাৰ সঞ্চাৰ কৰিছে যদিও চূড়ান্ত সমাধানৰ বাবে প্ৰশাসনিক আৰু ৰাজনৈতিক পৰ্যায়ৰ তৎপৰতাৰ ওপৰতে অধিক নিবদ্ধ থাকিব বুলি বিশেষজ্ঞ মহলে মত প্ৰকাশ কৰিছে।

## বানপীড়িত জোনাইত কেন্দ্ৰীয় মন্ত্ৰী

মন্ত্ৰীয়ে বানাক্ৰান্ত লোকসকলৰ সৈতে পোনপটীয়াকৈ মতবিনিময় কৰে আৰু তেওঁলোকৰ দুখ-কষ্টৰ বিষয়ে অৱগত হয়। পৰিদৰ্শন কালত দুয়োগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে চিমেন চাপৰিৰ চিমেন নদীৰ প্ৰবল সোঁতত ভাগি পৰা ৰে'ল দলং পৰিদৰ্শন কৰে। ইফালে বানপীড়িত লোকসকলৰ সৈতে হোৱা আলোচনাত তেওঁলোকে খোৱা পানীৰ সমস্যা, বানত ক্ষতিগ্ৰস্ত হোৱা ৰাস্তা-ঘাট, নষ্ট হোৱা কৃষি পথাৰ আদি বিষয়ত গভীৰভাৱে বুজ লয়। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে বানপীড়িত ৰাইজক পুনৰ সংস্থাপনৰ দৃঢ় আশ্বাস প্ৰদান কৰে আৰু সোনকালে সাহায্য ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। সংবাদ মাধ্যমৰ আগত মন্ত্ৰী চৌহানে কয়, "বানত ক্ষতিগ্ৰস্ত এই অঞ্চলসমূহ পৰিদৰ্শন কৰি অতি দুখ লগা পৰিস্থিতি দেখিবলৈ পাইছো। কৃষিভূমি বালিত পোত গৈছে, ৰাস্তা-ঘাট সম্পূৰ্ণ বিধ্বস্ত হৈছে, খোৱা পানীৰ গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে, আৰু বাসস্থানৰ ক্ষেত্ৰতো অসুবিধা অহা হৈছে। ৰাইজৰ এই দুখৰ সময়ত আমি তেওঁলোকৰ লগত থিয় দিছো। গতিকে তাৎক্ষণিকভাৱে কিছুমান ব্যৱস্থা গ্ৰহণ কৰি সমস্যা সমাধানৰ চেষ্টা চলাইছো। লগতে ক্ষতিগ্ৰস্ত কৃষকসকলৰ বাবে এটা বিকল্প ব্যৱস্থাৰ বিষয়ে চিন্তা-চৰ্চা কৰি আছো।" তেওঁ লগতে কয় যে বানৰ পাছত স্বাস্থ্যজনিত সমস্যাৰ উদ্ভৱ হোৱাৰ সম্ভাৱনা থাকে, আৰু তাৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিশা গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া পৰ্যালোচনা বৈঠকত সকলো তথ্য-প্ৰমাণ সংগ্ৰহ কৰা হ'ব, আৰু সেইবোৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ওচৰত দাখিল কৰি দুৰ্ভগীয়া ৰাইজৰ পুনৰ সংস্থাপনৰ বাবে সঠিক ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ স্পষ্টকৈ উল্লেখ কৰে। উল্লেখযোগ্য যে অসম-অৰুণাচল সীমান্তত হোৱা নিৰন্তৰ বৰষুণৰ ফলত পাহাৰীয়া অঞ্চলৰ পৰা নামি অহা কেইবাখনো খৰস্ৰোতা নৈয়ে জোনাইৰ বিভিন্ন অঞ্চলত চৰম ক্ষতিসাধন কৰিছে। এই বানপানীয়ে প্ৰায় বিশখন গাঁৱৰ পাঁচ শতাধিক পৰিয়ালক প্ৰত্যক্ষভাৱে আক্ৰান্ত কৰিছে। যদিও বৰ্তমান বানৰ পানী কিছু পৰিমাণে নিম্নলৈ নামি আহিছে, তথাপি বানপীড়িত ৰাইজৰ জীৱন-যাপন এতিয়াও সম্পূৰ্ণ স্বাভাৱিক হৈ উঠা নাই। বিশুদ্ধ খোৱাপানী আৰু পৰ্যাপ্ত খাদ্যৰ অভাৱে তেওঁলোকক জুৰুলা কৰি ৰখাৰ লগতে স্বাস্থ্যজনিত নানান সমস্যাই বানাক্ৰান্ত পৰিয়ালবোৰক অধিক সংকটৰ সন্মুখীন কৰিছে। এই গুৰুত্বপূৰ্ণ পৰিদৰ্শন কালত দুয়োগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ লগত অসম চৰকাৰৰ মন্ত্ৰী ৰণোজ পেগু, সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰা, সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভুৱন পেগু, বিধায়ক জীৱন গগৈৰ লগতে স্থানীয় প্ৰশাসনৰ বিষয়াবৰ্গ আৰু অন্যান্য নেতৃত্বই উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী দুগৰাকীৰ এই সাক্ষাৎ আৰু আশ্বাসবাণীয়ে বানপীড়িত অঞ্চলৰ জনসাধাৰণৰ মাজত এক নতুন আশাৰ সঞ্চাৰ কৰিছে যদিও পূৰ্ণাঙ্গ পুনৰ্বাসনৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰয়োজন বুলি বিশেষজ্ঞ মহলে মত প্ৰকাশ কৰিছে।

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ

শিৱসাগৰ প্ৰেছ ক্লাবত আয়োজিত এক সংবাদমেলত টাইপাৰ কেন্দ্ৰীয় সমিতিয়ে এই দাবী উত্থাপন কৰে। তামুলীয়ে কয় যে বিগত বৰ্ষৰ ২৯ নৱেম্বৰত অসম বিধানসভাত দাখিল কৰা প্ৰতিবেদনখন অদূৰৱৰ্তী অধিৱেশনৰ প্ৰথম দিনাই আলোচনাৰ বাবে লোৱা হওক, কাৰণ এই বিষয়টো জনগোষ্ঠীটোৰ বাবে অতি গুৰুত্বপূৰ্ণ। ইয়াৰোপৰি টাইপাই শিৱসাগৰত ৰপ্ত আৰু ১৬ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে ৩১তম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু মধ্যকালীন অধিৱেশন উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সংবাদমেলত টাইপাই ৩১ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু মধ্যকালীন অধিৱেশনৰ বিশদ কাৰ্যসূচী ঘোষণা কৰে। শিৱসাগৰ জিলা সমিতিৰ আতিথ্যত আৰু নাজিৰা মহকুমা সমিতি আৰু টাই আহোম মহিলা পৰিষদৰ সহযোগত শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত এই অনুষ্ঠান আয়োজন কৰা হৈছে। প্ৰথম দিনা অৰ্থাৎ ১৫ জুলাই পুৱা ১০ বজাত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামুলীয়ে পতাকা উত্তোলন কৰিব। পতাকা উত্তোলনৰ পাছতে কেন্দ্ৰীয় সমিতিৰ সম্পাদক শোভন কোঁৱৰে মৈদাম তৰ্পণ কৰিব। ৰৰ বজাত প্ৰতিনিধি পঞ্জীয়ন অনুষ্ঠিত হোৱাৰ লগতে ৰ বজাত টাই আহোম মহিলা পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন কৰা হ'ব। তাৰ পিছত ২ বজাৰ পৰা কেন্দ্ৰীয় প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা অৰ্থাৎ ১৬ জুলাই পুৱা ৰজ্ঝ বজাত স্বৰ্গদেউ চাওল্যুং চ্যুকাফাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উদযাপন সমিতিৰ সভাপতি ৰাজেন বৰগোহাঁয়ে মুকলি কৰিব। ১১ বজাত শিৱসাগৰ নগৰৰ লাচিত উদ্যানৰ সমীপৰ পৰা সমন্বয় শোভাযাত্ৰা আৰম্ভ কৰা হ'ব, যিটো শিৱসাগৰ জিলা আয়ুক্ত মৃদুল যাদৱে উদ্বোধন কৰিব। দিনৰ ১২.৩০ বজাৰ পৰা টাইপাৰ সভাপতি দিগন্ত তামুলীৰ সভাপতিত্বত মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। এইবছৰৰ পৰা টাইপাই প্ৰৱৰ্তন কৰা দুটা বিশেষ বঁটা-'আহোম প্ৰাণ' আৰু 'আহোম ৰত্ন'-প্ৰথমবাৰৰ বাবে প্ৰদান কৰা হ'ব। আহোম প্ৰাণ বঁটা টাই আহোম জাতীয় সংগ্ৰামত আজীৱন সেৱা আগবঢ়োৱা টাইপাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক ডামচাও পংকজ বৰগোহাঁইক মৰণোত্তৰভাৱে প্ৰদান কৰা হ'ব। আনহাতে আহোম ৰত্ন বঁটা নিজ প্ৰতিভাৰে উজলি উঠি টাই আহোম জনগোষ্ঠীক গৌৰৱান্বিত কৰাৰ লগতে ৰাষ্ট্ৰীয়-আন্তৰ্ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমক উজলাই তোলা প্ৰখ্যাত দৌৰবিদ অম্লান বৰগোহাঁইক প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে টাইপাৰ কেন্দ্ৰীয় সমিতিয়ে এইবৰ্ষৰ পৰা প্ৰতি বছৰে প্ৰতিষ্ঠা দিৱসত টাই আহোমৰ জাতীয় সংগ্ৰামত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াই অহা বিশিষ্ট ব্যক্তিক 'আহোম প্ৰাণ' আৰু অধ্যৱসায় আৰু প্ৰতিভাৰে উজলি উঠি জনগোষ্ঠীটোৰ লগতে অসমৰ নাম ৰাষ্ট্ৰীয়-আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকাই তুলিবলৈ সক্ষম হোৱা বিভিন্ন ক্ষেত্ৰৰ সক্ৰিয় ব্যক্তিক 'আহোম ৰত্ন' বঁটাৰে সন্মানিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। টাইপাৰ ৩১তম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু মধ্যকালীন অধিৱেশন সফলভাৱে সমাপন কৰিবলৈ ৰাজেন বৰগোহাঁইক সভাপতি, সুৰজ গগৈক কাৰ্যকৰী সভাপতি, ৰমেন গগৈ আৰু জয়ন্ত বৰগোহাঁইক যুটীয়া সম্পাদক হিচাপে লৈ সাতখন উপ-সমিতিৰে ২৭০ জনীয়া এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। ইতিমধ্যে অনুষ্ঠানৰ বাবে পূৰ্ণ পৰ্যায়ত প্ৰস্তুতি চলাই থকা বুলি টাইপা সূত্ৰে জানিবলৈ দিয়ে। সংবাদমেলত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামুলীয়ে এইবৰ্ষৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু মধ্যকালীন অধিৱেশনে শিক্ষা, আত্মসংস্থাপন, অনাগত লোকপিয়ল আৰু জনজাতিকৰণকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত জনগোষ্ঠীটোৰ বাবে অৰ্থপূৰ্ণ বাৰ্তা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। সংবাদমেলত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামুলী, সম্পাদক শোভন কোঁৱৰ, সহকাৰী সম্পাদক সুৰজ গগৈ, সাংগঠনিক সম্পাদক ৰমেন গগৈ, প্ৰচাৰ সম্পাদক নীলিম চেতিয়া, শিৱসাগৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি জয়ন্ত বৰগোহাঁই, যুটীয়া সম্পাদক সত্যজিত বৰগোহাঁই, নাজিৰা মহকুমা সমিতিৰ সভাপতি অসীমৰঞ্জন বুঞ্জাগোহাঁই আৰু সম্পাদক ৰিদিপ গগৈকে ধৰি বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।

## ৰাজ্যসভা নিৰ্বাচনত বৰাকৰ কণাদ

ইংগিত দিয়াৰ দৰেই বৰাক অঞ্চলৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত কৰা হৈছে কণাদ পুৰকায়স্থক। বৰ্তমান বিজেপিৰ ৰাজ্যিক সম্পাদকৰ দায়িত্বত থকা কণাদ পুৰকায়স্থ শিলচৰৰ বাসিন্দা আৰু তেওঁ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰবীণ বিজেপি নেতা কবীন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ। উল্লেখযোগ্য যে অলপতে বৰাকৰ বান পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ যাওঁতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যসভাৰ আসনখনত বৰাকৰ পৰা এজন প্ৰাৰ্থী থকাটো বাঞ্ছনীয় বুলি স্পষ্টভাৱে মন্তব্য কৰিছিল। মুখ্যমন্ত্ৰীৰ এই আশাৰ প্ৰতিফলন ঘটাই বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই কণাদ পুৰকায়স্থক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে। অহা সোমবাৰে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন, তাৰ পূৰ্বেই শনিবাৰে বিজেপিৰ ফালৰ পৰা প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হয়। ৰাজ্যসভাৰ খালী হ'বলগীয়া অসমৰ দুখন আসনৰ ভিতৰত এখন আসন বিজেপিয়ে মিত্ৰদল অসম গণ পৰিষদক এৰি দিছে, যদিও অগপই এতিয়ালৈকে নিজৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। প্ৰাৰ্থিত্ব লাভৰ পাছত আবেগপূৰ্ণ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কণাদ পুৰকায়স্থই কয় যে তেওঁক এই গুৰুত্বপূৰ্ণ দায়িত্বৰ বাবে বিবেচনা কৰাত তেওঁ অত্যন্ত গৌৰৱান্বিত আৰু এই মুহূৰ্তটো তেওঁৰ বাবে এক বুজাব নোৱাৰা অনুভৱ। তেওঁ বিজেপিৰ নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰি কয় যে অসম কেৱল তেওঁৰ ঘৰেই নহয়, অসমেই তেওঁৰ অনুপ্ৰেৰণা আৰু শক্তি। তেওঁ দলৰ আদৰ্শৰ প্ৰতি সদায় দায়বদ্ধ হৈ কাম কৰি যোৱাৰ লগতে ৰাজ্য আৰু ৰাষ্ট্ৰৰ অগ্ৰগতি আৰু একতাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। লক্ষণীয় যে ৰাজ্যসভাৰ আসনখনৰ বাবে বিজেপিৰ মুঠ ৰ্ গৰাকী নেতাই আবেদন কৰিছিল আৰু কেইবাগৰাকী জ্যেষ্ঠ নেতাৰ নামো চৰ্চাত আছিল। ৰাজ্যিক বিজেপিয়ে চূঞ্জান্ত সিদ্ধান্তৰ বাবে প্ৰাৰ্থীৰ তালিকা কেন্দ্ৰীয় নেতৃত্বলৈ প্ৰেৰণ কৰাৰ পাছত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে এই তালিকাৰ পৰা বৰাকৰ কণাদ পুৰকায়স্থৰ নাম চূড়ান্ত কৰে। অগপৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ সাংসদ মিছ্ন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত সমাপ্ত হ'বলগীয়া বাবে খালী হোৱা দুখন আসনৰ বাবে ১৯ জুনত নিৰ্বাচন অনুষ্ঠিত হ'ব। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ৯ জুন, ১০ জুনত মনোনয়ন পত্ৰ পৰীক্ষা, ৰচ জুনত প্ৰত্যাহাৰৰ অন্তিম দিন, আৰু ৰজ্ঝ জুনত ফলাফল ঘোষণা হ'ব। ইফালে কণাদ পুৰকায়স্থৰ প্ৰাৰ্থিত্বক উষ্ম আদৰণি জনাইছে অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। এক বিবৃতিযোগে শইকীয়াই কয় যে এই সিদ্ধান্তৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, সভাপতি জেপি নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ মুখ্যমন্ত্ৰী ডঞ্জ হিমন্ত বিশ্ব শৰ্মালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে। শইকীয়াই উল্লেখ কৰে যে কণাদ পুৰকায়স্থই বহুদিন ধৰি দলৰ বিভিন্ন দায়িত্বত থকাৰ উপৰিও শৈশৱকালৰে পৰা দলৰ আদৰ্শগত পৰিয়ালৰ এগৰাকী সন্মানীয় সদস্য হিচাপে আদৰ্শনিষ্ঠভাৱে কাম কৰি আহিছে। দলৰ পৰম শ্ৰদ্ধেয় মাৰ্গদৰ্শক কবীন্দ্ৰ পুৰকায়স্থৰ পুত্ৰগৰাকীয়ে অনাগত দিনত অসমবাসীৰ আশা-আকাংক্ষা আৰু বিজেপি দলৰ নীতি-আদৰ্শ দেশৰ উচ্চসদনত শক্তিশালীভাৱে উপস্থাপন কৰিব পাৰিব বুলি বিজেপি সভাপতিগৰাকীয়ে আশাবাদ প্ৰকাশ কৰে।

## ভণ্ড প্ৰেমিকৰ এআই জৰিয়তে অশ্লীল

জৰিয়তে চিনাকি হৈ গঢ়ি উঠা প্ৰেমে কাল নমাই অনা ছাত্ৰী গৰাকী গহপুৰ সমজিলাৰ কলাবাৰী মহাবিদ্যালয়ৰ প্ৰথম ষান্মাষিকৰ ছাত্ৰী বুলি জানিব পৰা গৈছে। বাস্তৱত মুখামুখিকৈ লগ নোপোৱাকৈ প্ৰথমে প্ৰেম তাৰ পিছত সংঘাত আৰু শেষত ব্লেকমেইলিং-অশ্লীলতাৰ পিছত প্ৰেমিকগৰাকীয়ে বাছি ল'বলগীয়া হোৱা চৰম সিদ্ধান্তই সমগ্ৰ গহপুৰতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যুৱতী গৰাকীৰ এই অস্বাভাৱিক মৃত্যুৰ পিছতে তেওঁৰ নিজা ঘৰ গহপুৰৰ কেমেৰে গাঁৱত উঠিছে কান্দোনৰ ৰোল। ইনষ্টাগ্ৰামৰ জৰিয়তে হায়দৰাবাদৰ কৰ্মৰত মাজুলীৰ যুৱক মানৱ পাতিৰৰ লগত চিনাকি হৈ দুয়োৰে মাজত গঢ়ি উঠিছিল প্ৰেমৰ সম্পৰ্ক। মাত্ৰ ৬ⱼ৭ মাহ মানৰ এই সম্পৰ্কৰ মাজতে মানৱে চল চাতুৰীয়ে যুৱতীগৰাকীৰ পৰা লৈছিল যুৱতীৰ গৰাকীৰ ইনষ্টাগ্ৰাম আৰু ফেচবুকৰ পাছৱৰ্ড। যুৱতী গৰাকীয়েও প্ৰেম আৰু বিশ্বাসত অন্ধ হৈ প্ৰেমিক মানৱক দিছিল তেওঁৰ ইনষ্টাগ্ৰাম আৰু ফেচবুকৰ পাছৱৰ্ড। কিন্তু বিকৃত মানসিকতাৰ যুৱক মানৱ পাতিৰে উক্ত পাছৱৰ্ড পোৱাৰ পিছতে অতি জঘন্য কাণ্ড সংঘটিত কৰে। জানিব পৰা মতে মানৱে এআই জৰিয়তে যুৱতী গৰাকীৰ হুবহু ফটো নিৰ্মাণ কৰি একাধিক ফটোত একেবাৰে অশ্লীল ৰূপ দিয়ে। মানৱে এআই জৰিয়তে যুৱতী গৰাকীৰ হুবহু মুখমণ্ডল নিৰ্মাণ কৰি বনোৱা অশ্লীল আৰু কপালত সিন্দুৰ দিয়া একাধিক ফটো যুৱতীগৰাকীৰ ইনষ্টাগ্ৰামত আপলোড কৰি মানসিক ভাৱে হাৰাশাস্তি কৰিবলৈ লয়। যুৱকজনে ইয়াতকৈ আৰু এখোপ আগলৈ গৈ ফটো আপলোড কৰি এহেজাৰ টকাত দেহ বিক্ৰী কৰা হয় বুলি লিখি ইনষ্টাগ্ৰামৰ জৰিয়তে প্ৰচাৰ কৰে। ধুৰন্ধৰ যুৱকজনে ইনষ্টাগ্ৰামৰ জৰিয়তে যুৱতীগৰাকীক অশ্লীল ৰূপত উপস্থাপন কৰি মিছাতে বদনামী কৰি তোলাৰ পিছত যথেষ্ট লজ্জিত অনুভৱ কৰে যুৱতীগৰাকীয়ে। যাৰবাবে তেওঁ আত্মহত্যাৰ দৰে চৰম সিদ্ধান্ত বাচি লবলৈ বাধ্য হয়। ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া অতি ভিতৰুৱা অঞ্চলৰ যুৱতীগৰাকীৰ আত্মহত্যাৰ ঘটনাটো পৰহিয়েই সংঘটিত হয় যদিও আজিহে ঘটনাটোৰ সমস্ত কাহিনী পোহৰলৈ আহে। সকলোৱে কয় প্ৰেম স্বৰ্গীয়। কিন্তু এনেধৰণৰ জঘন্য প্ৰেমৰ জৰিয়তে প্ৰেমিকক আত্মহত্যাৰ দৰে চৰম পন্থা বাছি ল'বলৈ বাধ্য কৰোৱা দানৱৰূপী প্ৰেমিক মানৱ পাতিৰক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ গহপুৰ আৰক্ষীৰ ওচৰত কঠোৰ দাবী জনাইছে স্থানীয় ৰাইজে।

## লোকসভা নিৰ্বাচনত এনডিএত

আগন্তুক লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি কৌশল নিৰ্ধাৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বক্তাসকলে দলীয় কৰ্মীসকলক ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনায় আৰু বিগত বিধানসভা নিৰ্বাচনৰ পৰা শিকি লোৱা পাঠৰ ভিত্তিত ভৱিষ্যৎ ৰণনীতি প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত আগন্তুক লোকসভা নিৰ্বাচনলৈ দলটোক সম্পূৰ্ণৰূপে সাজু কৰি তোলাৰ বাবে বিভিন্ন পৰিকল্পনাৰ ওপৰত বিস্তৃত আলোচনা হয়। ইফালে, সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত প্ৰাক্তন মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই তাৎপৰ্যপূৰ্ণ আৰু চাঞ্চল্যকৰ মন্তব্য আগবঢ়ায়। তেওঁ স্পষ্টকৈ কয় যে আগন্তুক লোকসভা নিৰ্বাচনত ইউপিপিএল দল এনডিএৰ অংশ নহয়। ইয়াৰোপৰি তেওঁ দলটোৱে এনডিএৰ বিকল্প কোনো মিত্ৰজোঁটত চামিল হোৱাৰ সম্ভাৱনা আছে বুলিও ইংগিত দিয়ে। প্ৰাক্তন মন্ত্ৰীগৰাকীৰ এই মন্তব্যে ৰাজনৈতিক মহলত ব্যাপক প্ৰতিক্ৰিয়া লাভ কৰিছে আৰু বিটিআৰৰ ৰাজনীতিৰ সমীকৰণ সলনি হোৱাৰ সম্ভাৱনা সম্পৰ্কে বিভিন্ন মহলত চৰ্চা চলাইছে। ইউপিপিএল দলৰ ভৱিষ্যৎ ৰাজনৈতিক দিশ আৰু মিত্ৰতা সম্পৰ্কে স্পষ্টতা আহি নোপোৱালৈকে ৰাজনৈতিক মহলত এই সন্দৰ্ভত জল্পনা-কল্পনা অব্যাহত থাকিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

# ৫৯খন পতাকা উত্তোলনেৰে ডুমডুমা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ আৰম্ভণি অনুষ্ঠান সম্পন্ন; প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ জুলাই ঃ** ১৯৬৭ চনৰ ১ জুলাইত অসমৰ পূব প্ৰান্তত প্ৰতিষ্ঠা লাভ কৰা উচ্চ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ 'ডুমডুমা মহাবিদ্যালয়'এ বহু ঘাট-প্ৰতিঘাটৰ মাজত আজি ৬০ বৰ্ষত ভৰি দিছেহি। মহাবিদ্যালয়ৰখনৰ এই সোণসেৰীয়া সোণালী ইতিহাস সজীৱ কৰি ৰখাৰ উদ্দেশ্যে অনেক লোকৰ কষ্ট, শ্ৰমৰ বিনিময়ত গঢ় লোৱা এই মহাবিদ্যালয়ৰখনে আজি ইয়াৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰাৰ লগতে বৰ্ষযোৱা 'হীৰক জয়ন্তী' উদযাপনৰ আৰম্ভণি অনুষ্ঠান দিনযোৱা কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। আজি পুৱা মুঠ ৫৯খন পতাকা উত্তোলনৰ পূৰ্বে মাধুৰী বৰুৱাৰ বৰগীত আৰু ভকত-বৈষ্ণৱৰ প্ৰাৰ্থনা মংগল ধ্বনিৰ মাজত মূল পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই। বাকী ৫৮খন পতাকা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী আৰু ডুমডুমা অঞ্চলৰ বিভিন্ন বিশিষ্ট ব্যক্তিৰ দ্বাৰা উত্তোলন কৰা হয়। অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্তই। প্ৰতিষ্ঠাকালৰ সভাপতি মলিয়া তাঁতী আৰু সম্পাদক যোগেন্দ্ৰনাথ ডেকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে প্ৰাক্তন ছাত্ৰ তথা পদ্মশ্ৰী বঁটা প্ৰাপক দুলাল মানকি আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই। অনুষ্ঠানত বৃক্ষৰোপণ কৰে মহাবিদ্যালয়খনৰ প্ৰথম বেটছৰ ছাত্ৰ তথা বিশিষ্ট সমাজকৰ্মী অৰ্জুন বৰুৱাই। দিনৰ এঘাৰ বজাৰ পৰা 'কল্লোল' প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা মুকলি সভাখন মহাবিদ্যালয়ৰ সংগীতেৰে আৰম্ভ কৰা হয়। হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক অধ্যাপক ড° প্ৰাণজিৎ শইকীয়াই আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ আঁৰত বহু ব্যক্তিৰ সাধনা আৰু কষ্ট নিহিত হৈ থকাৰ কথা উল্লেখ কৰি নতুন শিক্ষানীতিৰ মাজত মহাবিদ্যালয়খনে বহু প্ৰত্যাহ্বান আগত লৈ আগবঢ়াৰ প্ৰসংগ উল্লেখ কৰে। মহাবিদ্যালয়ৰ ৬০ বছৰৰ বৰ্ণিল ইতিহাসৰ কথা কৈ সকলোৰে সহযোগত মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে সকলোৰে সহযোগিতা কামনা কৰে। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্তই ১৯৬৭ চনৰ প্ৰতিষ্ঠা কালৰপৰা জড়িত তথা প্ৰয়াত সকলক শ্ৰদ্ধাৰে স্মৰণ কৰি কলেজৰ সৈতে সংপিক্ত হৈ ৰোৱা সকলৰ অৱদানৰ বাবেই আজি ৰাজ্যৰ এখন আগশাৰী কলেজলৈ উত্তৰণ ঘটাৰ কথা উল্লেখ কৰে। তেখেতে ৰাজ্য চৰকাৰে প্ৰতি জিলাত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰাৰ কথা উল্লেখ কৰি ডুমডুমা মহাবিদ্যালয়ক এই ক্ষেত্ৰত বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ বাবে ৰাজ্য চৰকাৰক আহ্বান জনায়। এই মহাবিদ্যালয়খনক লৈ অঞ্চলবাসীৰ যোগাত্মক চিন্তা - কৰ্মক তেখেতে শলাগ লয়। এই অনুষ্ঠানৰ পাছতেই মহাবিদ্যালয়ৰ ইতিহাস সম্বলিত এক দৃশ্য- শ্ৰাব্য শ্লাইড হিন্দি বিভাগৰ সহযোগী অধ্যাপিকা হিৰণ বৈশ্যৰ নেতৃত্বত তথা আন কেইবাগৰাকীও অধ্যাপকৰ সহযোগত প্ৰস্তুত কৰি প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়খনৰ এই সংৰক্ষণৰ সকলোৰে শলাগ লয়। মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা দেৱী বৰদলৈয়ে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ বিভিন্ন দিশ সামৰি কেনেদৰে মহাবিদ্যালয়খন আজিৰ পৰ্যায় পালেহি তাৰ এক বৰ্ণিল বিশে-ষণ আগবঢ়াই নতুন প্ৰজন্মক বহু নজনা কথা অবগত কৰি এক নষ্টালজিক পৰিবেশৰ সৃষ্টি কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা লোক-সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়াই নতুন শিক্ষা নীতিৰ প্ৰসংগ দোহাৰি এই শিক্ষাৰ জৰিয়তে মনৰ ভিতৰত থকা কথা বিকশিত কৰাৰ বাবে ছাত্ৰ সমাজক সুবিধা দিয়া হৈছে যদিও মহাবিদ্যালয়ৰ আন্তঃ গাঁঠনিৰ বাবে তথা এই শিক্ষাৰে প্ৰকৃত শিক্ষা লাভ কৰিব নোৱৰাৰ প্ৰসংগ দোহাৰে। ৰাজ্যত কৰ্ম-সংস্কৃতিৰ অবিহনে জাতি তথা ৰাজ্যৰ উত্তৰণ অসম্ভৱ বুলিও তেখেতে উল্লেখ কৰে। এতিয়াৰ প্ৰজন্মৰ মাজত কিতাপ খুলি নোচোৱাৰ ব্যাধি গঢ় লৈ উঠা বুলি কৈ ড০ শইকীয়াই হাতত বিকাশৰ ক্ষমতা থাকিব লাগিবই বুলি কৈ পৃথিৱীত জীয়াই থাকিবলৈ নিজ হাতে শ্ৰম কৰিব লাগিব বুলিও উল্লেখ কৰে। বহুজাতিক গোষ্ঠীক বৰপীৰা পাৰি দি দেশৰ ধনী শ্ৰেণীক নিজৰ সম্পদ এৰি দি নিজে শ্ৰম নকৰি আনৰ গোলাম হ'বলৈ যোৱা কোনো জাতিয়েই পৃথিৱীত মূৰ দাঙি থিয় হৈ থাকিব নোৱাৰে তেখেতে প্ৰকাশ্যে উল্লেখ কৰে। বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ আধাৰত পৰিস্মৃতা ফুকনে প্ৰদৰ্শন কৰা এক নৃত্যই সকলোকে মোহিত কৰে। অনুষ্ঠান মহাবিদ্যালয়ৰ তৰফৰপৰা প্ৰকাশ কৰি উলিওৱা তিনিখন 'নিউজ বুলেটিন' উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী তথা সাংবাদিক ধীৰেন ডেকা আৰু সমাজকৰ্মী মনজিৎ সিঙে। ড° প্ৰাণজিৎ শইকীয়াই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছতেই অসম সংগীতেৰে দিনজোৱা কাৰ্যসূচীৰ সামৰণি পৰে। উল্লেখযোগ্য যে সমগ্ৰ বছৰজুৰি বিভিন্ন কাৰ্যসূচী মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হ'ব আৰু সামৰণি অনুষ্ঠান অহা বছৰ ৩০ জুনত অনুষ্ঠিত হ'ব।

শ্ৰম মন্ত্ৰীৰ উদ্যোগত মালিক-শ্ৰমিক-প্ৰশাসনৰ ৫ ঘণ্টীয়া বৈঠক

# চেকনী চাহ বাগিচাৰ কাম পুনৰ আৰম্ভ কৰাৰ বাবে দিছপুৰৰ তৎপৰতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুলাই ঃ** বিগত পোন্ধৰ দিনতকৈও অধিক সময় ধৰি অসমৰ নগাঁও জিলাৰ জখলাবন্ধাৰ চেকনী চাহ বাগিচাত চলি থকা অচলাৱস্থাৰ স্থায়ী সমাধান বিচাৰি কালি ৰাজ্য চৰকাৰৰ শ্ৰম কল্যাণ আৰু চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলীৰ অধ্যক্ষতাত দিছপুৰত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈ যায়। দিছপুৰৰ সচিবালয় ভৱনৰ তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত উক্ত বৈঠকত ৰাজ্যৰ শ্ৰম আয়ুক্ত অনন্ত লাল জ্ঞানী, জিলা আয়ুক্ত দেৱাশিস শৰ্মা, সহকাৰী শ্ৰম আয়ুক্ত কবিতা বৰ্মন, চাহ বাগিচাখনৰ স্বত্বাধিকাৰ পঙ্কজ কাংকাৰীয়া, ভাৰতীয় চাহ সন্থাৰ প্ৰতিনিধি, শ্ৰমিক সংগঠনৰ নেতৃত্ব আৰু অন্যান্য অংশীদাৰসকলৰ প্ৰতিনিধি উপস্থিত থাকে। বৈঠকত চাহ বাগিচাখনৰ শ্ৰমিক কল্যাণ, মজুৰি, বোনাচ সম্পৰ্কীয় বিষয়, স্বাস্থ্যসেৱা আৰু বাগিচাখনৰ সামগ্ৰিক কাৰ্যপ্ৰণালীৰ দৰে বিভিন্ন গুৰুত্বপূৰ্ণ দিশ বিতংভাৱে পৰ্যালোচনা কৰা হয়, য'ত সকলো পক্ষই এক স্থায়ী সমাধানৰ লক্ষ্যৰে নিজৰ নিজৰ মতামত দাঙি ধৰে। স্বয়ং মন্ত্ৰীৰ উপস্থিতিত পাচঁ ঘণ্টা ধৰি চলা নিৰন্তৰ আলোচনা-বিলোচনাৰ অন্তত কাইলৈ ২ জুলাইৰ পৰা বাগিচাখনৰ কাম-কাজ পুনৰ আৰম্ভ কৰাৰ সৰ্বসন্মত সিদ্ধান্তত উপনীত হয়। তদুপৰি শ্ৰমিকসকলৰ অভাৱ-অভিযোগসমূহৰ ফলপ্ৰসূ সমাধান আৰু এক গঠনমূলক আলোচনাৰ পৰিৱেশ সৃষ্টি কৰাৰ উদ্দেশ্যে, জিলা প্ৰশাসনৰ অধীনত এখন নিৰীক্ষণ কমিটি গঠন কৰাৰো সিদ্ধান্ত লোৱা হৈছে। এই কমিটীয়ে চাহ বাগিচাখনৰ কাম-কাজ পৰ্যবেক্ষণ কৰিব, শ্ৰমিকসকলে উত্থাপন কৰা সমস্যাসমূহৰ সমাধান কৰিব আৰু চেকনী চাহ বাগিচাখন পুনৰ খোলাৰ লগতে ইয়াৰ সুচাৰু পৰিচালনাৰ বাবে এক অনুকূল পৰিৱেশ গঢ়ি তুলিবলৈ কাম কৰিব। সভাত মালিক-শ্ৰমিক সংঘাতৰ বাবে বন্ধ হৈ থকা বাগিছাখনৰ কাম-কাজ কাইলৈ অৰ্থাৎ অহা ২ জুলাইৰ পৰা পুনৰ আৰম্ভ কৰাৰ বাবে লোৱা সিদ্ধান্তত সকলো পক্ষই সহমত পোষণ কৰে। চাটাই কৰা শ্ৰমিক সকলক এসপ্তাহৰ ভিতৰত কামত যোগদান কৰাৰ সুবিধা প্ৰদান কৰা হৈছে। তদুপৰি কোনো শ্ৰমিকে একেৰাহে চাৰিদিন কামত অনুপস্থিত থাকিলে তেনে লোকৰ বিৰুদ্ধে বিধি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও স্পষ্ট কৰি দিয়া হয়। উল্লেখযোগ্য যে, জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ উদ্যোগতো বাগিছাখনৰ অচলাবস্থাৰ অৱসানৰ বাবে ইতিপূৰ্বে দুলানি আলোচনা অনুষ্ঠিত হৈ গৈছে। জিলা প্ৰশাসন আৰু শ্ৰম বিভাগৰ প্ৰচেষ্টা সফল নোহোৱাত কালি অসম চৰকাৰৰ হৈ শ্ৰম মন্ত্ৰীয়ে নিজেই বিষয়টো সমাধানৰ উদ্যোগ লৈ আলোচনা অনুষ্ঠিত কৰে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনোৱা মতে, প্ৰায় ৫ ঘণ্টা ধৰি চলা সভা আৰু আলোচনাৰ অন্তত বৃহৎ চাহ বাগিচাখনৰ অচলাৱস্থাৰ অৱসান ঘটাৰ আশা দেখা গৈছে। অৱশ্যে জানিব পৰা মতে, আজি মালিক পক্ষই পূৰ্বৰ চুক্তিৰ দোহাই দি নতুন বিষয় এটা উত্থাপন কৰাত পুনৰ এক অনিশ্চয়তাৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, মধ্য অসমৰ অন্যতম বৃহৎ চাহ বাগিচাখনত প্ৰত্যক্ষভাৱে প্ৰায় ৮০০ শ্ৰমিক জড়িত হৈ আছে।

ড° অদিতি কোঁৱৰ গগৈ সভাপতি, মীণাক্ষী দাস বৰুৱা আৰু ড° ইন্দ্ৰানী সেনগুপ্তা সম্পাদক নিৰ্বাচিত

# ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰীৰ ১৩ সংখ্যক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাৰ্ফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১ জুলাই ঃ** ডিব্ৰুগড়ৰ আগশাৰীৰ শিক্ষানুষ্ঠান মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সংস্থাৰ ১৩ সংখ্যক সাধাৰণ সভাখন মহাবিদ্যালয় চৌহদত শান্তিপূৰ্ণ আৰু সাফল্যমণ্ডিতভাৱে অনুষ্ঠিত হয়। মহিলা শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে পৰিচিত এই শিক্ষানুষ্ঠানত অনুষ্ঠিত সভাত ২০২৬-২৮ বৰ্ষৰ বাবে নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। ২০২৪-২০২৬ বৰ্ষৰ প্ৰাক্তন ছাত্ৰী সংস্থাৰ সভাপতি ৰূপালী মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ অনুপজ্যোতি ভড়ালী, আইকিউএচি-ৰ সমন্বয়ক অশ্বিনী মাৰ্চ, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° শেৱালি বৰবৰা, প্ৰাক্তন উপাধ্যক্ষ ড° প্ৰাতসলতা বুঢ়াগোহাঁই, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° সন্ধ্যাৰানী দেৱী আৰু ষাঠিৰ দশকৰ প্ৰাক্তন ছাত্ৰী আইজনী বৰা। সভাৰ আৰম্ভণিতে সহকাৰী সম্পাদক মৈত্ৰেয়ী ভৌমিকে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। পুৰণি সমিতিৰ সম্পাদক ড° ইন্দ্ৰানী সেনগুপ্তাই বিগত দুবছৰীয়া কাৰ্যকালৰ সম্পূৰ্ণ প্ৰতিবেদন পাঠ কৰে আৰু কোষাধ্যক্ষ কৃষ্ণা গগৈয়ে আয়-ব্যয়ৰ হিচাপ-নিকাচ দাখিল কৰে। সভাত প্ৰতিবেদন আৰু হিচাপ-নিকাচ গৃহীত হোৱাৰ পাছতে পুৰণি সমিতিখন আনুষ্ঠানিকভাৱে ভংগ কৰা হয়। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি নতুন সমিতি গঠনৰ ক্ষেত্ৰত ড° অদিতি কোঁৱৰ গগৈক সভাপতি, মীণাক্ষী দাস বৰুৱা আৰু ড° ইন্দ্ৰানী সেনগুপ্তাক সম্পাদক, পল্লৱী দাসক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰি মুঠ ১১ জনীয়া এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। সভাত উপস্থিত বিশিষ্ট অতিথিসকলে মহাবিদ্যালয়খনৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰসংগত গঠনমূলক বক্তব্য আগবঢ়াই নতুন সমিতিখনলৈ শুভেচ্ছা জ্ঞাপন কৰে। নৱ- নিৰ্বাচিত সম্পাদক মীণাক্ষী দাস বৰুৱাই আগন্তুক দিনত সকলোৰে সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ কামনা কৰি মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে আন্তৰিকতাৰে কাম কৰি যোৱাৰ অঙ্গীকাৰ ব্যক্ত কৰে। সভাত জ্যেষ্ঠ প্ৰাক্তন ছাত্ৰী আইজনী বৰাৰ লগতে মুঠ ১৪ গৰাকী প্ৰাক্তন ছাত্ৰীক আজীৱন সভ্যৰ স্বীকৃতি পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। মহাবিদ্যালয়ৰ বহু শিক্ষাগুৰু আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত অৰ্ধশতাধিক প্ৰাক্তন ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনৰ অন্তত সভাপতি ৰূপালী মজুমদাৰে সামৰণি মন্তব্য আগবঢ়ায় আৰু মৈত্ৰেয়ী ভৌমিকে শলাগৰ শৰাই আগবঢ়ায়।

# গোৱালপাৰা মহাবিদ্যালয়ত জিলা পথ সুৰক্ষা সমিতিৰ সজাগতা সভা

**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ১ জুলাই ঃ** পথ দুৰ্ঘটনা আৰু পথ দুৰ্ঘটনাজনিত মৃত্যুৰ সংখ্যা হ্ৰাস কৰাৰ লক্ষ্যৰে গঠন কৰা জিলা পথ সুৰক্ষা সমিতি, গোৱালপাৰাৰ উদ্যোগত সোমবাৰে গোৱালপাৰা মহাবিদ্যালয়ত পথ সুৰক্ষা বিষয়ক এক সজাগতা সভা অনুষ্ঠিত হয়। গোৱালপাৰা জিলা প্ৰশাসন, গোৱালপাৰা আৰক্ষী, পৰিবহণ বিভাগ, লোক নিৰ্মাণ (পথ) বিভাগ, স্বাস্থ্য বিভাগ, আবকাৰী বিভাগ আৰু শিক্ষা বিভাগৰ বিষয়াসকলক লৈ গঠিত জিলা পথ সুৰক্ষা সমিতিয়ে এই অনুষ্ঠানৰ আয়োজন কৰে। ইয়াৰ পূৰ্বে লক্ষ্মীপুৰ মহাবিদ্যালয় আৰু দুধনৈ মহাবিদ্যালয়তো একে ধৰণৰ সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত জিলা আয়ুক্ত তথা জিলা পথ সুৰক্ষা সমিতিৰ সভাপতি প্ৰদীপ টিমুংয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে পথ সুৰক্ষাৰ গুৰুত্ব সম্পৰ্কে ভাষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ আগবঢ়ায় অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্ৰহ্মই। সভাত জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব তথা লোক নিৰ্মাণ (পথ) বিভাগৰ অধীক্ষক অভিযন্তা কুলেন্দ্ৰ বড়ো, অতিৰিক্ত জিলা আয়ুক্ত শ্ৰী দীপমালা গোৱালা, অতিৰিক্ত আৰক্ষী অধীক্ষকদ্বয় বিদ্যুৎ বিকাশ বৰা ভূঞা, নিৰ্বাচনী বিষয়া পল্লৱী বৰা, সহকাৰী আয়ুক্ত বাবলি দাস, গোৱালপাৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়া অমিতেশ ৰাজখোৱা, জিলা পৰিবহণ বিষয়া সত্যকাম গগৈ আদিয়ে অংশগ্ৰহণ কৰে। সজাগতা সভাৰ অংশ হিচাপে গোৱালপাৰাৰ মূকাভিনয় শিল্পী প্ৰনৱজ্যোতি দাস আৰু তেওঁৰ দলৰ শিল্পীসকলে পথ সুৰক্ষা বিষয়ক এক মূকাভিনয় প্ৰদৰ্শন কৰে। মূকাভিনয়ৰ জৰিয়তে হেলমেট নিপিন্ধা, ছীটবেল্ট ব্যৱহাৰ নকৰা আৰু মদ্যপান কৰি বাহন চলোৱাৰ ভয়াবহ পৰিণতি ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত আকৰ্ষণীয়ভাৱে উপস্থাপন কৰা হয়। অনুষ্ঠানৰ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকসকলে এনে সজাগতামূলক কাৰ্যসূচী আয়োজন কৰাৰ বাবে জিলা আয়ুক্তক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটো সঞ্চালনা কৰে ঘোষক জয়ন্ত মেধীয়ে। অধ্যাপকসকলে আশা প্ৰকাশ কৰে যে এনে সজাগতা কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পথ সুৰক্ষাৰ বিষয়ে অধিক সচেতনতা গঢ়ি তুলিব।

# ডুমডুমাত গ্ৰীষ্মকালীন ক্ৰিকেট প্ৰশিক্ষণ শিবিৰ আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ জুলাই ঃ** ডুমডুমা ক্ৰিকেট একাডেমীৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এইবাৰো আজিৰে পৰা ডুমডুমা নগৰ খেলপথাৰত এটি ২০ দিনীয়া গ্ৰীষ্মকালীন ক্ৰিকেট প্ৰশিক্ষণ শিবিৰ আৰম্ভ হৈছে। উল্লেখযোগ্য যে, অসম ৰঞ্জী দলৰ প্ৰাক্তন খেলুৱৈ তথা বিগত বৰ্ষৰ অসম ৰঞ্জী দলৰ প্ৰশিক্ষক ৰাজীৱ ৰাজবংশী আৰু গোৱাৰ ফিটনেছ ট্ৰেইনাৰ সুজিত ৰাণেৰ লগতে একাডেমীৰ নিয়মীয়া প্ৰশিক্ষক তথা প্ৰাক্তন ৰাজ্যিক খেলুৱৈ দ্বীপেন মহন্ত প্ৰশিক্ষক ৰূপে উপস্থিত থকা এই প্ৰশিক্ষণ শিবিৰত আজি প্ৰথম দিনাই বৃহত্তৰ ডুমডুমা অঞ্চলৰ ৮০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। আজি পুৱা এই প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰাৰ প্ৰাক মুহূৰ্তত এটি চমু উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ প্ৰণৱজ্যোতি ডেকা, ডুমডুমা ক্ৰিকেট একাডেমীৰ সভাপতি ৰাজকুমাৰ ৰায়, ডুমডুমা চেম্বাৰ্চ অৱ কমাৰ্চৰ সভাপতি কিষাণলাল পাৰীক, ডুমডুমা ট্ৰেডাৰ্চ এচোছিয়েশ্যনৰ সভাপতি হামিদ খান, ক্ৰীড়াবিদ সঞ্জু চৌধুৰীকে প্ৰমুখ্য কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু অভিভাৱকসকল উপস্থিত আছিল। উল্লেখ্য যে, এই প্ৰশিক্ষণ শিবিৰৰ জৰিয়তে অনাগত দিনত জিলা, ৰাজ্যিক তথা ভাৰতীয় দলত ইয়াৰ খেলুৱৈয়ে স্থান লাভ কৰাৰ আশা প্ৰকাশ কৰে প্ৰশিক্ষকদ্বয়ে।

উপযুক্ত খেলপথাৰৰ অভাৱত ভুগিছে ছাত্ৰ-ছাত্ৰী; কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ লগতে জনপ্ৰতিনিধিৰ

# এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত একাঁঠু পানী

**অসম বাৰ্তা, জনীয়া, ১ জুলাই ঃ** বৰপেটা জিলাৰ বানিয়াৰাপাৰা, গৰেমাৰী অঞ্চলৰ ঐতিহ্যমণ্ডিত এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ বৰ্তমান একাঁঠু পানীৰে ডুব যোৱাত বিদ্যালয়খনৰ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে খেল-ধেমালি আৰু বিভিন্ন ক্ৰীড়া কাৰ্যসূচীৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। দীৰ্ঘদিন ধৰি বছৰৰ বেছি দিনেই খেলপথাৰখনৰ আধা অংশ পানীত ডুবি থকাৰ ফলত বিদ্যালয়খনত ক্ৰীড়া চৰ্চাৰ অনুকূল পৰিৱেশ নোহোৱা হৈছে। বাৰিষাৰ আৰম্ভণিতেই খেলপথাৰখনৰ আধা অংশ পানীত বুৰ যায়। পানী নিষ্কাশন ব্যৱস্থা নথকাৰ বাবে দীৰ্ঘদিন ধৰি পানী জমা হৈ থাকে। ফলত ছাত্ৰ-ছাত্ৰীয়ে শাৰীৰিক শিক্ষা, খেল-ধেমালি, ব্যায়াম আৰু বিদ্যালয়ৰ বিভিন্ন ক্ৰীড়া অনুষ্ঠান অনুষ্ঠিত কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। বিষয়টো সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় জনপ্ৰতিনিধিৰ দৃষ্টিগোচৰ কৰা হৈছে যদিও আজিলৈ কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। ফলত সমস্যাটো দিনক দিনে অধিক জটিল ৰূপ ধাৰণ কৰিছে। এখন সুস্থ আৰু উন্নত খেলপথাৰ শিক্ষাৰ এক অপৰিহাৰ্য অংশ। কিন্তু খেলপথাৰখনৰ এনে শোচনীয় অৱস্থাই ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশত বিৰূপ প্ৰভাৱ পেলাইছে। বিদ্যালয় কৰ্তৃপক্ষ, অভিভাৱক আৰু স্থানীয় ৰাইজে অতি শীঘ্ৰে খেলপথাৰখনৰ পানী নিষ্কাশনৰ স্থায়ী ব্যৱস্থা গ্ৰহণ কৰি, মাটি পেলাই খেলপথাৰ উন্নয়ন আৰু ক্ৰীড়াৰ উপযোগী কৰি তোলাৰ দাবী জনাইছে। শিক্ষা বিভাগ, সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় জনপ্ৰতিনিধিয়ে বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে অঞ্চলবাসীয়ে।

# দৰং জিলাৰ চৰকাৰী বিদ্যালয়সমূহৰ ৪ৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ সাধাৰণ সভা

**অসম বাৰ্তা, মঙলদৈ, ১ জুলাই ঃ** দৰং জিলাৰ আউলাচৌকাৰ নৱজ্যোতি উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত ৪ৰ্থ বৰ্গৰ চৰকাৰী কৰ্মচাৰী সন্থাৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাখনত সভাপতিত্ব কৰে সতীশ চন্দ্ৰ বনিয়াই আৰু সভাখনৰ আঁত ধৰে ৰাজ্যিক সমিতিৰ সহঃ সম্পাদক অজন্ত ডেকাই। শেহতীয়াকৈ সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালক ওম প্ৰকাশ মহোদয়ে এক নিৰ্দেশনাযোগে বিদ্যালয়ৰ ৪ৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক বাধ্যতামূলকভাৱে যি নৈশ দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিছে তাত কৰ্মচাৰীসকলৰ মনত, বিৰূপ প্ৰভাব পৰিছে। আচলতে ৪ৰ্থ বৰ্গৰ কৰ্মচাৰীসকলে চাকৰিত যোগদান কৰাৰ পৰাই কেৱল দিনতেই কৰ্তব্য পালন কৰি আহিছে। নৈশ দায়িত্ব পালন কৰিবলৈ তেওঁলোক কোনো প্ৰশিক্ষণ প্ৰাপ্ত নিৰাপত্তাৰক্ষী নহয়। যদি তেওঁলোকক কোনো দুবৃত্তই আক্ৰমণ কৰে তেতিয়া তেওঁলোক সম্পূৰ্ণ নীৰস্ত্ৰ। আজিকালি বিদ্যালয়বোৰত বিভিন্ন ধৰণৰ IT সামগ্ৰী আহিছে সেইবোৰ যথেষ্ট মূল্যৱান। গতিকে ৪ৰ্থ বৰ্গৰ কৰ্মচাৰীজনে এইবোৰ কেনেকৈ ৰক্ষণাবেক্ষণ দিব। দৰং জিলা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলে এইক্ষেত্ৰত মাননিয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয় আৰু অসমৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ক এই কথাবোৰত হস্তক্ষেপ কৰি তৎকালে বলবৎ হোৱাকৈ এই নিৰ্দেশনা প্ৰত্যাহাৰ কৰি চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ মনৰ সংশয় দূৰ কৰিব বুলি আমি আশাবাদী। নৈশ চকীদাৰৰ পদ সৃষ্টি কৰি অথবা স শস্ত্ৰ নিৰাপত্তাৰক্ষী নিয়োগ কৰি নতুনকৈ উদ্ভৱ হোৱা সমস্যাৰ অন্ত পেলাব। ইয়াৰ উপৰিও সভাখনত বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলে উপযুক্ত Grade pay আজি পৰ্যন্ত নোপোৱাত ক্ষোভ প্ৰকাশ কৰে। ইতিমধ্যে অসমৰ মাননিয় মুখ্যমন্ত্ৰী মহোদয়ে পদোন্নতিৰ ক্ষেত্ৰত যি সু ব্যৱস্থা গ্ৰহণ কৰিম বুলি আশ্বাস দিছে তেনে ক্ষেত্ৰত কোনো বিসংগতি নোহোৱাকৈ কামখিনি সুচাৰুৰূপে সম্পাদন হব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

# নীলবাগান এম.এম. কলেজত শিক্ষাৰ্থী অনুপ্ৰেৰণামূলক অনুষ্ঠান

বিধায়ক মৌলানা বদৰুদ্দিন আজমলক সম্বৰ্ধনা

**অসম বাৰ্তা, ডবকা, ১ জুলাই ঃ** হোজাই জিলাৰ নীলবাগান এম এম কলেজ অৱ চাইন্স, আৰ্টছ এণ্ড কমাৰ্চত এক গাম্ভীৰ্যপূৰ্ণ শিক্ষাৰ্থী অনুপ্ৰেৰণা মূলক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিন্নাকান্দি সমষ্টিৰ বিধায়ক মৌলানা বদৰুদ্দিন আজমল মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে কলেজৰ ন্যাসৰক্ষি সকলে বিধায়কগৰাকীক ফুলাম গামোচা, জাপি, শৰাই আৰু স্মাৰকপত্ৰ প্ৰদান কৰি উষ্ম সম্বৰ্ধনা জনায়। উল্লেখ্য যে, প্ৰতিষ্ঠালাভৰ পিছৰে পৰা নীলবাগান এম এম কলেজে শিক্ষাৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে উন্নত ফলাফল প্ৰদৰ্শন কৰি আহিছে। কলেজখনৰ এই সাফল্যৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি বিধায়ক মৌলানা বদৰুদ্দিন আজমলে শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰাৰ আগ্ৰহ প্ৰকাশ কৰে। সেই উদ্দেশ্যেই তেওঁ কলেজখনত আজি উপস্থিত হৈ শিক্ষাৰ্থী সকলক কঠোৰ পৰিশ্ৰম, শৃংখলা আৰু উচ্চ লক্ষ্য স্থিৰ কৰি আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানত শিক্ষাৰ্থীসকলৰ সৈতে এক আন্তৰিক মত-বিনিময় কৰে মৌলানা বদৰুদ্দিন আজমলে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আজমল ফাউণ্ডেচনৰ সঞ্চালক ড°খচৰুল ইছলাম। তেওঁ শিক্ষাৰ্থীসকলক উদ্দেশ্যে প্ৰেৰণামূলক বক্তব্য আগবঢ়াই কয়, শিক্ষাৰ জৰিয়তে জীৱন গঢ়ি তোলাৰ লগতে সমাজৰ প্ৰতি দায়বদ্ধ নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ তেওঁ আহ্বান জনায়। কলেজ খনৰ আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি সকলো প্ৰকাৰে আজমল ফাউণ্ডেছনে সহায় কৰিব বুলি আশ্বাস প্ৰদান কৰে ড° খচৰুল ইছলামে। অনুষ্ঠানত ন্যাসৰক্ষিৰ হৈ উপস্থিত থাকে ফখৰ উদ্দিন, শ্বাকিৰ আহমেদ বৰভূএঞা, জাকিৰ হুছেইন, বিলাল আহমেদ বৰভূএঞা, আজিজুৰ ৰহমান, আইনুল হক চৌধুৰীকে ধৰি বিভিন্ন জন। লগতে উপস্থিত থাকে বিশিষ্ট সমাজ সেৱক চুহেল আহমেদ। বক্তাসকলে শিক্ষাৰ মানদণ্ড উন্নত, চৰিত্ৰ গঠন আৰু সমাজ গঢ়াৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানটোৱে শিক্ষাৰ্থীসকলৰ মাজত নতুন উদ্যম আৰু আত্মবিশ্বাস সৃষ্টিত বিশেষ ভূমিকা পালন কৰি বুলি ন্যাসৰক্ষি সকলে মত প্ৰকাশ কৰে। লগতে মৌলানা বদৰুদ্দিন আজমল আৰু ড° খচৰুল ইছলামৰ শলাগ লয়।

# গোলকগঞ্জ সমজিলাত দিনজোৰা কাৰ্যসূচীৰে জিলা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, গোলকগঞ্জ, ১ জুলাই ঃ** ধুবুৰী জিলাৰ অন্তৰ্গত গোলকগঞ্জস্থিত চিলাৰায় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত গোলকগঞ্জ সমজিলা প্ৰশাসনৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে জিলা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত সমজিলাখনৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট ব্যক্তি, চৰকাৰী বিষয়া-কৰ্মচাৰী, শিক্ষাবিদ, সমাজকৰ্মী আৰু বহু সংখ্যক আমন্ত্ৰিত অতিথিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি গোলকগঞ্জ সমজিলাৰ আয়ুক্ত ইয়কুম আই উজুকুমে জিলা দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰি সমজিলাখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে প্ৰশাসন আৰু জনসাধাৰণৰ মাজত সু-সমন্বয় গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ জনসেৱাক অধিক স্বচ্ছ, গতিশীল আৰু জনমুখী কৰি তোলাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। অনুষ্ঠানত গোলকগঞ্জ ৰাজহ চক্ৰ বিষয়া, গোলকগঞ্জ সমজিলা আৰক্ষী আয়ুক্ত, চিলাৰায় মহাবিদ্যালয়ৰ অধ্যক্ষ নিতাই চন্দ্ৰ ৰায়কে ধৰি বিভিন্ন চৰকাৰী বিভাগৰ বিষয়ববীয়া আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। বক্তাসকলে নিজৰ বক্তব্যত গোলকগঞ্জ সমজিলাৰ উন্নয়ন, জনকল্যাণমূলক আঁচনিৰ সফল ৰূপায়ণ আৰু সামগ্ৰিক প্ৰশাসনিক ব্যৱস্থাক অধিক ফলপ্ৰসূ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। দিনজোৰা কাৰ্যসূচীৰ অন্তৰ্গতি বিভিন্ন অনুষ্ঠানৰ জৰিয়তে জিলা দিৱসৰ তাৎপৰ্য্য দাঙি ধৰা হয়। উৎসাহ-উদ্দীপনাপূৰ্ণ পৰিৱেশত সম্পন্ন হোৱা এই উদ্‌যাপন অনুষ্ঠানত উপস্থিত সকলোৰে গোলকগঞ্জ সমজিলাৰ উন্নয়নৰ স্বাৰ্থত সমন্বিতভাৱে কাম কৰাৰ সংকল্প ব্যক্ত কৰে।

# কৃষিক্ষেত্ৰত মহিলাৰ আধিপত্য দেখি অভিভূত পলাশবাৰীৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য

## ছয়গাঁৱৰ গ্ৰামীণ ছাহাৰাৰ বহু পাক্ষিক কৃষি বিকাশ সন্মিলনত ৭ হাজাৰ মহিলা কৃষকৰ প্ৰতিনিধি

**অসম বাৰ্তা, ছয়গাঁও, ১ জুলাই ঃ** গ্ৰামীণ ছাহাৰাই মছলা আৰু উদ্যান শস্যৰ মূল্য শৃংখল শক্তিশালীকৰণৰ লক্ষ্যৰে মঙলবাৰে বহুপক্ষীয় কৃষি উন্নয়ন সমাৰোহৰ আয়োজন কৰে। কামৰূপ জিলাৰ ছয়গাঁৱৰ পশ্চিমধূলিত আয়োজন কৰা এই সমাৰোহত বিজ্ঞানী, চৰকাৰী বিষয়া, ক্ৰেতা, কৃষি বিশেষজ্ঞ আৰু অগ্ৰণী কৃষকসকল একত্ৰিত হৈ মছলা আৰু উদ্যান শস্য খণ্ডৰ উন্নয়নৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। আজিম প্ৰেমজী ফাউণ্ডেচনৰ সহযোগিতাত ৰূপায়ণ হৈ থকা প্ৰকল্পৰ অধীনত গ্ৰামীণ সহাৰাই অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ ৭ হাজাৰ মহিলা কৃষকৰ সৈতে হালধি, জলকীয়া, আদা, অসমীয়া নেমু, আনাৰস আদি উচ্চ-মূল্যৰ উদ্যান শস্যৰ খেতিৰ জৰিয়তে বহনক্ষম জীৱিকাৰ উন্নয়নৰ বাবে কাম কৰি আহিছে। সভাত মহিলা কৃষকৰ লগতে কৃষক উৎপাদক গোট আৰু "কৃষক উৎপাদক কোম্পানীৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে গ্ৰামীণ ছাহাৰাৰ সম্পাদক শৰৎ চন্দ্ৰ দাসে আদৰণি ভাষণ আগবঢ়োৱা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যই। বিধায়ক বৈশ্যই কৃষি মন্ত্ৰী পিযুষ হাজৰিকাৰ জৰিয়তে সমষ্টিৰ কৃষকৰ সপোন পূৰণ কৰিব বুলি কোৱাৰ লগতে উন্নয়নমূলক সংস্থা, কাৰিকৰী প্ৰতিষ্ঠান আৰু কৃষকসকলৰ মাজত সমন্বিত প্ৰচেষ্টাৰে কাম কৰি যোৱাৰ আশ্বাস দিয়ে। মীন বিভাগৰ ৰাজ্যিক তথ্য বিষয়া ধ্ৰুৱজ্যোতি শৰ্মাই পৰিচালনা কৰা সভাখনত ভাষণ প্ৰদান কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ৰমাকান্ত ৰাভা, জিলা পৰিষদৰ সদস্য মিহিৰ ৰঞ্জন দাস, মণ্ডল সভাপতি কমলেশ্বৰ দাস, বিশিষ্ট ব্যৱসায়ী মুকুট ঠাকুৰীয়া, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী সোণমইনা ভূঞা, জিলা মীন বিষয়া বিপুল খাটনিয়াৰ, গ্ৰামীণ ছাহাৰাৰ প্ৰকল্প মুৰব্বী অমিয় কুমাৰ দাস, কাৰ্যবাহী সঞ্চালক বিক্ৰমাদিত্য দাস উপস্থিত আছিল। সভাত স্পাইচ বোৰ্ডৰ উপ সঞ্চালক ড° দ্বীজেন্দ্ৰ মোহন বৰ্মনে কয় যে - ভাৰতবৰ্ষৰ নিচিনা দেশ এখনত সমস্যা সমাধান কৰিব নোৱাৰি, নিজে নিজৰ সমস্যা সমাধান কৰিব লাগিব বুলি কয়। ইয়াৰ উপৰিও সভাত কাহিকুছি উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° শৰৎ শইকীয়াই কয় যে- যিমান তামোল গছ আছে, সিমান জালুকৰ খেতি কৰিব লাগে বুলি কয়। অনুষ্ঠানস্থলীত প্ৰকল্পৰ অধীনৰ মহিলা কৃষকসকলে উৎপাদিত মছলা আৰু উদ্যান শস্যৰ এক প্ৰদৰ্শনী ষ্টলৰো আয়োজন কৰা হয়।

## মৰিগাঁও জিলাৰ স্বাস্থ্যসেৱাত এক উল্লেখযোগ্য সংযোজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ জুলাই ঃ** আজি মৰিগাঁও অসামৰিক চিকিৎসালয়ত Pediatric Intensive Care Unit (PICU)-ৰ শুভ উদ্বোধন মাননিয় মৰিগাঁও সমষ্টিৰ বিধায়ক মহোদয়, মৰিগাঁও জিলাৰ মাননিয়া উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য), যুটীয়া স্বাস্থ্য সঞ্চালক মহোদয় আৰু স্বাস্থ্য বিভাগৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ গৌৰৱময় উপস্থিতিত সম্পন্ন হয়। PICU-ৰ শুভাৰম্ভে মৰিগাঁও জিলাৰ লগতে ওচৰ-পাজৰৰ অঞ্চলৰ গুৰুতৰ অসুস্থ শিশুসকলৰ বাবে উন্নতমানৰ চিকিৎসা সেৱা নিশ্চিত কৰাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিলে। এই সুবিধাই জৰুৰী চিকিৎসা অধিক সুলভ কৰাৰ লগতে শিশুমৃত্যুৰ হাৰ হ্ৰাস কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# মঙলদৈত উদ্যোগপতি মুকুল চন্দ্ৰ ডেকাক সম্বৰ্ধনা

**অসম বাৰ্তা, মঙলদৈ, ১ জুলাই ঃ** মঙলদৈ সনাতন ধৰ্মসভাৰ উদ্যোগত যোৱা ২৭ জুনত ধৰ্ম সভাৰ সভাকক্ষত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ৰাজ্যৰ এগৰাকী বিশিষ্ট উদ্যোগপতি, মঙলদৈ বনিক সন্থাৰ সভাপতি, মঙলদৈ সনাতন ধৰ্মসভাৰ কোষাধ্যক্ষ তথা বিশিষ্ট সমাজসেৱক মুকুল চন্দ্ৰ ডেকাক নগাঁও বিশ্ব বিদ্যালয়ৰ সন্মানীয় প্ৰাধ্যাপক (পেটিচ্ অব্ প্ৰফেচৰ) হিচাপে নিযুক্তি লাভ কৰাৰ বাবে জিলাখনৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। মঙলদৈ সনাতন ধৰ্ম সভাৰ সভাপতি তথা বিশিষ্ট সমাজসেৱক পঞ্চানন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বিশিষ্ট উদ্যোগপতি মুকুল চন্দ্ৰ ডেকাক সনাতন ধৰ্মসভাৰ তৰফৰ পৰা পাটৰ গামোচা, পিতলৰ জাপি, স্মাৰক, শৰাই, মানপত্ৰ আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। মঙলদৈ সনাতন ধৰ্মসভাৰ সাধাৰণ সম্পাদক তথা দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাই আঁত ধৰা এই সভাত ধৰ্মসভাৰ লগতে মঙলদৈ বনিক সন্থা, দৰং জিলা কৰ্মচাৰী পৰিষদ, দেৱ দামোদৰ সংঘৰ দৰং জিলা সমিতি, জিলা মহিলা সমিতি আদি অনুষ্ঠান, ব্যক্তিয়ে মানপত্ৰ, ফুলাম গামোছা, স্মাৰক আদিৰে উদ্যোগপতি মুকুল চন্দ্ৰ ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰে। জিলাখনৰ বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিৰ ৰাজহুৱা উষ্ণ সম্বৰ্ধনা গ্ৰহণ কৰি উদ্যোগপতি তথা সদ্য নিয়োজিত নগাঁও বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক মুকুল চন্দ্ৰ ডেকাই কয় যে বিফলতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। কাৰণ প্ৰত্যেকৰে জীৱনত বিফলতা আছে। এনে বিফলতাক প্ৰত্যাহ্বান কিম্বা অভিজ্ঞতা হিচাপে লৈ যিসকলে নেৰেনেপেৰাকৈ নিজ কৰ্মত জড়িত হৈ থাকে সেই সকল এদিন সফল হ'বই। তেওঁ লগতে কয়- 'বহুবাৰ বিফল হৈয়ো সফল হোৱা ব্যক্তি পৃথিৱীত অলেখ আছে। তাৰ এক উদাহৰণ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন কথাকেই আমি ল'ব পাৰো। সেয়ে বিফলতাক গুৰুত্ব নিদি পৰিকল্পিতভাবে আগবাঢ়ি গ'লে এদিন লক্ষ্যস্থানত উপনীত হোৱাটো নিশ্চিত। আজি মই মুকুল ডেকা হোৱাটো এদিনৰ কথা নহয়। দীৰ্ঘদীন আমাৰ যৌথ পৰিয়ালটোৰ প্ৰতিগৰাকী সদস্য আৰু প্ৰতিষ্ঠানসমূহৰ বিষয়া-কৰ্মচাৰীসকলৰ একাণপতীয়া প্ৰচেষ্টাৰহে ফচল। প্ৰায় তিনি শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত এই সভাত ৰেডক্ৰছ ছ'চাইটিৰ দৰং শাখাৰ অধ্যক্ষ হৰেন কাকতি, মঙলদৈ পৌৰসভাৰ সভানেত্ৰী নিৰ্মালী দেৱী শৰ্মা, মঙলদৈ সনাতন ধৰ্মসভাৰ মুখ্য উপদেষ্টা তথা বিশিষ্ট সাহিত্যিক ফুলেন্দ্ৰ নাথ চহৰীয়া, উপ-সভাপতি দ্বয় শুক্লেশ্বৰ নাথ আৰু উপেন্দ্ৰ চহৰীয়া, দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, দেৱ দামোদৰ সংঘৰ দৰং জিলা সমিতিৰ সম্পাদক ধীৰেন্দ্ৰ কুমাৰ শৰ্মা, সাহিত্যিক পেন্সনাৰ ললিতা দেৱী, মানৱতাবাদী সংগঠন 'মানুহে মানুহৰ বাবে'ৰ সভাপতি হৰি চন্দ্ৰ শৰ্মা, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি জয়ন্ত কুমাৰ শৰ্মা, আছুৰ প্ৰাক্তন উপ সভাপতি খনীন্দ্ৰ কুমাৰ ৰাজবংশী আদিয়ে অংশগ্ৰহণ কৰে।

## অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ "আবৃত্তিৰ মহাৰণ"প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১ জুলাই ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, ওদালগুৰি জিলা সমিতিৰ উদ্যোগত "আবৃত্তি মহাৰণ" শীৰ্ষক জিলা পৰ্য্যায়ৰ আবৃত্তি প্ৰতিযোগিতা কালি টংলাস্থিত নৰ্থ দৰং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল প্ৰেক্ষাগৃহত সফলভাৱে অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা ১০ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিকৃতিত মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে যথাক্ৰমে ওদালগুৰি জিলা সমিতিৰ সভাপতি ৰাতুল চন্দ্ৰ ভৰালী আৰু অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ৰাজ্যিক সাংগঠনিক সম্পাদক পাৰ্থ প্ৰতিম পাঠকে। ওদালগুৰি জিলা সমিতিৰ সম্পাদক শঙ্কৰ জ্যোতি দত্তৰ সুনিৰ্দেশনাত আয়োজিত সমগ্ৰ অনুষ্ঠানটোত আবৃত্তি প্ৰতিযোগিতা পৰিচালনা কৰে ওদালগুৰি জিলাৰ স্বীকৃতি প্ৰাপ্ত প্ৰশিক্ষক গায়ত্ৰী দেৱী, প্ৰতিভা বসু দাস, সংযুক্তা ঘোষ, পৰমানন্দ দাস, দীপ্তিমা ভৰালী, জুৰিটি ডেকা আৰু সমন্বয়ক জোৎস্না দাসে। জিলা সমিতিৰ মুখপাত্ৰ কল্যাণ ৰাভাই আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সভাপতি ডঃ হিতেশ গোস্বামী আৰু প্ৰধান সম্পাদক গুণীন ফুকনে আবৃত্তি কলাৰ চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত সংশি-ষ্ট সকলোৰে সহায়-সহযোগিতা কামনা কৰে। ওদালগুৰি জিলা সমিতিৰ অন্তৰ্গত বিভিন্ন শাখাৰ পৰা সাতটাকৈ শিতানত বাছনিভুক্ত হোৱা মুঠ ৬০ গৰাকী প্ৰতিযোগীৰ মাজত জিলা পৰ্য্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতালৈ ২১ গৰাকী প্ৰতিযোগীক বাছনি কৰা হয়। জিলা পৰ্য্যায়ৰ এই প্ৰতিযোগিতাত ৰাজ্যিক পৰ্যায়লৈ বিভিন্ন শিতানত বাছনি হোৱা ২১ গৰাকী শ্ৰেষ্ঠ প্ৰতিযোগী হ'ল- গজালি শাখাত- ১ম- স্বৰ্ণিকা দত্ত, ২য়- প্ৰীতিষা দাস আৰু ৩য়- যাজী নাথ। কিশলয় শাখাত- ১ম- ঋতুপৰ্ণা চহৰীয়া, ২য়- ৰণদীপ ৰাভা আৰু ৩য়- কৃষ্ণাক্ষী বৰুৱা। জোনাকী শাখাত-১ম- মৈত্ৰেয়ী শইকীয়া, ২য়- নীহাৰিকা দাস আৰু ৩য়- এলিনা টুডু। ৰামধেনু শাখাত- ১ম- প্ৰীয়াস বসু, ২য়- আস্থাজিতা শইকীয়া আৰু ৩য়- শৰ্মিষ্ঠা সাহা মুকলি শাখাত- ১ম- মৰমী চহৰীয়া, ২য়- হিতেশ দাস আৰু ৩য়- পাপৰি কলিতা। প্ৰবীণ শাখাত- ১ম- মনোজ কুমাৰ বৰা, ২য়- দীপেন বোস আৰু ৩য়- দ্বিজেন্দ্ৰ নাথ শৰ্মা আৰু প্ৰশিক্ষক শাখাত-১ম-প্ৰতিভা বসু দাস, ২য়- সংযুক্তা ঘোষ আৰু ৩য়- জুৰিটি ডেকাই লাভ কৰিছে। অনুষ্ঠানত ওদালগুৰি জিলা সমিতিৰ উপ সভাপতি অনিমা ভূঞা বৰুৱা, উপ সভাপতি গৌতমজ্যোতি তালুকদাৰ ( সাংগঠনিক), আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্য়নিৰ্বাহক চিণ্টুমণি চক্ৰৱৰ্তী, ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি নাৰায়ণ দাস, টংলা শাখাৰ সভাপতি-সম্পাদক নিবেদিতা ডেকা বৰুৱা আৰু সুলোচনা ডেকা, কলাইগাঁও শাখাৰ সভাপতি ক্ষীৰা ডেকা, হৰিশিঙা শাখাৰ সভাপতি লক্ষ্মীমণি বৰুৱা আৰু সম্পাদক পিংকী দাস আৰু ভালেকেইগৰাকী স্থানীয় ব্যক্তিয়ে উপস্থিত থাকে। প্ৰতিযোগিতাৰ অন্তত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতালৈ বাছনি হোৱা সকলক মানপত্ৰ প্ৰদান কৰা হয়।

## ভাৰতীয় ইতিহাস সংকলন সমিতিৰ মুখপত্ৰ 'ইতিহাস বাৰ্তা' উন্মোচন

**অসম বাৰ্তা, মঙলদৈ, ১ জুলাই ঃ** ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ মুখপত্ৰ 'ইতিহাস বাৰ্তা'ৰ দৰং বিশেষ সংখ্যাটো শনিবাৰে মঙলদৈ ব্লক চকত অৱস্থিত পশ্চিম মঙলদৈ বহুমুখী প্ৰেক্ষাগৃহত অনুষ্ঠিত এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। সভাৰ আৰম্ভণিতে ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ইতিহাস সংকলন সমিতি, দৰং জিলাৰ সভাপতি সুনীল কুমাৰ গোস্বামীয়ে। জিলা সমিতিৰ সম্পাদক নৱ কুমাৰ শৰ্মাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাখনত আমাৰ দেশৰ ৰাষ্ট্ৰগীত 'বন্দেমাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰ শিল্পীসকলে গীতটো পৰিৱেশন কৰাৰ পিছত বক্তৃতা প্ৰদান কৰে ভাৰতীয় ইতিহাস সংকলন সমিতিৰ উত্তৰ পূব প্ৰান্তৰ সভাপতি শ্ৰীশ্ৰী শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° নিৰঞ্জন কলিতাই। তেখেতে ৰাষ্ট্ৰগীত বন্দেমাতম সম্পৰ্কত সুন্দৰ, মনোগ্ৰাহী তথা তত্ত্ব গধুৰ এটি ভাষণ ৰাখে। অসমৰ এগৰাকী প্ৰতিষ্ঠিত লেখক জ্যোতিৰ্ময় শৰ্মাই ইতিহাস বাৰ্তাখন উন্মোচন কৰাৰ প্ৰাক্ মুহূৰ্তত জিলা সমিতিৰ সম্পাদক তথা ইতিহাস বাৰ্তাৰ অতিথি সম্পাদক নৱ কুমাৰ শৰ্মাই মুখপত্ৰখন সম্পৰ্কত কিছু কথা অৱতাৰনা কৰে। দৰং সম্পৰ্কীয় লেখাৰে সমৃদ্ধ এই সংখ্যাত দৰঙৰ ইতিহাসধৰ্মী আৰু গৱেষণা মূলক বহুকেইটা প্ৰবন্ধ প্ৰকাশ পাইছে। উন্মোচক শৰ্মাই দৰঙৰ ঐতিহাসিক স্থান, সাংস্কৃতিক বিবিধতা সম্পৰ্কে বক্তব্য ৰখাৰ লগতে ইয়াৰ সংবৰ্ধনৰ গুৰুত্ব সম্পৰ্কেও মত পোষণ কৰে। দৰং জিলা ইতিহাস সংকলন সমিতি আৰু সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰ যুটীয়া উদ্যোগত অনুষ্ঠিত সভাখনত কেই বাগৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। সভাতেই গীতা ব্ৰতী ঋষিক দেৱ ভৰদ্বাজক শুভেচ্ছামূলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে এই সভাতেই সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰো কিছু কাৰ্যসূচী সমাপন কৰে। সভাত দুয়োটা সংগঠনৰ বিষয়ববীয়া আৰু সদস্যৰ উপৰিও ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ কাৰ্যকৰী সভাপতি তথা ইতিহাস বাৰ্তাৰ সম্পাদক ড° অনিতা চৌধুৰী, ৰাষ্ট্ৰীয় কাৰ্যকৰী সদস্য তথা ইতিহাস বাৰ্তাৰ কাৰ্যবাহী সম্পাদক ড° জুৰি শৰ্মা, অধিবক্তা তথা ৰাজ্যিক সমিতিৰ কাৰ্যালয় প্ৰমুখ খগেন কলিতা, দৰং জিলা ইতিহাস সংকলন সমিতিৰ সভাপতি সুনীল কুমাৰ গোস্বামী, কাৰ্যকৰী সভাপতি ফনীন্দ্ৰ নাথ, উপ-সভাপতি প্ৰমোদ ৰঞ্জন সাহা, প্ৰাক্তন সভাপতি প্ৰেমধৰ শৰ্মা, জিলা সমিতিৰ বিদ্যুৎ প্ৰমুখ তথা খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বুদ্ধিন হাজৰিকা, সহ বিদ্বৎ প্ৰমুখ তথা মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° পবিত্ৰ কুমাৰ নাথ, জিলা সমিতিৰ মহিলা প্ৰমুখ ড° মোহিনী গোস্বামী, সাহিত্যিক পেন্সনাৰ তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ললিতা দেৱী, মহিলা ইতিহাস প্ৰমুখ তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুঞ্জ দেৱী, গৰুখুটি প্ৰকল্পৰ নোডেল বিষয়া তথা জ্যেষ্ঠ পশু চিকিৎসা বিষয়া যুগব্ৰত নাথ, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, বিজেপি দলৰ দৰং জিলা সমিতিৰ সভাপতি মুকুন্দ ডেকা, জ্যেষ্ঠ সাংবাদিক গণেশ দত্ত প্ৰমুখ্যে জিলাখনৰ বিভিন্ন ক্ষেত্ৰৰ শতাধিক লোক উপস্থিত থাকে।

# যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আড়ম্বৰপূৰ্ণভাৱে যোৰহাট জিলা দিৱস উদ্‌যাপন

## বঁটা বিতৰণ আৰু সাংস্কৃতিক অনুষ্ঠানত জিলাবাসীৰ উছাহ

**অসম বাৰ্তা, নকছাৰি, ১ জুলাই ঃ** অত্যন্ত উলহ-মালহ আৰু গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ মাজত আজি ইংৰাজী ১ জুলাই, ২০২৬ তাৰিখে সমগ্ৰ যোৰহাট জিলাজুৰি দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত "যোৰহাট জিলা দিৱস-২০২৬"ৰ সফল সামৰণি পৰে। জিলা প্ৰশাসনৰ উদ্যোগত আৰু বিভিন্ন বিভাগ তথা ৰাইজৰ সক্ৰিয় সহযোগত আজি দ্বিতীয় দিনৰ সকলো কাৰ্যসূচী সুচাৰুৰূপে ৰূপায়ণ কৰা হয়। আজি পুৱা জিলা দিৱসৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ শুভাৰম্ভণি হিচাপে যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰাংগণত সন্মানীয় জিলা আয়ুক্ত জয় শিৱানী ডাঙৰীয়াই আনুষ্ঠানিকভাৱে জিলা দিৱসৰ পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰি জিলা আয়ুক্ত ডাঙৰীয়াই জিলাবাসীক উদ্দেশ্যি এক গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। তেওঁ যোৰহাটৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্যৰ কথা সুঁৱৰি জিলাখনৰ সামগ্ৰিক প্ৰগতি আৰু উন্নয়নৰ বাবে প্ৰতিগৰাকী নাগৰিকক একগোট হৈ কাম কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতেই জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী সকলে এক সমবেত সংগীত পৰিৱেশন কৰে। আজিৰ এই অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী ড° পৰাণ বৰুৱা, অধিবক্তা ইন্দ্ৰজিৎ কাকতি আৰু সমাজকৰ্মী ৰঞ্জন শইকীয়া দেৱ উপস্থিত থাকি যোৰহাট জিলাখনৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত যোৰহাট পৌৰসভাৰ পৌৰপতি লখিমী খাৰঘৰীয়া, সম-জিলা আয়ুক্তসকল, অতিৰিক্ত জিলা আয়ুক্তসকল, চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্ত সকল, সকলো বিভাগৰ মুৰব্বী বিষয়াসকল, জিলাখনৰ গণ্য-মান্য ব্যক্তিসকল, জ্যেষ্ঠ নাগৰিকসকল, সংবাদ কৰ্মীসকল, জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীৰ লগতে সকলো সংশ্লিষ্ট বিভাগৰ কৰ্মচাৰীসকল উপস্থিত থাকে। দিনৰ ভাগত যোৰহাট থিয়েটাৰ হলত জিলা দিৱসৰ মুকলি সভাৰ আয়োজন কৰা হয়। এই মুকলি সভাখন মৰিয়নি বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভণি কৰে আৰু যোৰহাট জিলা আয়ুক্ত জয় শিৱানী ডাঙৰীয়াই সভাখনৰ আদৰণী বক্তব্য আগবঢ়ায়। সভাখনত উপস্থিত থাকি কাজিৰঙা লোকসভা সমষ্টিৰ মাননিয় সাংসদ কামাখ্যা প্ৰসাদ তাছাই তেখেতৰ বক্তব্যত উল্লেখ কৰে যে জিলাখনত জ্যেষ্ঠ ব্যক্তিসকলৰ দ্বাৰা গঠিত নাগৰিক সমিতিৰ প্ৰয়োজন। কেৱল প্ৰশাসনেই নহয়, জিলাখনৰ জনসাধাৰণেও শিক্ষা আৰু জিলাখন পৰিষ্কাৰ পৰিচ্ছন্ন ভাৱে ৰাখিবলৈ গুৰুত্ব দিব লাগে বুলি তেখেতৰ বক্তব্যত উল্লেখ কৰে। ইয়াৰোপৰি, সভাত উপস্থিত অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ অধ্যক্ষ আৰু বিশিষ্ট লেখক তথা সমাজকৰ্মী শান্তনু পূজাৰী ডাঙৰীয়াই যোৰহাটৰ ঐতিহ্য আৰু গৰিমাৰ বিষয়ে তেখেতৰ তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা তথা পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা, বিশিষ্ট লেখিকা ডঃ অদিতি বেজবৰুৱা মহোদয়াই সমগ্ৰ শিক্ষা অভিযানৰ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা বাৰ্ষিক সংকলন "বৰ্ণাংক"ৰ শুভ উন্মোচন কৰে। লগতে জিলা প্ৰশাসনৰ ফালৰ পৰা যোৰহাট জিলাৰ সমূহ নাগৰিকৰ সুবিধাৰ্থে "জাগৃত যোৰহাট" নামেৰে এটি অনলাইন পৰ্টেলৰ মুকলি কৰা হয়। এই পৰ্টেলৰ জৰিয়তে জিলাখনৰ সকলো নাগৰিকে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ নহাকৈয়ে জিলা আয়ুক্তজনলৈ নিজৰ মতামত, পৰামৰ্শ লগতে বিভিন্ন আৱেদন আৰু অভিযোগ দাখিল কৰিব পাৰিব। এই অনুষ্ঠানতে জিলা দিৱস উপলক্ষে পূৰ্বৰ দিনটোত শিক্ষানুষ্ঠানসমূহত অনুষ্ঠিত হোৱা কুইজ, ৰচনা লিখন আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক আনুষ্ঠানিক ভাৱে বঁটা আৰু প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। তদুপৰি কৃষি, হস্ততাঁত, অসামৰিক প্ৰতিৰক্ষা, উদ্যোগ, শিক্ষা, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনায়। দুদিনীয়া জিলা দিৱস উদ্‌যাপনৰ সামৰণি ক্ষণটি অতি আকৰ্ষণীয় কৰি তোলাৰ উদ্দেশ্যে সন্ধিয়া এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। যোৰহাটৰ ড° ভূপেন হাজৰিকা ইণ্টাৰনেশ্যনেল ফাউণ্ডেশ্যনৰ শিল্পীসকলে ভূপেন হাজৰিকাৰ কালজয়ী গীতেৰে আৰম্ভ কৰা সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীসকলে পৰিৱেশন কৰা অসমীয়া লোক-কৃষ্টি আৰু গীত, বাদ্যৰ ঝংকাৰে সমগ্ৰ প্ৰেক্ষাগৃহ মুখৰিত কৰি তোলে। লগতে বিশিষ্ট অভিনেতা আৰু নাট্যকাৰ শ্ৰীযুত প্ৰদীপ হাজৰিকাৰ পৰিচালনাত যোৰহাট জিলা প্ৰশাসনৰ কৰ্মচাৰীবৃন্দই একাংকিকা নাটক -"বুমেৰাং" পৰিৱেশন কৰে। এই সাংস্কৃতিক অনুষ্ঠানেৰে দুদিনীয়া বৰ্ণাঢ্য "যোৰহাট জিলা দিৱস-২০২৬"ৰ অতি সফলতাৰে সামৰণি পৰে। যোৰহাট জিলা প্ৰশাসনে এই দুয়োটা দিনৰ সকলো কাৰ্যসূচী শান্তিপূৰ্ণ আৰু উলহ-মালহেৰে সফল কৰি তোলাৰ বাবে জিলাখনৰ সংবাদ মাধ্যমৰ প্ৰতিনিধিসকল, সহযোগী সংগঠনসমূহ আৰু সৰ্বসাধাৰণ ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। আজিৰ মুকলি সভাৰ অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্তসকল, চক্ৰ বিষয়া সকল, সহকাৰী আয়ুক্ত সকল, জিলা পৰিষদৰ সভাপতি সুৰজিৎ শইকীয়া, টীয়ক পৌৰসভাৰ পৌৰপতি লাকী গগৈ, মৰিয়নি পৌৰসভাৰ পৌৰপতি বিশ্বপ্ৰভা শইকীয়া, জ্যেষ্ঠ নাগৰিক, বিশিষ্ট গণ্য মান্য ব্যক্তি, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল, বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## 'চিভিল-মিলিটাৰী ফিউজন'ৰ অধীনত লাইপুলিত ৰেড শ্বিল্ড ডিভিজনৰ বিশেষ নিৰাপত্তা সন্মিলন

# স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত তিনিচুকীয়া-ডিব্ৰুগড়ৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিবলৈ সেনা-আৰক্ষীৰ গুৰুত্বপূৰ্ণ বৈঠক

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১ জুলাই ঃ** ৰাজ্যত আগন্তুক স্বাধীনতা দিৱসৰ উদ্‌যাপন যাতে সম্পূৰ্ণ শান্তিপূৰ্ণ আৰু নিৰাপদ পৰিৱেশত সম্পন্ন হয়, তাক সুনিশ্চিত কৰিবলৈ সেনা আৰু অসামৰিক প্ৰশাসনৰ মাজত সমন্বয় অধিক বৃদ্ধিৰ প্ৰয়াস কৰা হৈছে। এই উদ্দেশ্যে ভাৰতীয় সেনাৰ স্পিয়াৰ কৰ্পছৰ অন্তৰ্গত ৰেড শ্বিল্ড ডিভিজনৰ উদ্যোগত আজি (১ জুলাই) লাইপুলিত এক বিশেষ নিৰাপত্তা সন্মিলন অনুষ্ঠিত হয়। চলি থকা 'চিভিল-মিলিটাৰী ফিউজন' (Civil—Military Fusion) কাৰ্যসূচীৰ অংশ হিচাপে এই সন্মিলনৰ আয়োজন কৰা হয়। মূলত বিভিন্ন নিৰাপত্তা সংস্থাৰ মাজত পাৰস্পৰিক সমন্বয় শক্তিশালী কৰা আৰু স্বাধীনতা দিৱসৰ পূৰ্বে সামগ্ৰিক নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰাৰ লক্ষ্যৰেই এই গুৰুত্বপূৰ্ণ বৈঠক আহ্বান কৰা হৈছিল। সন্মিলনৰ মূল হাইলাইটছ- উচ্চস্তৰীয় অংশগ্ৰহণ- এই সন্মিলনত সেনাৰ উচ্চপদস্থ বিষয়াসকলৰ লগতে অসম আৰক্ষীৰ তৰফৰ পৰা তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক (SSP) দ্বয় উপস্থিত থাকে। গুৰুত্বপূৰ্ণ আলোচনা- বৈঠকত চোৰাংচোৱা তথ্যৰ আদান-প্ৰদান, পূৰ্বতৰ্কণমূলক প্ৰতিৰোধমূলক ব্যৱস্থা, সক্ৰিয় নিৰাপত্তা পৰিকল্পনা আৰু উদীয়মান নিৰাপত্তা প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ সংস্থাসমূহৰ মাজত যৌথ কাৰ্যপন্থাৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। যৌথ সংকল্প- সন্মিলনৰ অন্তত সকলো অংশীদাৰে একগোট হৈ এক সুসংহত দৃষ্টিভংগীৰে কাম কৰাৰ আৰু এটা হিংসামুক্ত, শান্তিপূৰ্ণ স্বাধীনতা দিৱস উপহাৰ দিয়াৰ সংকল্প পুনৰ দোহাৰে। সেনা বাহিনীৰ মন্তব্য- এনেধৰণৰ যৌথ প্ৰয়াসৰ জৰিয়তে ভাৰতীয় সেনাই অসামৰিক সংস্থাসমূহৰ সৈতে পাৰস্পৰিক বিশ্বাস বৃদ্ধি কৰাৰ লগতে অঞ্চলটোত শান্তি, নিৰাপত্তা আৰু স্থিৰতা বজায় ৰখাত ধাৰাবাহিকভাৱে অৱদান যোগাই আহিছে। আগন্তুক ৰাষ্ট্ৰীয় উৎসৱটিৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ স্পৰ্শকাতৰ অঞ্চলসমূহত সেনা আৰু আৰক্ষীৰ তহলদাৰী তথা তৰ্কণমূলক ব্যৱস্থা আৰু অধিক কটকটীয়া কৰি তোলা হ'ব বুলি জানিব পৰা গৈছে।

## ৯ জুলাইত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, ছৈখোৱা, ১ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত প্ৰতিবছৰৰ দ'ৰে এইবছৰো ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাই অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে। ছৈখোৱা অঞ্চলৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক লৈ প্ৰতিবছৰৰ এইবছৰো অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে। ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত আয়োজন হ'বলগীয়া উক্ত অভিনন্দন অনুষ্ঠানটিত যোগাযোগৰ বাবে ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰা আৰু সম্পাদক অভিনন্দন কলিতাই সকলোকে আহ্বান জনাইছে।

# সংস্কাৰী বিদ্যাৰ্থীয়েহে গুৰুবাক্য পালন কৰে আৰু পিতৃ-মাতৃৰ সেৱা কৰে ঃ ৰূপক বৈশ্য

## নলবাৰীৰ বনগাঁৱৰ জ্যেতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানত বিশেষ অভিভাৱক সভা

**অসম বাৰ্তা, চামতা, ১ জুলাই ঃ** সংস্কাৰী বিদ্যাৰ্থীয়েহে গুৰুবাক্য পালন কৰে আৰু পিতৃ-মাতৃৰ সেৱা কৰে। এই মন্তব্য নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যেতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যৰ। কালি নলবাৰী জিলাৰ ৪০ নং টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২ নং বনগাঁও গাঁও পঞ্চায়তৰ ওপৰ মহলাত থকা জ্যেতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানত এখন বিশেষ অভিভাৱক সভাৰ অনুষ্ঠিত হৈ যায়। সন্ধিয়া ৬ বজাত শৈক্ষিক দিশৰ উত্তৰণৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা উক্ত বিশেষ অভিভাৱক সভাৰ আৰম্ভণিতে শিক্ষাগুৰু, শিক্ষাৰ্থী আৰু অভিভাৱক-অভিভাৱিকাৰ মাজত মুকলি মত বিনিময় কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচীত 'নৈতিকতাৰ জ্ঞানসমৃদ্ধ শিক্ষাৰ প্ৰয়োজনীয়তা' শীৰ্ষক বিষয়ৰ ওপৰত সংস্কাৰমুখী বাৰ্তাৰে ৰসাল ভাষণ প্ৰদান কৰি নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যেতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰা পৰিলক্ষিত হয়। শিক্ষাৰ্থীৰ সামগ্ৰিক মূল্যায়ন তথা বিকাশ আৰু চৰিত্ৰ গঠনৰ ওপৰত তথ্যভিত্তিক বিৱৰণ দাঙি ধৰাৰ উপৰি সভাখনত সভাপতিত্ব কৰে শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰা ৰাণী ডেকাই। পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মাই সামগ্ৰিক উন্নয়ন আৰু উন্নতিৰ ওপৰত চমু আলোচনা আগবঢ়ায়। অভিভাৱক-অভিভাৱিকাৰ ফালৰ পৰাও বহুকেইজনে ইতিবাচক মন্তব্য প্ৰদানেৰে শিক্ষা প্ৰতিষ্ঠানখনৰ পদক্ষেপসমূহৰ শলাগ লয়। অধ্যক্ষ ৰূপক বৈশ্যই নিজৰ সন্তানক যন্ত্ৰমানৱলৈ পৰিৱৰ্তন নকৰাবলৈ অভিভাৱক-অভিভাৱিকাসকলক বিশেষভাৱে অনুৰোধ জনায়। লগতে অধ্যক্ষ ৰূপক বৈশ্যই নিজৰ ভাষণত এই গৰম বন্ধৰ সময়ছোৱাত বিভিন্ন আত্মীয়-স্বজনৰ সৈতে সহজভাৱে মিলা-মিছা কৰি নিজৰমতে আনন্দত কটাবলৈ বিদ্যাৰ্থীসকললৈ পৰামৰ্শ প্ৰদান কৰে। তাৰ পূৰ্বে বিদ্যাৰ্থীসকলৰ মাজত কেইবাটাও শাখাত অন্তৰ্ভুক্তিৰে স্মৃতিশক্তি পৰীক্ষা অনুষ্ঠিত কৰা হয় আৰু বিজয়ীসকলক পুৰস্কাৰ হিচাপে একোখনিকৈ গ্ৰন্থ তথা অন্যান্য সকলো বিদ্যাৰ্থীক অংশগ্ৰহণকাৰী প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। শিক্ষক কমল কুমাৰ তালুকদাৰে আঁতধৰা সভাখনত শিক্ষক অমৰেন্দ্ৰ হালৈ, ৰিংকু ৰাজবংশী, কমল দাস, গৌতম সাউদ, দীপাংকৰ হালৈ, কমল ঠাকুৰীয়া আৰু বিশাল ডেকাৰ লগতে প্ৰায় অৰ্ধশতক বিদ্যাৰ্থী, অভিভাৱক-অভিভাৱিকা উপস্থিত থাকে। সমূহীয়া কণ্ঠত অসম সংগীত প্ৰদানেৰে সভাৰ সফল সামৰণি পেলোৱা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন